

# গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ

## বাৰ্ষিক আলোচনী

তত্ত্বাৱধায়িকাদ্বয়
দীপিকা দেৱী চৌধুৰী
প্ৰভা দাস

সম্পাদক
মিল্টন বসুমতাৰী

MOHAN LAL CHOUDHURY LIBRARY :

# গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ

# বাৰ্ষিক আলোচনী

২০০৫ — ২০০৬ ইং বৰ্ষ

দ্বিতীয় সংখ্যা

G.L.C. COLLEGE : BARPETA ROAD
ESTD : 1990

প্ৰতি,

প্ৰীতি আৰু শুভেচ্ছাৰে
সম্পাদক

তত্ত্বাৱধায়িকাদ্বয়
শ্ৰী দীপিকা দেৱী চৌধুৰী
শ্ৰী প্ৰভা দাস

সম্পাদক
শ্ৰী মিল্টন বসুমতাৰী

MOHAN LAL CHOUDHURY LIBRARY :



# গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ

## বাৰ্ষিক আলোচনী

দ্বিতীয় সংখ্যা

২০০৫ — ২০০৬ ইং বৰ্ষ

**ঃ সম্পাদনা সমিতি ঃ**

**উপদেষ্টা ঃ**
প্ৰবক্তা শ্ৰী জয়া বিশ্বাস কুণ্ডু
প্ৰবক্তা শ্ৰী পূৰ্ণ বাহাদুৰ ছেত্ৰী
প্ৰবক্তা শ্ৰী সঞ্জীৱ দাস
প্ৰবক্তা শ্ৰী ৰমজান আলী

**সভাপতি ঃ**
শ্ৰীযুত জগন্নাথ বৰ্মন
অধ্যক্ষ, গণেশ লাল চৌধুৰী মহাবিদ্যালয়

**তত্ত্বাৱধায়িকাদ্বয় ঃ**
প্ৰবক্তা শ্ৰী দীপিকা দেৱী চৌধুৰী
প্ৰবক্তা শ্ৰী প্ৰভা দাস

**সম্পাদক ঃ**
শ্ৰী মিল্টন বসুমতাৰী

**সদস্য / সদস্যাবৃন্দ ঃ**
প্ৰবক্তা শ্ৰী ৰূপামণি কাকতি
প্ৰবক্তা শ্ৰী মোছলিম উদ্দিন আহমেদ
প্ৰবক্তা শ্ৰী আনন্দ ঘোষ
প্ৰবক্তা শ্ৰী মুকুট খান
প্ৰবক্তা শ্ৰী মাইকন বসুমতাৰী
প্ৰবক্তা শ্ৰী হেমন্ত কুমাৰ দাস
শ্ৰী মুনীন্দ্ৰ কুমাৰ দাস, মুখ্য কাৰ্য্যালয় সহায়ক
শ্ৰী দেৰহাছৎ বসুমতাৰী,
সম্পাদক, ছাত্ৰ একতা সভা
শ্ৰী প্ৰসেনজিৎ দাস,
উপ-সভাপতি, ছাত্ৰ একতা সভা

আলোচনীৰ নেপথ্যত —

**বেটুপাত অঙ্কন ঃ**
**হেমন্ত কুমাৰ বায়ন**
অধ্যক্ষ, চিত্ৰকলা নিকেতন আৰু প্ৰণবেন্দু বিকাশ আৰ্ট গেলাৰী, বৰপেটাৰোড্

**অলঙ্কৰণ ঃ** **দীপিকা দেৱী চৌধুৰী**, তত্ত্বাৱধায়িকা

**অঙ্গসজ্জা ঃ** **হেমন্ত কুমাৰ দাস**

আলোকচিত্ৰ ঃ **ষ্টুডিঅ' ছিত্ৰছায়া, বৰপেটাৰোড্**

**মুদ্ৰক ঃ শিৰম অফচেট প্ৰিণ্টাৰ্চ**
বাসন্তী কম্প্লেক্স, বৰপেটাৰোড্


কৃতজ্ঞতা স্বীকাৰ ঃ

✡ গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতি।
✡ গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ প্ৰবক্তা মণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীবৃন্দ।
✡ এই সংখ্যাৰ সমূহ লেখক-লেখিকা।
✡ বেটুপাতৰ শিল্পী।
✡ শিৰম অফচেট প্ৰিণ্টাৰ্চ, বৰপেটাৰোড্।


**সম্পাদকৰ প্ৰাৰ্থনা ঃ**

আলোচনীত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজন অনুসৰি সম্পাদনা সমিতিয়ে পৰিৱৰ্তন, পৰিৱৰ্দ্ধন কৰিছে। লেখক-লেখিকাই যদি আন কোনো লেখকৰ লিখনি নকল কৰি প্ৰকাশ কৰিছে সেয়া সম্পাদনা সমিতিৰ অজ্ঞাত। তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।


MOHAN LAL CHOUDHURY LIBRARY :

## উছৰ্গা



যি গৰাকী শিক্ষাপ্ৰেমী ব্যক্তিৰ নিস্বাৰ্থ ত্যাগ, আৰ্থিক সহযোগিতাৰ ফলত গণেশ লাল চৌধুৰী মহাবিদ্যালয় বৰপেটাৰোডৰ বুকুত গঢ় লৈ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ উচচ শিক্ষা গ্ৰহণৰ পথ প্ৰশস্ত কৰিলে সেই বৰেণ্য সমাজকৰ্মী ঁ মোহন লাল চৌধুৰীৰ চৰণত মহাবিদ্যালয়ৰ এই সংখ্যাৰ আলোচনীখন উছৰ্গা কৰা হ'ল।

— সম্পাদনা সমিতি

MOHAN LAL CHOUDHURY LIBRARY :

শ্ৰীউদ্ধৱ বৰ্মন
MEMBER
ASSAM LEGISLATIVE ASSEMBELY

সত্যমেৱ জয়তে

DATE ৫/৩/০৭

প্ৰতি
সম্পাদক
বি এইচ বি মহাবিদ্যালয় আলোচনী,
বৰপেটাৰোড

প্ৰিয় সম্পাদক,

আপোনাৰ তত্ত্বাৱধানত বি এইচ বি মহাবিদ্যালয় আলোচনীখনৰ দ্বিতীয় সংখ্যা প্ৰকাশিত হ'ব বুলি জানিব পাৰি সন্তোষ প্ৰকাশ কৰিছোঁ। আশা কৰিছোঁ আপোনালোকৰ এই আলোচনীখনে কলেজখনৰ ছাত্ৰছাত্ৰী সকলৰ বৌদ্ধিক বিকাশৰ সহায়ক হ'ব।

আপোনালোকৰ কলেজৰ উত্তৰোত্তৰ উন্নতি আৰু ছাত্ৰছাত্ৰী সকলৰ বিকাশ কামনা কৰিছোঁ।

অভিনন্দন সহ

বিনীত
শ্ৰীউদ্ধৱ বৰ্মন
বিধায়ক, সৰভোগ সমষ্টি
০৫/০৩/০৭

MOHAN LAL CHOUDHURY LIBRARY :

Prof. Amarjyoti Choudhury, M.Sc., Ph.D
Vice-Chancellor

☎ : 91-0361-2570412 (O)
Fax : 91-0361-2700311
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar
Guwahati - 781014
Assam : India

---

## শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে, গনেশ লাল চৌধুৰী মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ বাৰ্ষিক আলোচনী (২০০৫-০৬ইং) প্ৰকাশৰ যো-জা চলোৱা হৈছে। এই আলোচনীখনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক প্ৰতিভা বিকশিত হৈ সমাজ আৰু দেশৰ বৌদ্ধিক তথা সাংস্কৃতিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যৎ জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰি তোলাৰ লগতে একোজন সৎ আৰু আদৰ্শবান ব্যক্তি হ'বলৈও প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে।

সমূহ ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন উন্নতিৰ কামনাৰে——

অমৰজ্যোতি চৌধুৰী
(অমৰজ্যোতি চৌধুৰী)
উপাচাৰ্য্য,
গুৱাহাটী বিশ্ববিদ্যালয়।

MOHAN LAL CHOUDHURY LIBRARY :

## শুভেচ্ছা বাণী

গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী (২০০৫-২০০৬) খন প্ৰকাশ কৰা হব বুলি জানিব পাৰি নথৈ আনন্দিত হৈছো ।

আশা কৰো আলোচনীখনত শিক্ষাৰ মান, প্ৰকৃত মানৱ সম্-পদ উন্নয়ণ ইত্যাদিৰ বিষয়ে গল্প-প্ৰৱন্ধ আদিৰ প্ৰকাশৰ জৰিয়তে আমাৰ দেশৰ ভৱিষ্যত নাগৰিক ছাত্ৰ-ছাত্ৰী সকলক উন্নতিৰ পথত আগুৱাই যোৱাত যাতে সহায়ক হয় ইয়াৰে কামনা কৰিছো ।

ইতি

ভৱদীয়

(দেৱান ৰাম বড়ো)

সচিব

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

বামুণীমৈদাম, গুৱাহাটী-২১

MOHAN LAL CHOUDHURY LIBRARY :



## ৺ গণেশ লাল চৌধুৰী

জন্ম ঃ ১৮৯৬ চন

মৃত্যু ঃ ১৯৩১ চন

যিগৰাকী মহান ব্যক্তিৰ নামতে
বনিজ নগৰী বৰপেটাৰোডত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ সদৃশ
এই মহাবিদ্যালয়খন স্থাপন কৰা হ'ল
তেখেতৰ পবিত্ৰ স্মৃতি সুঁৱৰি
যাচিছোঁ এপাহি ফুল।

MOHAN LAL CHOUDHURY LIBRARY :

শ্ৰদ্ধাঞ্জলি



## দাতাঃ ৺ মোহন লাল চৌধুৰী

জন্মঃ ১৯০৩ চন

মৃত্যুঃ ১৯৯০ চন

যিগৰাকী উদাৰ ব্যক্তিয়ে মহান উদ্দেশ্যে লৈ
মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিবলৈ ১০ (দহ) লক্ষ টকা
দান হিচাপে আগবঢ়ালে, তেখেতৰ চৰণত
নতশিৰে যাচিছোঁ ভকতিৰ অঞ্জলি।

MOHAN LAL CHOUDHURY LIBRARY :

# শ্ৰদ্ধাঞ্জলি

কালৰ আহ্বানত যিসকল ব্যক্তি
অনন্ত ধামলৈ গুচি গ'ল,
তেওঁলোকলৈ যাচিছোঁ
সশ্ৰদ্ধ
অশ্ৰু-অঞ্জলি।



প্ৰাক্তন অধ্যক্ষ

**প্ৰয়াত সুধীৰ কুমাৰ অধিকাৰী**

জন্ম ঃ ০৮/০৮/১৯২৯ ইং
মৃত্যু ঃ ২৩/০১/২০০৫ ইং
১৯৯৪ চনৰ পৰা ১৯৯৭ চনলৈকে গণেশ লাল চৌধুৰী মহাবিদ্যালয়ত অবৈতনিক অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰে।



**প্ৰয়াত অমূল্য বিশ্বাস**

জন্ম ঃ ০৮/০৩/১৯২৯ ইং
মৃত্যু ঃ ০১/০১/২০০৫ ইং
গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা ওতঃপ্ৰোতভাৱে জড়িত থকাৰ লগতে মৃত্যুৰ সময়লৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ উপদেষ্টা হৈ আছিল।



**প্ৰয়াত খৰ্গেশ্বৰ নাথ**

জন্ম ঃ ২৭/১১/১৯৪২ ইং
মৃত্যু ঃ ১৩/১২/২০০৪ ইং
বি. এইচ্. কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰবক্তা। তেখেত গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য আছিল।



**প্ৰয়াত দিলীপ ৰঞ্জন দত্ত**

জন্ম ঃ ০১/০১/১৯৪৩ ইং
মৃত্যু ঃ ২৫/০৬/২০০৪ ইং
বি. এইচ্. কলেজৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী প্ৰবক্তা। তেখেতে মৃত্যুৰ সময়লৈ গণেশ লাল চৌধুৰী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য হৈ আছিল।



**প্ৰয়াত কৃষ্ণ কিঙ্কৰ মহন্ত**

জন্ম ঃ ০১/০৮/১৯৪৪ ইং
মৃত্যু ঃ ১৫/০৫/২০০৬ ইং
বি. এইচ্. কলেজৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী প্ৰবক্তা। তেখেতে গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ প্ৰথম কাৰ্য্যকৰী সমিতিৰ সদস্য আছিল লগতে মহাবিদ্যালয়খনলৈ বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়াইছিল।

MOHAN LAL CHOUDHURY LIBRARY :

# শ্ৰদ্ধাঞ্জলি



৺ চন্দন বড়ো

প্ৰাক্তন সাধাৰণ সম্পাদক

জন্ম ঃ ৩১/১২/১৯৭৯ ইং

মৃত্যু ঃ ২/৬/২০০৬ ইং



৺ অৰ্জুন বৰ্মন

জন্ম ঃ ০১/০২/১৯৮৪ ইং

মৃত্যু ঃ --/--/২০০৬ ইং

দুৰ্ঘটনা বশতঃ অকালতে মৰহি যোৱা
গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ
দুটি উজ্জ্বল প্ৰতিভা
৺ চন্দন বড়ো আৰু ৺ অৰ্জুন বৰ্মন।
তেওঁলোকৰ পৱিত্ৰ স্মৃতিক সুঁৱৰি যাচিছোঁ
শ্ৰদ্ধাঞ্জলি।

MOHAN LAL CHOUDHURY LIBRARY :



কর্মই যাৰ প্ৰেৰণা............

গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ

**শ্ৰীযুত জগন্নাথ বৰ্মন**

MOHAN LAL CHOUDHURY LIBRARY :

# সম্পাদকীয় ঃ



মহাবিদ্যালয়ৰ পূজনীয় শিক্ষাগুৰু আৰু সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দলৈ শুভেচ্ছা আৰু ওলগ জনাই মোৰ সম্পাদকীয়ৰ পাতনি মেলিছো। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ দ্বিতীয় সংখ্যটো মোৰ সহৃদয় পাঠক-পাঠিকাৰ হাতত তুলি দিম বুলি ভাবিয়ে লাভ কৰিছো মই অসীম আনন্দ।

সৃষ্টিশীল সাহিত্যই সমাজৰ প্ৰকৃত পৰিচয় দাঙি ধৰে। নিজৰ মাটিৰ গোন্ধ থকা অনুভৱ যদি সাহিত্য সৃষ্টিৰ উৎস হয় তেনে সাহিত্যই পঙ্গুজনকো পোন হ'বলৈ মনোবল যোগায়। তেনে সংস্কৃতি সম্পন্ন সাহিত্যই এখন সুন্দৰ সমাজ গঢ়ি উঠাত সহায় কৰে।

আমাৰ অদূৰদৰ্শিতাৰ ভয়াবহ পৰিনামৰ ফল ভোগ কৰি আমাৰ যথেষ্ট অভিজ্ঞতা হৈছে। সেয়েহে ক্ৰমাগতভাৱে ছিন্ন ভিন্নহৈ যোৱা সম্প্ৰীতিৰ এনাজৰীডাল পুনৰ ৰচনা কৰা উচিত। সম্প্ৰীতিৰ এনাজৰী অটুট ৰাখিবলৈ সুস্থিৰ পথ দেখুওৱাৰ দায়িত্ব বহন কৰিব পাৰে সাহিত্যই।

বিশ্বৰ সকলো জাতিৰেই নিজস্ব সাহিত্য আৰু সংস্কৃতি আছে। যিকোনো জাতিয়েই সাহিত্য আৰু সংস্কৃতিৰ মাজেৰে উচ্চ শিখৰলৈ ধাৱিত হ'ব পাৰে। সেয়েহে যিকোনো জাতিয়েই নিজৰ সাহিত্য আৰু সংস্কৃতিক অটুট ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগে। জাতীয় সাহিত্য হৈছে জাতিৰ আশা-আকাংক্ষা, আনন্দ-বেদনা আৰু ভাব-কল্পনা প্ৰকাশৰ থল।

আমাৰ মহাবিদ্যালয়ত 'ৰেঙণি' আৰু 'বিবিধা' নামৰ দুখন প্ৰাচীৰ পত্ৰিকা প্ৰতি বছৰে বাৰ্ষিক ৰূপত মহাবিদ্যালয় সপ্তাহত প্ৰকাশ হয়। এই দুখন প্ৰাচীৰ পত্ৰিকা ছাত্ৰ-ছাত্ৰীৰ অনুভৱ প্ৰকাশৰ চাহিদা পূৰণ কৰিবলৈ যথেষ্ট নহয়। সেই বাবে আলোচনীৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীৰ লিখনিসমূহ প্ৰকাশ কৰিবলৈ সুবিধা দিয়া হয়। ছাত্ৰ-ছাত্ৰী, লেখক-লেখিকাৰ সুপ্ত প্ৰতিভা বিকাশৰ উপযুক্ত মাধ্যম এই আলোচনী।

আজিকালি কিছুমান লেখকৰ কল্পনাৰ আবেগময় অনুভূতিৰে প্ৰকাশিত আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ সৃজনীশীল প্ৰতিভা বিকাশত বাধাৰ সৃষ্টি কৰিছে। যদিহে ছাত্ৰ জীৱনৰ পৰাই আমি বিভিন্ন দিশত সাহিত্য চৰ্চাৰ মাধ্যম হিচাপে আমাৰ আলোচনীখন ব্যৱহাৰ কৰো তেন্তে এই বাধা অতিক্ৰম কৰি নিজকে সু-সাহিত্যিক হিচাপে গঢ়ি তোলাৰ লগতে ভৱিষ্যতে জাতীয় সাহিত্যক আগুৱাই নিব পাৰিম বুলি আশা কৰিব পাৰো। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, প্ৰবক্তাবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগ আদৰণীয়।

প্ৰতি বছৰে মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ হৈ থাকিলে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভাব, অনুভূতি গল্প-প্ৰবন্ধ আদি ইয়াৰ মাধ্যমেৰে প্ৰকাশ কৰিবলৈ সুযোগ পাব আৰু সাহিত্য চৰ্চাৰ প্ৰতি তেওঁলোকৰ উৎসাহ বাঢ়িব বুলি আশা কৰিব পাৰি।

লিখনিৰ শেষত যিসকল শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীয়ে মোক সহায়-সহযোগ কৰিছে তেওঁলোকক মোৰ আন্তৰিক ধন্যবাদ জনাইছো। ইয়াৰ লগতে মোৰ কাজ-কৰ্ম আৰু আলোচনীখনত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচনত জয়ী কৰাই তেওঁলোকৰ সেৱাৰ সুযোগ দিলে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। শেষত মহাবিদ্যালয়ৰ আলোচনীখনৰ দীৰ্ঘ জীৱন কামনা কৰিলোঁ।

মহাবিদ্যালয়ৰ জয় হওঁক।

ধন্যবাদেৰে

**শ্ৰী মিল্টন বসুমতাৰী**
সম্পাদক, আলোচনী বিভাগ
গণেশ লাল চৌধুৰী মহাবিদ্যালয়

MOHAN LAL CHOUDHURY LIBRARY :

## তত্ত্বাৱধায়িকাৰ কথাৰে—



জয় জয়তে যিসকল ব্যক্তিৰ ত্যাগ আৰু প্ৰচেষ্টাত এই মহাবিদ্যালয়খন আজিৰ এই অৱস্থাত উপনীত হৈছে সেই চিৰনমস্য ব্যক্তিসকলক মই কৰযোৰে প্ৰণিপাত জনাইছোঁ।

মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে মোৰ অনুপযুক্ততা, অজ্ঞতাখিনি বুজিব নোৱাৰিয়ে হওঁক বা লক্ষ্য নকৰিয়েই হওঁক শ্ৰীমতী প্ৰভা দাসৰ লগতে তত্ত্বাৱধায়িকাৰ দায়িত্ব দি আলোচনীখন প্ৰকাশ কৰিবলৈ দিয়ে।

প্ৰথম অৱস্থাত এই দায়িত্ব বহন কৰিব নোৱাৰিম বুলিয়ে ভাবিছিলো। কিন্তু পুনৰ মহোদয়ৰ পৰা পোৱা তাগিদাত প্ৰভা দাস আৰু সম্পাদনা সমিতিৰ পূৰ্ণ সহযোগ পাই কামত আগবাঢ়িলোঁ।

গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰকাশৰ এয়া দ্বিতীয় সংখ্যা। উপযুক্ত ব্যক্তিয়ে দায়িত্ব ল'লে প্ৰতি বছৰে মহাবিদ্যালয়ৰ বুকুত লুকাই থকা প্ৰতিভা বিকশিত হ'ব বুলি আশা কৰিব পাৰো।

যি সকল ব্যক্তিয়ে তেখেতসকলৰ বহুমূলীয়া লিখনিৰে এই সংখ্যা আলোচনীখন পোহৰলৈ অনাত সহায় কৰিছে তেওঁলোকলৈ মই আন্তৰিক ধন্যবাদ জনাইছো। তাৰোপৰি যি সকলৰ ৰচনা স্থানৰ অভাৱত প্ৰকাশ কৰিব নোৱাৰিলোঁ, তেওঁলোকৰ শলাগ লৈছো, নিজৰ মূল্যবান সময় খৰচ কৰিও লিখাৰ বাবে। উৎসাহ-উদ্দীপনা আৰু বহুমূলীয়া উপদেশেৰে আলোচনী প্ৰকাশত সহায় কৰা বাবে প্ৰবক্তা হেমন্ত কুমাৰ দাস, উচ্চবৰ্গৰ সহায়ক মুনীন্দ্ৰ দাস আৰু অজিত ৰয়ৰ ওচৰত আমি কৃতজ্ঞ।

এখন সৰ্বাঙ্গসুন্দৰ আলোচনী উলিয়াই ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিবলৈ কল্পনা কৰিছিলোঁ। কিন্তু বাস্তৱত একোৱেই কৰিব নোৱাৰিলোঁ। সীমিত অৰ্থৰে সৰ্বাঙ্গসুন্দৰ আলোচনী উলিওৱাটোও কঠিন। তাৰোপৰি ছাত্ৰ-ছাত্ৰীৰ পৰা উপযুক্ত গল্প, কবিতা আদি যেতিয়া পোৱা নাযায়, তেতিয়া তিক্ততাৰে মন ভৰি পৰে। এই ক্ষেত্ৰত সম্পাদনা সমিতিখনে নিৰুপায়ত পৰে। ইংৰাজী বিভাগৰ লিখনি দুখ লগাকৈ কম। বৰ্তমান যুগত ছাত্ৰ-ছাত্ৰীসকলে অধিক সাহিত্য চৰ্চাত মন দিয়া উচিত।

অনুপযুক্ততা লগতে অসুবিধাৰ কাৰণে আলোচনী প্ৰকাশত পলম কৰিবলগীয়া হ'ল। অনুৰোধ কৰিছোঁ কোনেও যাতে ইয়াক অহেতুক বুলি ধৰি নলয়।

অজানিতভাৱে আৰু অনভিজ্ঞতাৰ হেতু অনেক ভুল-ভ্ৰান্তি ৰৈ যোৱা তেনেই স্বাভাৱিক। তাৰ বাবে মই সহৃদয় পাঠকসকলৰ ওচৰত সম্পাদনা সমিতিৰ হকে ক্ষমা-প্ৰাৰ্থনা জনালোঁ।

শেষত যিসকল লোকে আলোচনী প্ৰকাশ কৰি উলিওৱাত অনুপ্ৰাণিত কৰিলে তেওঁলোকলৈ এই সুযোগতে কৰণি ভৰাই যাছিলো কৃতজ্ঞতা।

জয়তু গণেশ লাল চৌধুৰী মহাবিদ্যালয়।

**দীপিকা দেৱী চৌধুৰী**
তত্ত্বাৱধায়িকা, আলোচনী বিভাগ
গণেশ লাল চৌধুৰী মহাবিদ্যালয়

MOHAN LAL CHOUDHURY LIBRARY :

# সূচীপত্ৰ


⇒ ছাত্ৰ আৰু অধ্যয়ন — অতুল বৰ্মন — ১
⇒ অসমৰ কৃষিৰ উন্নয়নত ব্ৰহ্মপুত্ৰ উপত্যকাৰ চৰ . . . — জয়া বিশ্বাস কুণ্ডু — ৪
⇒ বিহুগীতত প্ৰকৃতি, প্ৰেম আৰু সমাজ জীৱনৰ ছবি — দীপামণি মেধি — ৬
⇒ একৈশ শতিকাত হজৰত মহম্মদ (ছাঃ) ৰ প্ৰাসংগিকতা — আবু ছামা — ৯
⇒ ভাৰতত উচ্চ শিক্ষাৰ সংকট — শহৰ আলী — ১২
⇒ সন্ত্ৰাসবাদঃ বৰ্তমান ৰাষ্ট্ৰৰ প্ৰতি ভাবুকি — টুটু চৌধুৰী — ১৪

ছন্দ শিল্প

⇒ বিষণ্নতাৰ স্তৱক — দীপামণি মেধি — ১৭
⇒ কিদৰে এৰি যাও তোমাক — মুন মুন বণিক — ১৭
⇒ তোমাক বিচাৰি — ইন্তেকাব আলম আহমেদ — ১৮
⇒ হৃদয়ত প্ৰেমৰ ফুল — মিৰ্জা মাহি উদ্দীন — ১৮
⇒ ভালপাও — ৰুবী কৰ্মকাৰ — ১৯
⇒ নৈ পৰীয়া দুখ — ভাস্বতী পাঠক — ১৯
⇒ প্ৰিয়তম — স্বপ্নালী দাস — ২০
⇒ পান্থশাল — আব্দুল হালিম — ২০
⇒ শান্তিৰ প্ৰাৰ্থনা — মণিশ্ৰী সাহা — ২১
⇒ অব্যক্ত প্ৰেমৰ সপোন — শান্তা সাহা — ২১
⇒ হেৰোৱা বাটৰ মাত — অজিত শৰ্মা — ২২
⇒ বেদনা — গুণজিৎ বৰ্মন — ২২
⇒ বৰষুণ — জগন্নাথ পাল — ২৩
⇒ গণেশ লাল চৌধুৰী মহাবিদ্যালয় — ৰকিবুল ইছলাম — ২৩
⇒ গণেশ লাল চৌধুৰী — প্ৰীতি ৰেখা দাস — ২৩

গল্পৰ শৰাই

⇒ দ্ৰোণ পৰ্ব — হেমন্ত কুমাৰ দাস — ২৫
⇒ হজৰত এতিয়াও কলেজলৈ আহে . . . — মুনীন্দ্ৰ কুমাৰ দাস — ৩০
⇒ ছন্দ পতন — জাহিদুল ইছলাম — ৩৩
⇒ অমানিশা — মোঃ আব্দুৰ ৰসিদ — ৩৫
⇒ নিবদ্ধ নিয়তি — অমৃতা বৰ্মন — ৩৭
⇒ আশাভঙ্গ — মফিদুল ইছলাম খান — ৩৯
⇒ 'ছাত্ৰ-ছাত্ৰীৰ মনৰ কথাৰে' — ৪২-৪৭

English Section

⇒ Jayanta Mahapatra and the Poetry of Silence — Dr. Bishnu Charan Dash — 51
⇒ Bishnu Prasad Rabha : A brief Life-Sketch — Mukut Khan — 55
⇒ An Outline of Formal Education in Medieval Assam — Miran Hussain Choudhury — 59
⇒ Original Affluent Society from a Sociological Point of View — Dipika Devi Choudhury — 61
⇒ College Education at the CROSS-ROADS — Md. Shahidul Islam Jadid — 64
⇒ Economic Liberalisation and Indian Agriculture — Biki Saha — 66
⇒ Inspiration — Apurba Brahma — 67
⇒ Politics — Soneswar Baro — 67
⇒ Do You Know — Rimpi Dey — 68
⇒ Friendship — Amrita Sarkar — 68
⇒ What Can Money Do — Ajit Basak — 69
⇒ Oh My Best Friend — Debasish Saha — 69

⇒ সম্পাদকীয় প্ৰতিবেদন — ৭০-৭৬
⇒ List of Teaching and Non-Teaching Staff — 77


****

MOHAN LAL CHOUDHURY LIBRARY :

অতিথি কলম

# ছাত্ৰ আৰু অধ্যয়ন

◆ অতুল চন্দ্ৰ বৰ্মন
অৱসৰপ্ৰাপ্ত মুৰব্বী প্ৰবক্তা,
অসমীয়া বিভাগ
বি.এইচ্. কলেজ,হাউলী

অধ্যয়নৰ মূল লক্ষ্য হ'ল জ্ঞান অৰ্জন। জ্ঞান অৰ্জনৰ পথত মুখ্য সাৰথি হ'ল গুৰু বা শিক্ষক। গুৰু বা শিক্ষকৰ প্ৰতি শ্ৰদ্ধা-ভক্তি ৰাখি যদি যত্ন কৰা হয়। জ্ঞান অৰ্জনৰ পথ সুগম হয়। 'শ্ৰদ্ধা-যত্নৌ যদি স্যাতাং মেধয়া কিম্ প্ৰয়োজনম্' বুলি এফাঁকি আপ্তবাক্য আছে। শিক্ষণীয় বিষয়ৰ প্ৰতি শ্ৰদ্ধা ৰাখি যত্ন সহকাৰে অধ্যয়নত ৰত হ'লে মেধা বা ধী শক্তি নাথাকিলেও শিক্ষাৰ্থীৰ উন্নতিত বাধা নহয়। গুৰুৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদিত হ'লে গুৰু সন্তুষ্ট হয়, যাৰ ফলত শিক্ষাৰ্থী বা শিষ্যৰ ওপৰত আশীৰ্বাদ বৰ্ষিত হয় আৰু গুৰুৰ আন্তৰিক আশীৰ্বাদ শিষ্যৰ ওপৰত মন্ত্ৰৰ দৰে প্ৰভাৱ বিস্তাৰ কৰে।

ছাত্ৰাৱস্থা জ্ঞান অৰ্জনৰ প্ৰস্তুতিপৰ্ব; ভৱিষ্যত জীৱন সুখময়, মধুময় কৰাৰ শুভ আৰম্ভণি; জ্ঞান সাধনৰ পথত প্ৰথম আৰু পৱিত্ৰ পদক্ষেপ। শিক্ষাৰ্থীৰ জ্ঞান অন্বেষণৰ পথত সাৰথি হ'ল গুৰু বা শিক্ষক। শিক্ষক-শিক্ষাৰ্থীৰ 'Friend, Philosopher and Guide', জ্ঞান অতি পৱিত্ৰ বস্তু। 'নহি জ্ঞানেন সদৃশং পৱিত্ৰম ইহ বিদ্যতে'। জ্ঞানৰ সমান পৱিত্ৰ বস্তু পৃথিৱীত আন একো নাই। এই অমূল্য আৰু পৱিত্ৰ জ্ঞান অৰ্জন কৰাটো কিন্তু তেনেই উজু নহয়। সেয়েহে জ্ঞানান্বেষী শিক্ষাৰ্থী জীৱনৰ বহু সময়ত স্বেচ্ছাই বহু কষ্ট বৰণ কৰিবলগীয়া হয়। কঠোৰ পৰিশ্ৰমৰ অনুশীলন কৰিবলগীয়া হয়। মনত ওপজা অনুসন্ধিৎসাৰ উপশম ঘটাবলৈ শাৰীৰিক আৰু মানসিকভাৱে ব্যতিব্যস্ত হ'বলগীয়া হয়। জ্ঞান অৰ্জনৰ ক্ষেত্ৰত 'no alternative to hard labour' বুলি ক'লেও অত্যুক্তি কৰা নহয় যেন লাগে। এই সন্দৰ্ভত ইংৰাজ লিখক জনছনৰ এষাৰ বহুমূলীয়া বচন উল্লেখযোগ্য। সেয়া হ'ল — 'সংসাৰত গাৰ বলেৰে আৰু ছলেৰে সংগ্ৰহ কৰিব নোৱাৰা বস্তু হ'ল জ্ঞান; জ্ঞান অৰ্জনৰ বাবে লাগে অধ্যয়ন।' এইখিনিতে মন কৰিবলগীয়া এই যে জ্ঞান অৰ্জনৰ ক্ষেত্ৰত যি অধ্যয়নৰ প্ৰয়োজন সেই অধ্যয়ন স্পৃহা শিক্ষাৰ্থীৰ মনত একেদিনাই নোপোজে। শিক্ষাৰ্থীৰ প্ৰাণত অধ্যয়ন স্পৃহা জগোৱাৰ ক্ষেত্ৰত শিক্ষকৰ বৰঙণি সবাতোকৈ ওপৰত। অধ্যয়ন অভ্যস্ত, সৎ আৰু আদৰ্শবান শিক্ষকৰ সাহচৰ্যাই আৰু স্নেহস্পৰ্শী উপদেশে এই ক্ষেত্ৰত মন্ত্ৰৰ দৰে ক্ৰিয়া কৰিব পাৰে। জীৱনত এবাৰ যদি মন অধ্যয়নমুখী হয়, তেতিয়া তাক আৰু কোনো বাধা বিঘিনিয়ে ৰোধ কৰিব নোৱাৰে। ই একপ্ৰকাৰ নিচাৰ দৰে হয়। মদাহীয়ে মদ এৰিব নোৱাৰাৰ দৰে, ভাঙুৱীয়ে ভাং এৰিব নোৱাৰাৰ দৰে কিতাপ পঢ়াৰ অভ্যাস এবাৰ গঢ়ি উঠিলে ইয়াক এৰাটো কঠিন হৈ পৰে।

শিক্ষাৰ্থীৰ মন অধ্যয়নৰ প্ৰতি আকৰ্ষিত কৰিবলৈ লোৱাৰ ক্ষেত্ৰত শিক্ষকে কেইটামান কথালৈ মনোনিবেশ কৰিব লাগে। প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ নামত যি কোনো কিতাপ যাতে নপঢ়ে তাৰ প্ৰতি চকু ৰাখিব লাগে। কিয়নো কুখাদ্যই যেনেকৈ পেট নষ্ট কৰে, কুপাঠ্যইও তেনেকৈ মন দুষিত কৰে। পণ্ডিতসকলে কৈছে যে সংসাৰখন এডাল বিষবৃক্ষ; এই বিষবৃক্ষৰ দুটা মাত্ৰ ভাল ফল আছে আৰু মানুহে সেই দুটাহে উপভোগ কৰিব লাগে। এটা হ'ল সৎ গ্ৰন্থ পাঠ আৰু আনটো হ'ল সজ্জনৰ সঙ্গ লাভ। সমাজত বসবাস কৰোঁতে অজস্ৰ লোকৰ সৈতে সংস্পৰ্শ ঘটে যদিও সেই লোকসকলৰ মাজত থকা অসৎসকলক পৰিহাৰ কৰি সৎ সকলৰ লগত যেনেকৈ সৌহাৰ্দ্য স্থাপন কৰা হয়, তেনেকৈ কিতাপৰ দোকানত বা পুথিভঁৰালত পোৱা লক্ষ লক্ষ কিতাপৰ মাজৰ ভালখিনিহে অধ্যয়নযোগ্য বুলি বিবেচিত হোৱা উচিত। এই



MOHAN LAL CHOUDHURY LIBRARY :

সন্দৰ্ভত চিন্তাশীল বেকনে কোৱা 'Some books are to be tasted, some are to be chewed and some are to be swallowed and digested' — এই কথাষাৰ প্ৰণিধানযোগ্য। দ্বিতীয়তে, ছাত্ৰ-ছাত্ৰীসকলৰ বয়সৰ স্তৰ অনুসাৰে শিক্ষকে, অধ্যয়নৰ বাবে কিতাপ বাচনি কৰি দিয়া উচিত। অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ মন প্ৰশস্ত কৰে; জ্ঞানৰ পৰিসীমা বঢ়ায়; অনুসন্ধিৎসা ক্ৰমান্বয়ে বৃদ্ধি কৰে; ভাষা আৰু শব্দৰ ওপৰত ব্যুৎপত্তি আনি দিয়ে আৰু প্ৰকাশিকা শক্তি ওজঃ গুণসম্পন্ন হোৱাত সহায় কৰে।

সাধাৰণ অৰ্থত এখন কিতাপ পঢ়া বা এখন পুথি অধ্যয়ন কৰা সমাৰ্থক যেন লাগিলেও দুয়োটাৰ মাজত কিছু পাৰ্থক্য আছে। পঢ়া বা পাঠ কৰা কাৰ্য্যটো যেন লঘু আৰু অধ্যয়ন কৰা কাৰ্য্যটো যেন গুৰু। ৰাস্তাৰে গৈ থাকোতে কোনো এটা বস্তু চকুত পৰা আৰু ইচ্ছা কৰি সেই বস্তুটোৰ ওপৰত দৃষ্টি নিক্ষেপ কৰাৰ মাজত যিটো পাৰ্থক্য আছে, কোনো এটা শব্দ কৰ্ণগোচৰ হোৱা আৰু ইচ্ছাকৰি শুনাৰ মাজত যেনেকৈ পাৰ্থক্য আছে, ঠিক তেনেকৈ পঢ়া আৰু অধ্যয়ন কৰাৰ মাজতো পাৰ্থক্য পৰিলক্ষিত হয়। 'So many things in so many occasions come to our sight, but we do not see, so many sounds we hear, but we do not pay heed to' জ্ঞান অৰ্জনৰ কাৰণেই হওঁক অথবা পৰীক্ষা পাছ কৰাৰ কাৰণেই হওঁক শিক্ষাৰ্থীয়ে পুথি এখন বা পাঠ্য বিষয় এটা প্ৰথম পৰ্য্যায়ত পাঠ কৰি দ্বিতীয় পৰ্য্যায়তহে অধ্যয়নৰ সৈতে মনন্ আৰু নিদিধ্যাসন নামৰ দুটা প্ৰক্ৰিয়াৰ সম্পৰ্ক আছে। পুৰণিকালৰ ঋষি-মুনিসকলে অধ্যয়ন কাৰ্য্যক একপ্ৰকাৰ তপস্যা বুলি কৈছে 'ছাত্ৰানাম্ অধ্যয়নং তপঃ'— এই তপস্যা কি? তপস্যা হৈছে একান্তভাৱে বা একাণপতীয়াভাৱে কৰা বিশেষ এক চিন্তা; Meditation of a particular thing or subject with rapt attention. তপস্যা একপ্ৰকাৰ সাধনা। সাধ্যবস্তু নোপোৱালৈকে সাধকৰ সাধনাৰ যেনেকৈ ওৰ নপৰে তেনেকৈ তপস্যাত সিদ্ধিলাভ নকৰালৈকে তপস্বীৰ তৃপ্তিলাভ নহয়। আনহাতে তপস্বীৰ জীৱন বা সাধকৰ জীৱন ত্যাগৰ জীৱন, কষ্টৰ জীৱন। শাৰীৰিক আৰু মানসিক ক্লান্তিক সহজতে প্ৰশ্ৰয় নিদি ৰত্নাকৰৰ ধৈৰ্য্য আৰু অৰ্জুনৰ লক্ষ্যভেদৰ সময়ৰ স্থিৰতাৰে তপস্যা কৰিব লাগিব; সাধনা চলাই যাব লাগিব। কিয়নো কৃতকাৰ্য্যতাৰ কাৰণে লাগে সাধনা, সাধনাৰ কাৰণে লাগে সাহস আৰু সাহসৰ কাৰণে লাগে আত্মবিশ্বাস। এইবোৰ থাকিলে কৃতকাৰ্য্য নোহোৱাৰ কাৰণ নাথাকে। মানুহ শক্তিৰ সন্তান; Parts of the Absolute Energy সেয়েহে মানুহৰ শক্তিৰ অভাৱ নাই। অভাৱ আছে ইচ্ছা শক্তিৰহে। ইচ্ছাশক্তি প্ৰবল হ'লে মানুহৰ চেষ্টা বিফল হোৱাৰ কাৰণ নাথাকে।

অধ্যয়ন ফলপ্ৰসূ কৰিবলৈ হ'লে ইয়াৰ সৈতে মনন্ আৰু নিদিধ্যাসন সংযুক্ত হ'ব লাগিব। 'নিদিধ্যাসন' শব্দৰ আভিধানিক অৰ্থ হ'ল তদ্-গদ্ চিত্তে কৰা ধ্যান আৰু 'মনন্'ৰ অৰ্থ হ'ল চিন্তাকৰণ গতিকে শিক্ষাৰ্থীয়ে অধ্যয়নৰ অন্তত পাঠ্য বিষয়ৰ ওপৰত ধ্যান আৰু মনন্‌ৰ সহায়ত জ্ঞান আহৰণ কৰিব লাগিব। ইয়াৰ অবিহনে অধ্যয়ন সম্পূৰ্ণ হোৱা বুলি ক'ব নোৱাৰি। অধ্যয়নৰ সৈতে নিদিধ্যাসন আৰু মনন্‌ৰ সংযোগ ঘটিলে পাঠ্যবিষয় পাঠকৰ হৃদয়ঙ্গম হয় আৰু সেই বিষয়ৰ ওপৰত হোৱা যিকোনো প্ৰশ্নৰ উত্তৰ দিব পৰা শক্তি আয়ত্বাধীন হয়। ইয়াৰ উপৰিও অধ্যয়নৰ আন এটা দিশ আছে; সেয়া হ'ল পৰিপ্ৰশ্ন। পাঠ্যবিষয়ৰ ওপৰত শিক্ষাৰ্থীয়ে বাৰে বাৰে কৰা প্ৰশ্নৰ নাম হ'ল পৰিপ্ৰশ্ন। এই প্ৰশ্ন শিক্ষাৰ্থীয়ে নিজকে কৰিব পাৰে নাইবা যাৰ অধীনত শিকা হয় সেই গুৰু বা শিক্ষককো কৰিব পাৰে। পৰিপ্ৰশ্নৰ দ্বাৰা পাঠ্যবিষয়ৰ ওপৰত ওপজা পঢ়ুৱৈৰ মনৰ সন্দেহ দূৰ কৰাত সুবিধা হয়; পাঠ্য বিষয়ৰ ওপৰত দখলীকৃত ভাব এটা আহে আৰু তেতিয়া সেই বিষয়ৰ ওপৰত হ'ব পৰা সাম্ভব্য প্ৰশ্ন লৈ মানসিক ভয় নাথাকে। এই প্ৰণালীত অধ্যয়ন সম্পৰ্ণ হ'লে শিক্ষাৰ্থীয়ে পৰীক্ষাৰ বাবে হ'ব পৰা প্ৰশ্নৰ উত্তৰ সমূহ মুখস্থ কৰিবলগীয়া নহয়।

অধ্যয়নৰ মূল লক্ষ্য হ'ল জ্ঞান অৰ্জন। জ্ঞান অৰ্জনৰ পথত মুখ্য সাৰথি হ'ল গুৰু বা শিক্ষক। গুৰু বা শিক্ষকৰ প্ৰতি শ্ৰদ্ধা-ভক্তি ৰাখি যদি যত্ন কৰা হয়। জ্ঞান অৰ্জনৰ পথ সুগম হয়। 'শ্ৰদ্ধা-যত্নৌ যদি স্যাতাং মেধয়া কিম্ প্ৰয়োজনম্' বুলি এফাঁকি আপ্তবাক্য আছে। শিক্ষণীয় বিষয়ৰ প্ৰতি শ্ৰদ্ধা ৰাখি যত্ন সহকাৰে অধ্যয়নত ৰত হ'লে মেধা বা ধী শক্তি নাথাকিলেও শিক্ষাৰ্থীৰ উন্নতিত বাধা নহয়। গুৰুৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদিত হ'লে গুৰু সন্তুষ্ট হয়, যাৰ ফলত শিক্ষাৰ্থী বা শিষ্যৰ ওপৰত আশীৰ্বাদ বৰ্ষিত হয় আৰু গুৰুৰ আন্তৰিক আশীৰ্বাদ শিষ্যৰ ওপৰত মন্ত্ৰৰ দৰে প্ৰভাৱ বিস্তাৰ কৰে। গুৰুৰ পৰা আশীৰ্বাদ পাবলৈ হ'লে প্ৰথমতে শিষ্যৰ অহং ভাব নাইকিয়া হ'ব লাগিব। কিয়নো অহংকাৰ উন্নতিৰ অন্তৰায়। অহংকাৰীয়ে কাৰো অন্তৰ জয় কৰিব নোৱাৰে; অন্তৰ জয় কৰিব নোৱাৰিলে আন্তৰিক শুভইচ্ছা আৰু আশীৰ্বাদ লাভ নহয়; গুৰুৰ আশীৰ্বাদ অবিহনে শিষ্যৰ জ্ঞান অৰ্জন সম্ভৱ নহয়। গুৰুক সন্তুষ্ট কৰি আশীৰ্বাদ লাভৰ মানসেৰে একলব্যই সোঁহাতৰ বুঢ়া আঙুলিটো কাটি গুৰু দ্ৰোণাচাৰ্য্যক দক্ষিণা দিছিল। আৰুণিয়ে তেওঁৰ শিক্ষাগুৰুৰ কথামতেই পথাৰৰ পানী বাগৰি যোৱা বন্ধ কৰিবলৈ অশেষ চেষ্টা কৰিও নোৱাৰি পিছে নিজে আলিত বাগৰি পৰি পানী বন্ধ কৰিছিল। উপমন্যুই গুৰুৰ আদেশ মানিয়েই একো নোখোৱাকৈ থাকি শেষত আকণ গছৰ পাত খাই নাদত পৰি আছিলগৈ।



MOHAN LAL CHOUDHURY LIBRARY :

শিক্ষাৰ্থী সদায় বিনয়ী হ'বলৈ যত্ন কৰা উচিত। বিনয় ভাব আহৰণ হয় আত্মলঘিমাৰ জৰিয়তে। আত্মলঘিমা হৈছে নিজক ক্ষুদ্ৰতকৈও ক্ষুদ্ৰ বুলি পৰিগণিত কৰিবলৈ শিকাটো। 'তৃণাদপি সুনীচেন তৰোৰিব সহিষ্ণু না অমানিনা মানদেন কীৰ্ত্তনীয়ঃ সদাগুৰুঃ'— নিজক তৃণতকৈও হীন হেন ভাবি, তৰুৰ নিচিনা সহিষ্ণু হৈ, নিজে মান নিবিচাৰি, পৰক মান দেখুৱাই গুৰুৰ যশ-গুণ কীৰ্ত্তন কৰিব লাগে আৰু তেতিয়া গুৰু সন্তুষ্টি সহজসাধ্য হয়।

দেহমনৰ সংযম আৰু সুস্থিৰ হৃদয় অধ্যয়নৰ ক্ষেত্ৰত অতি প্ৰয়োজনীয়। শৰীৰ আৰু মনৰ এৰাব নোৱাৰা সম্পৰ্ক থকা হেতু দৈহিক পীড়নে মনৰ ওপৰত আৰু মানসিক অস্থিৰতাই, চাঞ্চল্যই শৰীৰৰ ওপৰত প্ৰভাৱ পেলায়। সেয়েহে কোৱা হয় A healthy mind in a healthy body as there is a causal connection between the mind and the body' শৰীৰ সুস্থ নহ'লে মন সুস্থ নহয়, আনহাতে সুস্থ মন অবিহনে অধ্যয়ন ফলদায়ক নহয়। গতিকে শিক্ষাৰ্থীয়ে শাৰীৰিক সুস্থতাৰ ওপৰত নজৰ ৰাখিব লাগিব। কায়িক পৰিশ্ৰম, ব্যায়াম আদি নিয়মীয়াভাবে কৰি শাৰীৰিক সুস্থতা আহৰণ কৰিব লাগিব। কিয়নো 'শৰীৰমাদ্যং খলু ধৰ্ম সাধনম্' শিক্ষাৰ্থীয়ে বিশেষকৈ ব্ৰহ্মচাৰ্য্য ব্ৰত পালন কৰিব লাগিব। 'বীৰ্য্যধাৰণম্ ব্ৰহ্মচৰ্য্যম্'- বীৰ্য্য বা শক্তি সংৰক্ষণ কৰিব লাগিব। বীৰ্য্য সংৰক্ষিত হ'লে শাৰীৰিক আৰু মানসিক শক্তি, ক্ষমতা বৃদ্ধি পায়। লৰ্ড এভাৱকৰীয়ে কৈছে— 'মানুহৰ নিজৰ ওপৰত ক্ষমতাই সকলোতকৈ শ্ৰেষ্ঠ ক্ষমতা'। নিজৰ ওপৰতে থকা ক্ষমতাৰ বলেৰে চিত্তবৃত্তি ৰোধ কৰি, চিত্ত চাঞ্চল্য পৰিহাৰ কৰি যোগীজনৰ দৰে অধ্যয়নত ৰত হ'ব লাগিব। এই অধ্যয়ন হ'ব লাগিব Logical and Systematic. মানুহৰ স্মৃতি আৰু জ্ঞান সংৰক্ষিত হয় মগজুত। মানুহৰ মগজুটো এটা বাকচ সদৃশ। এটা বাকচত বিভিন্ন বৰনৰ নানান আকাৰৰ কাপোৰ ভৰাব লগা হ'লে কাপোৰবোৰ জাপিজুপি শৃংখলাবদ্ধভাৱে যদি ৰখা হয় বাকচটোত বহুত কাপোৰ ৰাখিব পৰা হ'ব আৰু যেতিয়াই যিবিধ কাপোৰৰ প্ৰয়োজন হয় তেতিয়াই অতি কম সময়ৰ ভিতৰত কাপোৰখিনি বাহিৰ কৰাত অসুবিধা নহয়। কিন্তু যদি জাপাজুপা নকৰি বিশৃংখল ভাৱে ৰখা হয় তেতিয়া কমসংখ্যক কাপোৰহে ৰাখিব পৰা হ'ব আৰু বাকচৰ পৰা উলিয়াবৰ সময়ত এবিধ বিচাৰোতে আনবিধ আহিব। এটা খেলিমেলিৰ সৃষ্টি হ'ব। যথা ৰুমাল বিচাৰোতে গামোছা আহিব, পেন্ট বিচাৰোতে চাৰ্ট আহিব, সময়ো অধিক ব্যয় হ'ব। ঠিক একেদৰে অধ্যয়ন যদি Logical আৰু Systematic নহয় স্মৃতি আৰু জ্ঞান সংৰক্ষণৰ ক্ষেত্ৰত আৰু প্ৰয়োজনীয় সময়ত আহৰণৰ ক্ষেত্ৰত খেলিমেলিৰ সৃষ্টি হয়। History ৰ কথা মনলৈ আনিব বিচাৰোতে Geography ৰ কথা, Zoology ৰ কথা বিচাৰোতে Zeology ৰ কথা মনলৈ আহিব। এনেধৰণৰ খেলিমেলিৰ পৰা হাত সাৰিবলৈ বিচাৰিলে অধ্যয়ন Logical আৰু Systematic হোৱাটো একান্তভাৱে কাম্য।

Rapt attention বা একাণপতীয়া মনোযোগ অধ্যয়নৰ সহযোগী হ'লে কম সময়ত অধিক জ্ঞান আহৰণ সম্ভৱ হয়। সেয়ে নহৈ যদি শিপিনীৰ 'বহো তাঁতৰ শালত আৰু চকু আলিবাটত' হোৱাৰ দৰে শিক্ষাৰ্থীৰ 'চকু কিতাপত আৰু মন খেল পথাৰত' হয় তেতিয়াহ'লে শিপিনী আৰু শিক্ষাৰ্থীৰ দশা একে হ'ব। মনোযোগ যিমানে গভীৰ হয় মানসিক শক্তি সিমানে বেছি ক্ৰিয়াশীল হয় আৰু জ্ঞান আহৰণ সুচল হয়। ওখ পাহাৰৰ ওপৰত হোৱা প্ৰবল বৰষুণৰ পানী তেতিয়া প্ৰথমতে এটা সোঁতেৰে নামনিলৈ বৈ আহে তেতিয়া সোঁতৰ স্ৰোত অতি প্ৰবল হয়; কিন্তু সেই সোঁতটো পাহাৰৰ নামনিৰ সমতল পোৱাৰ লগে লগে বাধাগ্ৰস্ত হোৱাৰ কাৰণে সেই একমাত্ৰ সোঁতটো যে তিয়া বহুধা বিভক্ত হয় তেতিয়া বহুধা বিভিক্ত সোঁতৰ স্ৰোত দুৰ্বল হৈ পৰে। ঠিক একেদৰে মনোযোগৰ ৰেখা বিক্ষিপ্ত হ'লেও দুৰ্বল হয় আৰু জ্ঞান আহৰণত বাধা জন্মে। সেয়েহে অধ্যয়নৰ সময়ত মানসিক বিক্ষিপ্ততা বা চিত্ত চঞ্চলতা সম্পূৰ্ণভাৱে পৰিহাৰ কৰিব লাগে। ইয়াৰ উপৰিও শিক্ষাৰ্থীৰ চেষ্টা হ'ব লাগে 'কাকচেষ্টা', ধ্যান হ'ব লাগে 'বকধ্যান', নিদ্ৰা হ'ব লাগে 'শ্বনিদ্ৰা', শিক্ষাৰ্থী হ'ব লাগে স্বল্পাহাৰী আৰু গৃহত্যাগী এই পঞ্চ গুণৰ অধিকাৰী হৈ অধ্যয়নত ব্ৰত হ'লে কৃতকাৰ্য্যতা আৱশ্যম্ভাবী ঃ

কাক চেষ্টা বক ধ্যানং
শ্বন নিদ্ৰা তথৈবচ
স্বল্পাহাৰী গৃহত্যাগী
বিদ্যাৰ্থী পঞ্চলক্ষণম্।।

বকধ্যান— বগলীৰ ধ্যান, কাকচেষ্টা— কাউৰীৰ চেষ্টা, শ্বননিদ্ৰা— কুকুৰৰ টোপনি, স্বল্পাহাৰী— কম আহাৰ খোৱাত অভ্যস্ত। কিন্তু চৰম দুৰ্ভাগ্যৰ কথা হ'ল এই যে আজিৰ যুগৰ ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞলোকে দিয়া এই সজ উপদেশবোৰ নামানে বা মানি চলিবলৈ টান পায়। উপদেশৰ মূল্যায়ন আৰু উপদেশ গ্ৰহণ সম্পৰ্কত ইংৰাজীত এষাৰ বহুমূলীয়া কথা আছে যিষাৰ কথা আজিৰ যুগত ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষেত্ৰত পূৰ্ণমাত্ৰাই প্ৰযোজ্য। সেয়া হ'ল— Advice is seldom welcome, those who need it most, neglect it worst. সি যিয়েই নহওঁক The more you read the more you learn আদি লাখটকীয়া আপ্তবাক্যৰ মূল্য চিৰকালৰ বাবে অক্ষয় অব্যয়ভাৱে থাকিব তাত কোনো সন্দেহ নাই।□□



MOHAN LAL CHOUDHURY LIBRARY :

# অসমৰ কৃষিৰ উন্নয়নত ব্ৰহ্মপুত্ৰ উপত্যকাৰ চৰ অঞ্চলৰ কৃষকসকলৰ অৱদান — এটি সংক্ষিপ্ত আলোকপাত

◆ জয়া বিশ্বাস কুণ্ড
মুৰব্বী প্ৰবক্তা, অৰ্থনীতি বিভাগ

অসমৰ জীৱনধাৰা বিভিন্ন ভাষা-জনগোষ্ঠীৰ জীৱনধাৰাৰ এক অপূৰ্ব সংমিশ্ৰণ। অসমত সন্মিলিত হৈ থকা বিভিন্ন জনগোষ্ঠীৰ জীৱনধাৰাৰ এক অপূৰ্ব সংমিশ্ৰণ। অসমত সন্মিলিত হৈ থকা বিভিন্ন জনগোষ্ঠীৰ মাজত চৰবাসীৰ জীৱনধাৰাও একত্ৰিত হৈ আছে। ১৯৪৭ চনৰ আগেয়ে বা স্বাধীনতাৰ পিছত যিসকল লোক বিশেষকৈ বালাংদেশৰ পৰা আহি চৰ অঞ্চলত বসবাস কৰিবলৈ আৰম্ভ কৰিছে সেইসকল লোকে সমন্বয় আৰু সংমিশ্ৰণৰ মাজেৰে নিজকে অসমীয়া জাতিৰ এটা অবিচ্ছেদ্য অংশ ৰূপে পৰিগণিত কৰিবলৈ সক্ষম হৈছে।

অসমৰ কৃষিৰ উন্নয়নৰ ক্ষেত্ৰত চৰৰ অধিবাসী সকলৰ অবদান যথেষ্ট। সাধাৰণ কৃষিভূমিৰ পৰা চৰ অঞ্চলৰ কৃষিভূমি ভিন্ন ধৰণৰ। সাধাৰণতে চৰবোৰৰ আকৃতি ত্ৰিভূজৰ দৰে হয়। চৰ অঞ্চলৰ আকৃতি, অৱস্থান, আয়তন সময়ে সময়ে পৰিৱৰ্তিত হৈ থাকে। চৰবোৰৰ স্থায়িত্ব যিয়েই নহওঁক ইয়াৰ প্ৰাকৃতিক পৰিবেশ অসমৰ আন অঞ্চলবোৰৰ লগত নিমিলে। ইয়াৰ মাটি উৰ্বৰ। শিমলু, বাঁহ, ঝাউগছ আদি এই অঞ্চলত সঘনাই দেখিবলৈ পোৱা যায়। প্ৰতি বছৰে হোৱা বানপানীৰ ফলত চৰ অঞ্চলৰ ভূমি প্ৰাকৃতিকভাৱে অধিক পলসুৱা হয়। নাইট্ৰোজেনৰ মাত্ৰা অধিক হোৱা বাবে চৰ অঞ্চলৰ সাৰুৱা ভূমিত কৃষিজ উৎপাদনৰ মাত্ৰা অধিক। কেলচিয়াম, পটাছিয়াম ফছফেট আৰু নাইট্ৰেট আদি খনিজ পদাৰ্থ চৰ অঞ্চলৰ ভূমিত থকাৰ ফলত সাধাৰণ ভূমিতকৈ এই অঞ্চলৰ ভূমি অধিক উৎপাদনক্ষম হয়।



অসম এখন কৃষিভিত্তিক ৰাজ্য। চৰ অঞ্চলৰ মুছলমান সকলৰ মূল জীৱিকা হ'ল কৃষি। কৃষি অবিহনে চৰ অঞ্চলৰ মুছলমানসকলৰ জীৱনযাত্ৰা স্তব্ধ হৈ পৰে। চৰ অঞ্চলত বসবাস কৰা ১০% মানুহে ইয়াৰ ৮০% ভূমিৰ মালিক। ৩০% মানুহ ভূমিহীন আৰু ৬০% হ'ল প্ৰান্তিক কৃষক। অসমৰ চৰ অঞ্চলৰ মুঠ মাটিকালি হ'ল ৩৬০,৯২৭ হেক্টৰ কিন্তু ইয়াৰে ৬৭% অৰ্থাৎ ২,৪২,২৭৭ হেক্টৰ হ'ল কৃষিৰ বাবে উপযোগী।

চৰ অঞ্চলৰ কৃষকসকল কৰ্মঠ, দক্ষ আৰু তেওঁলোক শস্য উৎপাদন সম্পৰ্কে বংশজাত ভাবেই অধিক জ্ঞানৰ অধিকাৰী। ইয়াৰ কৃষকসকলে চৰ অঞ্চলৰ হাবি পৰিষ্কাৰ কৰি ইয়াত খেতি আৰম্ভ কৰে। এনেকুৱা অঞ্চলত কৃষিকাৰ্য্য সম্ভৱ হ'ব পাৰে বুলি অসমবাসীয়ে কেতিয়াও ভবা নাছিল। চৰবাসীসকলে কৃষিৰ বাণিজ্যিকীকৰণ কৰি এক বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিছে। নতুন নতুন শস্য, শস্যৰ উৎপাদনৰ মাত্ৰা বৃদ্ধি আৰু



MOHAN LAL CHOUDHURY LIBRARY :

উন্নত কৌশল অৱলম্বন কৰি চৰবাসীসকলে কৃষিৰ উন্নয়ন সাধন কৰিছে। মিশ্ৰিত কৃষি উৎপাদনতো চৰ অঞ্চলৰ কৃষকসকলে দক্ষ। কৃষকসকলে মচুৰ, সৰিয়হৰ লগতে ধনীয়া, তিচি, উৎপাদন কৰে। মৰাপাটৰ উপৰিও ঘেহু, মুগৰ ডালি, তামাক, আদা, হালধি, বন্ধাকবি, ফুলকবি, মূলা, বিলাহী, বেঙেনা, বিভিন্ন ধৰণৰ মচলা আদি শস্য বাণিজ্যিক ভিত্তিত প্ৰথমবাৰৰ বাবে উৎপাদন কৰিছে। কৃষকসকলে দুটা ঋতুৰ মাজৰ সময়খিনিত 'শণ' খেতি কৰে। ইয়াৰ ফলত ভূমিৰ উৎপাদন ক্ষমতা বৃদ্ধি পায় আৰু এই 'শণ' গৰু-ম'হৰ খাদ্য হিচাপে ব্যৱহাৰ কৰিব পাৰি। অসমৰ কৃষিত চৰ অঞ্চলৰ কৃষকসকলৰ আটাইতকৈ ডাঙৰ বৰঙণি হ'ল ব্ৰহ্মপুত্ৰ উপত্যকাত মৰাপাট উৎপাদন।

১৯ শতিকাৰ শেষ ভাগৰ আগলৈকে মৰাপাট খেতি সম্পৰ্কে অসম অজ্ঞাত আছিল। ১৯০২-০৩ চনত গোৱালপাৰা জিলাত পোন প্ৰথমবাৰৰ বাবে মৰাপাটৰ খেতি কৰা হয়। ইয়াৰ পিছত আন বিভিন্ন অঞ্চলত মৰাপাটৰ খেতি আৰম্ভ হয় বিশেষকৈ নগাঁও জিলাত। বৰ্তমান অসমৰ কৃষিৰ পৰা হোৱা আয়ৰ ভিতৰত মৰাপাটৰ পৰা হোৱা আয়ৰ পৰিমাণ আটাইতকৈ বেছি।

কৃষিজ উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ ক্ষেত্ৰত চৰ অঞ্চলৰ কৃষক সকলৰ অৱদান অনস্বীকাৰ্য্য। চৰ অঞ্চলত উৎপাদিত হোৱা বিভিন্ন ধৰণৰ শস্যৰ উৎপাদন প্ৰত্যক্ষ কৰিলে আচৰিত হ'ব লাগে। এই অঞ্চলৰ কৃষকসকলে বছৰটোত ১৪-১৫ ধৰণৰ শস্য উৎপাদন কৰে। এনেধৰণৰ কৃষিজ উৎপাদনৰ উদাহৰণ অসমৰ আন অঞ্চলত পাবলৈ টান। বিভিন্ন প্ৰাকৃতিক বাধা যেনে, বানপানী, গৰাখহনীয়া, আৰ্থিক সংকট আদিৰ সন্মুখীন হৈও বিভিন্ন ধৰণৰ অভাৱ ইত্যাদিৰ উপস্থিতি উলংঘা কৰি কৃষকসকলে অসমৰ কৃষিজাত দ্ৰব্যৰ ভঁৰাল টনকিয়াল কৰিবলৈ সক্ষম হৈছে। বিভিন্ন কাৰণবশতঃ অসমৰ কৃষি পিছ পৰি আছিল কিন্তু চৰবাসী কৃষকসকলৰ কঠোৰ পৰিশ্ৰম আৰু দক্ষতাৰ ফলত অসমৰ কৃষি উৎপাদনে এটা মাত্ৰা পাবলৈ সক্ষম হৈছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ চৰবাসী কৃষকসকলে কৃষিজাত দ্ৰব্য প্ৰচুৰ পৰিমাণে উৎপাদন কৰিও ইয়াৰ উপযুক্ত মূল্য নাপায়। ইয়াৰ বাবে প্ৰধানকৈ দায়ী হ'ল অসমৰ বজাৰ ব্যৱস্থা। কৃষকসকলে স্থানীয় বজাৰত তেওঁলোকে উৎপাদিত শস্য বিক্ৰী কৰিব লগা হয় য'ত মধ্যস্থতাকাৰী সকলে খুবেই কম দামৰ বিনিময়ত শস্য ক্ৰয় কৰে আৰু তাৰ পিছত উচ্চ দৰত চহৰৰ বজাৰত বিক্ৰী কৰে। পৰিবহনৰ সুবিধাৰ অভাৱ, বৃহৎ সংখ্যক মধ্যস্থতাকাৰীৰ উপস্থিতি, গুদাম ঘৰৰ অভাৱ, শীতল ঘৰৰ অভাৱ, তথ্যৰ অভাৱ ইত্যাদি হ'ল কৃষকসকল উৎপাদিত শস্যৰ বিনিময়ত উচিত মূল্য নোপোৱাৰ প্ৰধান কাৰণ।

যিহেতু ব্ৰহ্মপুত্ৰ নৈৰ দাঁতিকাষৰীয়া চৰ অঞ্চলৰ উৰ্বৰ ক্ষমতা অঞ্চলবোৰতকৈ বহু পৰিমাণে অধিক। গতিকে বৰ্তমানৰ জনসংখ্যা আৰু ভূমিৰ অনুপাতৰ সমস্যা কম কৰাৰ বাবে কম ভূমিত অধিক উৎপাদন সম্ভৱ কৰিব পৰাকৈ চৰকাৰে চৰ অঞ্চলৰ ভূমিৰ উন্নয়নৰ বাবে সৰ্বতোভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ভাৰতীয় অৰ্থনীতি WTO ৰ দ্বাৰা ঘোষিত মুক্ত অৰ্থনীতিৰ অন্তৰ্ভুক্ত হৈছে আৰু বিশ্ব অৰ্থনীতিত স্থান দখলৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। সেই দৃষ্টিকোণৰ পৰা নিজ দেশৰ উৎপাদনশীলতা বঢ়োৱাৰ লগতে উন্নতমানৰ উৎপাদন অতি আৱশ্যক হৈ পৰিছে। আটাইতকৈ অধিক গুৰুত্বপূৰ্ণ হ'ল কৃষিভূমি আৰু জনসংখ্যাৰ অনুপাতৰ সমস্যা প্ৰতিৰোধ কৰাৰ বাবেও চৰকাৰে চৰ অঞ্চলৰ কৃষি আৰু কৃষকৰ উন্নয়নৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা অতি আৱশ্যক। ❑❑

উৎসঃ
গোৰ্কী চক্ৰৱৰ্ত্তী, নুৰ আলম ঃ Agriculture in char areas of Assam : Past Present and the task ahead.

*সাহিত্যৰ তিনিটা স্তৰ। উপলব্ধি, অনুভূতি আৰু ভাৱ প্ৰকাশ। কিছুমান শব্দৰ সমষ্টিয়ে ভাষা নহয়, শব্দৰ লগত এটা সচেতন চিন্তা নিহিত থাকে। ইন্দ্ৰিয়ৰ সহায়ত উপলব্ধি কৰিব পৰা অনুভূতি বিলাকৰ শব্দময় অভিব্যক্তিয়ে ভাষা। মানুহৰ সচেতন চিন্তা ধাৰাক ভাষাই পৰিচালিত কৰি সাহিত্য সৃষ্টি কৰে।*

— ৰঘুনাথ চৌধাৰী



MOHAN LAL CHOUDHURY LIBRARY :

# বিহুগীতত প্ৰকৃতি, প্ৰেম আৰু সমাজ জীৱনৰ ছবি ঃ এক চমু আলোচনা

• দীপামণি মেধি
প্ৰবক্তা, অসমীয়া বিভাগ

মানুহৰ হৃদয় অনুভৱেৰে সিক্ত। ইয়াৰ আলমতেই জীৱনত মূৰ্তমান হৈ উঠে সুখ-দুখ, হাঁহি-কান্দোন, আশা-নিৰাশা আৰু আন আন দিশসমূহ। তদুপৰি অনুভূতিৰ ফলতেই সৃষ্টি হয় সাহিত্যৰ। জগতৰ সকলো জাতিৰ মাজতেই লিখিত সাহিত্যৰ সৃষ্টি হোৱাৰ আগতে একপ্ৰকাৰ সাহিত্যৰ সৃষ্টি হৈছিল আৰু এই সাহিত্যক 'লোক সাহিত্য' (Folk Literature) বোলা হয়। মুখ বাগৰি চলি অহা বাবে 'লোক সাহিত্য'ক 'মৌখিক সাহিত্য' নামেৰেও নামকৰণ কৰা হয়।

অসমীয়া লোক-সাহিত্যৰ পথাৰখন বৰ বিশাল। এই লোক সাহিত্যত লোকগীতে (Folk Song) এখন সুকীয়া আসন দখল কৰি আছে। লোকগীতৰে অন্তৰ্গত অনুষ্ঠানমূলক গীত হ'ল বিহুগীত। বিহু অসমৰ জাতীয় উৎসৱ তথা বাপতি সাহোন। ই অসমৰ জাতীয় জীৱনৰ আয়ুস ৰেখা। বিহু উৎসৱৰ লগত সংগতি ৰাখি গোৱা হয় বিহুগীত আৰু লগতে পৰিবেশন কৰা হয় বিহুনৃত্য।

অসমীয়া লোক সাহিত্যৰ ভঁড়াল সু-সমৃদ্ধ কৰাৰ ক্ষেত্ৰত বিহুগীতৰ ভূমিকা অপৰিসীম। এই গীতৰ মাজেৰে প্ৰকৃতি, প্ৰেম আৰু সমাজ জীৱনৰ চিত্ৰ অতি সুন্দৰভাৱে মূৰ্তমান হৈ উঠা দেখা যায়।

**প্ৰকৃতিৰ চিত্ৰ ঃ** প্ৰকৃতিক লৈয়ে সৃষ্টি হয় জীৱন। প্ৰকৃতিৰ বুকুৰ মাজত থাকিয়েই আমি ডাঙৰ দীঘল হওঁ। সেয়েহে প্ৰকৃতিক লৈয়েই আমি জীৱনৰ বাটত আগবাঢ়ো। মানুহৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ মন কৰিবলগীয়া। সেয়ে মানুহে সৃষ্ট সাহিত্যৰ বুকুত উদ্ভাসিত হৈ উঠে প্ৰকৃতি জগতৰ বিভিন্ন বস্তু। লোক-সাহিত্যৰ অন্যতম অংগ বিহুগীতৰ মাজত প্ৰকৃতি জগতৰ এখনি নিটোল ছবি মঞ্জুৰিত হৈ উঠা দেখা যায়।

ব'হাগ আহিলেই প্ৰকৃতি জগত ফলে-ফুলে জাতিষ্কাৰ হৈ পৰে। চাৰিওফালে কেৱল আনন্দৰ ঢৌ। এক নয়নাভিৰাম দৃশ্য। ফল-ফুলে প্ৰকৃতি ৰাজ্যক কৰি তোলে অতি মোহনীয়। বিহুগীতত ফুলৰ উল্লেখ পোৱা যায়—

"সেউতী নিপিন্ধো মালতী নিপিন্ধো
পিন্ধো মই খৰিকাজাঁই।"

* * * * *

"চ'তে গৈ গৈ বহাগী পালেহি
ফুলিলে ভেবেলী লতা।"

"বাঁহৰে আগলিত পৰি কাম চৰাই
উভতি কোটালে পাখি,
আমাৰ চেনেহীয়ে দিয়ে তামোল কাটি
পাণতে বাকৰি বাছি।"





MOHAN LAL CHOUDHURY LIBRARY :

প্ৰকৃতি জগতৰ ফল-মূলেও বিহুগীতত স্থান পাইছে—

"বাঁহৰে আগলিত পৰি কাম চৰাই
উভতি কোটালে পাখি,
আমাৰ চেনেহীয়ে দিয়ে তামোল কাটি
পাণতে বাকৰি বাছি।"

* * * * *

"টেঙা চকলাই অকলে নাখাবা
আমাকো এচকল দিয়া।"

* * * * *

"আমৰে ডালতে কপৌৰে বিনাইছে
বৰঘৰত বিনাইছে মনে।"

পৰ্বত-পাহাৰ, জান-জুৰি, নদ-নদীয়েও প্ৰকৃতিক অপৰূপ কৰি তুলিছে। এইবোৰৰ তুলনা পাওঁ বিহুগীতত—

"নৈৰ শুৱনি গঙা চিলনী
পৰ্বতৰ শুৱনি মিৰি।"

* * * * *

"লুইতৰে বালি বগী ঢকে ঢকি
কাছই কণী পাৰে লেখি।।"

ৰাতিৰ আকাশত জোন-তৰাই আমাক মুগ্ধ কৰে। পূৰ্ণিমাৰ জোনাক নিশা হ'লেতো কথাই নাই। বিহুগীতত ইয়াৰ উল্লেখ পোৱা যায়—

"ই বোলে মইনা সি বোলে মইনা
মই বোলো বুকুৰে সোণ
মইনাৰ ফাললৈ চাবকে নোৱাৰি
যেন পূৰ্ণিমাৰে জোন।"

* * * * *

"তোমাৰ চকুযোৰ সৰগৰ তৰা যেন
কিনো খামুচিয়া কঁকাল।"

খেতি-বাতি, মাছ, চৰাই আদিয়েও প্ৰকৃতিৰ শোভা বিস্তাৰ কৰে। ইয়াৰ চিত্ৰও বিহুগীতত পোৱা যায়—

"শালি ধানৰ মৰণা মাৰিলো
কঠীয়া নথ'লো সঁচ।"

* * * * *

"তোমাৰ মুখখনি মালী মাছৰ নিচিনা
বামী মাছৰ নিচিনা চুলি।"

* * * * *

"চৰাইও নহ'লো উৰি যাবলৈ
তোমাৰ কাষলৈ।"

**প্ৰেম ঃ**

বসন্তৰ আগমনত প্ৰকৃতিয়ে নৱৰূপ পায়। প্ৰকৃতি চঞ্চল হৈ উঠে। প্ৰকৃতিৰ চঞ্চলতাই মানুহৰ হৃদয়তো জগাই তোলে এক অনাবিল আনন্দ। বিশেষকৈ ডেকা-গাভৰুৰ মনত কুলু কুলু সুৰত বয় প্ৰেমৰ ফল্গুধাৰা। এই ধাৰা বিহুগীতত সুন্দৰতম ৰূপত প্ৰতিফলিত হৈ উঠা দেখা যায়—

"ঘৰতো নবহে মন সমনীয়া
পথাৰতো নবহে মন,
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।"

* * * * *

"পিৰীতি নেভাগে পীৰিতি নিছিগে
পীৰিতি নপৰে সৰি।"

* * * * *

"প্ৰথমে ঈশ্বৰে সৃষ্টি সৰজিলে
তাৰ পিছত স্ৰজিলে জীৱ,
তেনেজন ঈশ্বৰে পীৰিতি কৰিলে
আমি বা নকৰিম কিয় ?"

* * * * *

"গালে কাটিকৈ নেচাবা মইনা
মোৰ শপত লাগিব বেয়া;
জনমে জনমে থাকিম একেলগে
যদি কৰে ঈশ্বৰে দয়া।"

* * * * *

"ধনে গৈ আছেগৈ দূৰৈকৈ দূৰণিত
নুশুনো ধনৰে মাত,
ডালতে কুলিয়ে বৈ বৈ বিনাইছে
বিননি শুনাওঁ মই কাক ?"

বিহুগীতবোৰত প্ৰেমৰ এক নিৰ্মল, নিভাজ ছবি বিচ্ছুৰিত হৈ উঠা দেখা যায় প্ৰেমৰ স্বতঃস্ফুৰ্ত অনুভূতিৰে বিহুগীতবোৰ চপচপীয়া। বিহু মূলতঃ উৰ্বৰা উৎসৱ সেয়েহে বিহুগীতৰ মাজেৰে প্ৰেমৰ দিশ উন্মেষ হোৱাটো অতি স্বাভাৱিক।

**সমাজ জীৱনৰ ছবি ঃ**



MOHAN LAL CHOUDHURY LIBRARY :

অতীজৰে পৰা মানুহে দলবদ্ধভাৱে বাস কৰি আহিছে। মানুহ সামাজিক প্ৰাণী। মানুহক বাদি দি সমাজ বা সমাজক বাদ দি মানুহৰ কথা ভাবিব নোৱাৰি। সেয়েহে সমাজ আৰু মানুহ এটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে।

কবি-সাহিত্যিক একো একোজন সমাজৰে ব্যক্তি। সেয়েহে তেওঁলোকে সৃষ্টি কৰা সাহিত্যৰ মাজেৰে সমাজৰ ছবি মূৰ্তিমান হৈ উঠে। তদুপৰি সাহিত্য হৈছে সমাজৰ দাপোণ। বিহুগীতৰ মাজেৰেও অসমীয়া সমাজৰ স্বচ্ছ ছবি এখন দৃশ্যমান হৈ উঠা দেখা যায়।

অসমীয়া সমাজৰ আচাৰ-ব্যৱহাৰ, লোকায়ত সমাজৰ গৃহস্থালিৰ বিৱৰণ, বিয়া-বাৰুৰ ক্ষেত্ৰত জাত-কুলৰ বিচাৰ কৰা, মনৰ মিলন হ'লে জাত কুলৰ বিচাৰ নকৰা আদিৰ সুন্দৰ নিদৰ্শন পোৱা যায়—

"মই থাকো চোতালত আই থাকে আখলত
তই থাক ভঁড়ালৰ মূধত,
বোপাই বাৰীত থাকে, ককাই ধানত লাগে
দেখাও নিদিয়া পাকত।"

আমাৰ সমাজত ডেকা-গাভৰুৰ চৰিত্ৰৰ বিষয়ে জানিব পৰা কিছুমান চিত্ৰৰ পৰিচয় পোৱা যায়। অৰ্থাৎ, ডেকা-গাভৰুৰ চাৰিত্ৰিক বৈশিষ্ট্যও বিহুগীতৰ মাজেৰে সমাজত প্ৰতিফলিত হয়—

"ডেকাৰে লেতেৰা নিবোক চামোন
মুখত মিচিকিয়া হাঁহি,
ছোৱালী লেতেৰা বিজুলী চকুৱা
মুখত মিচিকিয়া হাঁহি।

অসমীয়া সমাজত বিশেষকৈ গ্ৰাম্যসমাজত তাঁতশালৰ ভূমিকা মনকৰিবলগীয়া। তাঁতশালখন শিপিনীৰ হিয়াৰ আমঠু—

"বহোঁ তাঁতৰ পাটৰ চকু আলিবাটত
মাকো সৰি সৰি পৰে।"

তামোল-পাণেও অসমীয়া সমাজত এখন বিশিষ্ট আসন লাভ কৰি আছে। বিভিন্ন দিশত ইয়াৰ ব্যৱহাৰ অপৰিহাৰ্য—

"তোমাৰ কটা তামোল নেখাওঁ ঐ লাহৰী
আমাৰে মৰিব কুল।"

অসমীয়া সমাজত গামোছাখনৰ এক বিশেষ তাৎপৰ্য্য আছে। কিয়নো জ্যেষ্ঠজনক আগবঢ়োৱা গামোছাখনত শ্ৰদ্ধাৰ ভাব নিহিত হৈ থাকে। আনহাতে, সৰু আৰু প্ৰিয়জনলৈ আগবঢ়োৱা গামোছাখনত থাকে মৰমৰ উম। তদুপৰি ব'হাগ বিহুত এই গামোছাখনকে আমি 'বিহুৱান' হিচাপে আদৰেৰে গ্ৰহণ কৰো—

"ৰাতি দুপৰলৈ কাটি সূতালাহী
ধনলৈ বিহুৱান বলো,
ৰঙাকৈ আঁচুৰে বাছি শাণেকটা
টিপতে লুকুৱাই থ'লো।"

গোঁসাইঘৰৰ স্থানও অসমীয়া সমাজত অতি উচ্চ। বিহুগীততো ইয়াৰ স্ফুৰণ ঘটিছে—

"গোঁসাইৰ চৰণত তামোল পাণ যাচিলোঁ,
বিহু মাৰিবলৈ যাওঁ।"

গ্ৰাম্য সমাজত মাছধৰা বিভিন্ন যতন আছে। সেইবোৰ হ'ল পল, জুলুকি, জাকৈ, চেপা, বৰছা, বৰশি, জাল, খালৈ আদি। অৱশ্যে বৰ্তমান সময়ত কিছুমান যতনৰ ব্যৱহাৰ ক্ৰমাৎ কমি অহা দেখা গৈছে। ইয়াৰ কাৰণ বহুতো। বৰ্তমান সময়ত প্ৰচলিত বিহুগীতসমূহতো এই যতনৰ উল্লেখ সীমিত।

অসমীয়া সমাজত প্ৰচলিত বাদ্যযন্ত্ৰ— টকা, গগণা, বাঁহী, ঢোল আদি। অয়-অলংকাৰ— কেৰু, জাংফাই, বিৰী, মণি আদি। সাজপাৰ— মেখেলা, চাদৰ, ৰিহা, চুৰীয়া, চেলেং আদি। বাচন-বৰ্তন— কাঁহী, বাতি, লোটা, কলহ, চৰু আদি। বাঁহ-কাঠেৰে নিৰ্মিত বিবিধ সঁজুলি— জাপি, কুলা, ঢাৰি, জপা, চালনী, পীৰা, ব'ঠা, শৰাই, পালেং আদিৰ উল্লেখও বিহুগীতত আছে।

দেখা যায় যে সমাজৰ প্ৰায়বোৰ দিশৰ ছবি বিহুগীতৰ মাজেৰে অতি সুন্দৰতম ৰূপত প্ৰতিভাত হৈ উঠিছে। অৱশ্যে আমি এইটো স্বীকাৰ কৰিব লাগিব যে বৰ্তমান বিহুগীতত কিছুমান নতুন বিষয়বস্তু সোমাই পৰিছে লগতে সুৰো সলনি হৈছে। এয়া সময়ৰে আহ্বান। তাৰ মাজতেই আমি আমাৰ সংস্কৃতিক জীয়াই ৰখাৰ বাবে দৃঢ় সংকল্পবদ্ধ হওঁ আহক। ❑❑

---

*বিজ্ঞানক বাদ দি ব্যক্তিগত বা জাতীয় কোনো ধৰণৰ উৎকৰ্ষ সাধন সম্ভৱপৰ নহয়।*

— লুথাৰ বাৰবেঙ্ক



MOHAN LAL CHOUDHURY LIBRARY :

# একৈশ শতিকাত হজৰত মহম্মদ (ছাঃ)ৰ প্ৰাসংগিকতা

◆ আবু ছামা
প্ৰবক্তা, হিন্দী বিভাগ

> সঁচা অৰ্থত ভিন্ন ধৰ্মৰ প্ৰতি কেনেকুৱা ব্যৱহাৰ কৰিব লাগে আমি হজৰত মহম্মদৰ পৰা শিকিব পাৰো। অন্য ধৰ্মৰ বিশ্বাসী লোকৰ লগত তেওঁ কেতিয়াও বেয়া আচৰণ কৰা নাই, ঘৃণা বা তিৰস্কাৰ কৰা নাই। হজৰত মহম্মদ (ছাঃ) কেবল মুছলমান সকলৰ মাজতে একতা বা ভাতৃত্ব স্থাপন কৰি সন্তুষ্ট হোৱা নাই। তেওঁ আছিল আন্তৰ্জাতিক মিলন প্ৰতিষ্ঠাৰ অগ্ৰদূত।

মানৱ ইতিহাসত কত যে মানুহ এই ধৰাৰ বুকুলৈ আহিছে আৰু কালৰ সোঁতত এদিন বিলীন হৈ গৈছে তাৰ কোনো লেখ-জোখ নাই। যদিও ইয়াৰ মাজৰে কিছুমান ব্যক্তি আজিও অমৰ হৈ আছে তেওঁলোকৰ দেহাৱহে মৃত্যু হৈছে কিন্তু তেওঁলোকৰ আদৰ্শৰাজি আজিও জীয়াই আছে। তেওঁলোকৰ আদৰ্শই আজিও আমাক পথ দেখুৱাই সাহস দিয়ে, প্ৰেৰণা দিয়ে আৰু দিয়ে গতি। হজৰত মহম্মদ (ছাঃ) আছিল তেনেকুৱা এজন ব্যক্তি যিজন মহামানৱ ইহজগতৰ পৰা বিদায় লোৱা চৈধ্যশ বছৰৰো অধিক কাল অতিবাহিত হৈ গ'ল যদিও তেওঁৰ আদৰ্শবোৰ আজিও পূৰ্বদিশত উদিত সূৰ্য্যৰ দৰেই দীপ্তিমান। সেই আদৰ্শবোৰক অনুধাৱন কৰাৰ সময়ো সমাগত। মানৱ সমাজৰ পৰা মানৱতা ক্ৰমশঃ লুপ্ত হৈ যোৱাৰ পৰিপ্ৰেক্ষিতত হজৰত মহম্মদৰ আদৰ্শ সমূহ আজিৰ বিশ্বৰ কাৰণে অতি প্ৰাসঙ্গিক হৈ পৰিছে। চাৰিওফালে হত্যা, হিংসা, স্বাৰ্থপৰতাই আমাৰ সমাজখনক গ্ৰাস কৰিবলৈ আৰম্ভ কৰিছে। সেয়ে এই সময়ছোৱাত মহাপুৰুষ হজৰত মহম্মদ(ছাঃ)ৰ আদৰ্শই বিশ্ববাসীক শান্তিৰ পথ দেখুৱাব পাৰে। সততা, নিষ্ঠা আৰু পবিত্ৰতাই আছিল হজৰত মহম্মদৰ জীৱনৰ অলংকাৰ। ছলনা, মিথ্যাচাৰ আৰু কপটতাক তেওঁ মনে-প্ৰাণে ঘিণ কৰিছিল। নীতি আৰু আদৰ্শ স্থাপন কৰাৰ বাবেই তেওঁ গোটেই জীৱন সংগ্ৰাম অব্যাহত ৰাখিছিল। সেই কাৰণেই হয়তো আমেৰিকাৰ প্ৰখ্যাত বৈজ্ঞানিক 'মাইকেল হাৰ্টে' বিশ্বৰ আটাইতকৈ প্ৰভাৱশালী একশজন ব্যক্তিৰ জীৱন চৰিত ৰচনা কৰি তেওঁলোকৰ গুণৱলীৰ আধাৰত ক্ৰমসংখ্যা প্ৰদান কৰিছিল আৰু ইয়াৰ প্ৰথম স্থানত অধিষ্ঠিত কৰিছিল হজৰত মহম্মদ (ছাঃ)ক। এই সম্পৰ্কে তেওঁ যুক্তি দাঙি ধৰিছিল যে—"হজৰত মহম্মদ (ছাঃ)ৰ ধাৰ্মিক আৰু ভৌতিক গুণাৱলী তথা এই দুয়োটাৰে প্ৰভাৱৰ ইমান সুন্দৰ মিলন আছে, যাক দেখি ক'ব পাৰি এই পৃথিৱীত সৰ্বাধিক প্ৰভাৱশালী ব্যক্তিসকলৰ মাজত আটাইতকৈ শ্ৰেষ্ঠ তথা মহান ব্যক্তি হজৰত মহম্মদ (ছাঃ)।"



বিশ্বৰ নানান জটিল সমস্যাৰ সমাধান বিচাৰি পাইছিল লণ্ডনৰ লেডি ইভলিন কোবাল্টেও একমাত্ৰ হজৰত মহম্মদ(ছাঃ)ৰ আদৰ্শৰ মাজতেই। তেওঁ কৈছিল—"ইছলাম ধৰ্মই হৈছে সৰ্বাপেক্ষা বাস্তৱ ধৰ্ম। বৰ্তমান বিশ্বৰ ভিন্নমুখী জটিল সমস্যা সমাধানৰ একমাত্ৰ নিখুঁত উপায় হ'ল ইছলাম। ইছলামেই হৈছে একমাত্ৰ সেই সহজ সৰল পূৰ্ণপন্থা যি পথত এই বালিময় পৃথিৱীত স্বৰ্গৰ সুখ-শান্তি প্ৰতিষ্ঠা কৰা সম্ভৱ।" হজৰত মহম্মদে প্ৰৱৰ্তন কৰা ধৰ্মৰ নাম আছিল ইছলাম। হিংসা জৰ্জৰিত এন্ধাৰে আৱৰি থকা আৰবৰ মক্কা নগৰৰ এক দুখীয়া পৰিয়ালত তেওঁৰ জন্ম হৈছিল। ইতিহাসেই সাক্ষী যে, যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ জন্ম হৈছিল তেতিয়া আৰব দেশৰ সামাজিক ব্যৱস্থা খুবেই



MOHAN LAL CHOUDHURY LIBRARY :

শোচনীয় আছিল। অন্যায় অত্যাচাৰেৰে জৰ্জৰিত আৰবীয় সকল সদায় এটা গোত্ৰৰ লগত আন গোত্ৰৰ লোকসকলে কটা-মৰাত ব্যস্ত আছিল। এনেকুৱা অৱস্থাৰ পৰিত্ৰাণ বিচাৰি মাত্ৰ পোন্ধৰ বছৰ বয়সতে তেওঁৰ মনে ব্যাকুল হৈ পৰিছিল আৰু এক মহৎ উদ্দেশ্য আগত ৰাখি কিছুমান উৎসাহী যুৱকক একগোট কৰি তেওঁ এটা সেৱা সংঘৰ জন্ম দিছিল আৰু তেওঁলোকক প্ৰতিজ্ঞা কৰাইছিল যে—

১। আমালোকে নিঃস্ব, অসহায় আৰু দুৰ্গত সকলক সেৱা কৰিম।
২। অত্যাচাৰীক প্ৰাণে-পনে বাধা দিম।
৩। উৎপীড়িতক সাহায্য কৰিম।
৪। দেশৰ শান্তি আৰু শৃংখলা ৰক্ষা কৰিম।
৫। বিভিন্ন গোত্ৰৰ মাজত শান্তি-সম্প্ৰীতি ৰক্ষা কৰিবলৈ চেষ্টা কৰিম।

এই সেৱা সংগঠনটোৰ নাম দিলে "হিলফ উল্ ফজল'। সঁচাকৈয়ে তেওঁ অলপ দিনৰ ভিতৰতেই উদ্দেশ্য সাধনত সফল হ'ল আৰু আৰৱবাসীয়ে তেওঁক নাম দিলে 'আল আমিন', অৰ্থাৎ সত্যবাদী।

মানুহে জীৱনৰ প্ৰত্যেক স্তৰতে, প্ৰতি পদক্ষেপতে যিবিলাক সমস্যাৰ সন্মুখীন হয় সেইবোৰৰ সমাধান সূত্ৰ দেখিবলৈ পোৱা যায় এই মহান আদৰ্শৰ গৰাকী হজৰত মহম্মদ (ছাঃ)ৰ মাজত। বৰ্তমান গোটেই বিশ্বতে ভ্ৰষ্টাচাৰ, দুৰ্নীতি, আতংকবাদ আৰু সাম্প্ৰদায়িক সংঘাত আদি সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। এই সমস্যা সমূহ সমাধান চেষ্টা অচিৰেই নকৰিলে বিশ্ব মানৱৰ জীৱনযাত্ৰা স্থবিৰ হৈ পৰাটো নিশ্চিত। মানৱতাৰ চৰম সাক্ষী মহামনীষী হজৰত মহম্মদ (ছাঃ)ৰ জীৱনাদৰ্শ তথা তেওঁ দেখুৱাই যোৱা বিশ্ব ভাতৃত্বৰ বাটেৰে যদিৰ আজিৰ প্ৰজন্ম আগুৱাই যাবলৈ সক্ষম হয়, তেন্তে সমূহ জলন্ত সমস্যাৰ সমাধান অনিবাৰ্য্য। তেওঁৰ ব্যক্তিত্ব তথা তেওঁৰ জীৱনৰ কিছুমান ঘটনাৰ পৰা দেখিবলৈ পোৱা যায় যে প্ৰকৃততে তেওঁ আছিল বিশ্বশান্তিৰ অক্লান্ত কৰ্মী। শান্তিয়েই তেওঁৰ চিৰকাম্য। সেয়ে তেওঁ প্ৰৱৰ্তন কৰা ধৰ্মৰ নামেই হ'ল— ইছলাম, যাৰ বুৎপত্তিগত অৰ্থ হ'ল শান্তি আৰু ভাতৃত্ববোধ। সকলো ধৰ্মৰ প্ৰতিয়ে তেওঁৰ আছিল উদাৰ মনোভাৱ। এই কথাৰ প্ৰমাণ পোৱা যায় যেতিয়া মক্কাৰ পৰা হিজৰত কৰি মদিনালৈ যায় আৰু মদিনাৰ ইহুদী তথা পৌত্তলিক সকলৰ লগত যিবোৰ সন্ধি কৰিছিল সেই সন্ধিৰ চৰ্তসমূহ তেওঁৰ উদাৰ মনোভাৱৰে পৰিচয় আছিল আৰু যেতিয়া তায়েফবাসীসকলৰ প্ৰতিনিধি সকল মদিনাত হজৰত মহম্মদ (ছাঃ)ৰ লগত দেখা কৰিবলৈ আহে তেওঁ সিহঁতক মছজিদ প্ৰাঙ্গণত স্থান দিছিল। ইমানেই নহয় 'নজৰান'ৰ খ্ৰীষ্টান সকলৰ এটা প্ৰতিনিধি দল যেতিয়া মদিনালৈ আহে তেওঁলোকৰ সান্ধ্য উপাসনাৰ বাবে মদিনাৰ মছজিদতেই স্থান দিছিল। একে সময়তে একে ছাদৰ তলতে খ্ৰীষ্টানসকলে পূৰ্বদিশে মুখ কৰি উপাসনা কৰিবলৈ ধৰিলে আৰু মুছলমান সকলে হজৰত মহম্মদ (ছাঃ)ৰ পিছত থিয় হৈ কাবা গৃহৰ পিনে মুখ কৰি নামাজ আদায় কৰিবলৈ ল'লে। কি অপৰূপ দৃশ্য! অন্য ধৰ্মৰ প্ৰতি ইমান উদাৰতাৰ নিদৰ্শন আৰু ক'ত দেখিবলৈ পোৱা যাব? সঁচা অৰ্থত ভিন্ন ধৰ্মৰ প্ৰতি কেনেকুৱা ব্যৱহাৰ কৰিব লাগে আমি হজৰত মহম্মদৰ পৰা শিকিব পাৰো। অন্য ধৰ্মৰ বিশ্বাসী লোকৰ লগত তেওঁ কেতিয়াও বেয়া আচৰণ কৰা নাই, ঘৃণা বা তিৰস্কাৰ কৰা নাই। হজৰত মহম্মদ (ছাঃ) কেবল মুছলমান সকলৰ মাজতে একতা বা ভাতৃত্ব স্থাপন কৰি সন্তুষ্ট হোৱা নাই। তেওঁ আছিল আন্তৰ্জাতিক মিলন প্ৰতিষ্ঠাৰ অগ্ৰদূত। ইয়াত তেওঁৰ কিছুমান উক্তি যাক ইছলাম ধৰ্মত হদীছ বুলি কোৱা হয়, যুক্তি হিচাপে দাঙি ধৰিব পাৰি— যিবোৰ তেওঁ নিজৰ জীৱনত আখৰে আখৰে পালন কৰি গৈছে আৰু প্ৰতিজন মানুহকেই মানি চলিবলৈ নিৰ্দেশ দি গৈছে। তেওঁ কৈছে—

১। "ভোকাতুৰক খাদ্য দান কৰা আৰু ৰোগীক সেৱা কৰা।"
২। "প্ৰকৃত মুছলমান আৰু উত্তম ব্যক্তি সেইজনেই যাৰ জিভা আৰু হাতৰ দ্বাৰা অইন মুছলমান বা ব্যক্তি নিৰাপদ থাকে।"
৩। "যি জনে পৃথিৱীৰ জীৱৰ প্ৰতি দয়া নকৰে আল্লাইয়ো তাৰ প্ৰতি দয়া নকৰে।"
৪। "প্ৰকৃত মোমেন সেইজন যাৰ হাতৰ দ্বাৰা, মুখৰ দ্বাৰা আন ব্যক্তিয়ে কষ্ট নাপায়।"
৫। "তুমি আনৰ পৰা যেনেকুৱা ব্যৱহাৰ বিচৰা তুমিও তাৰ প্ৰতি তেনেকুৱা ব্যৱহাৰ কৰিবা।"
৬। "কোনো মুছলমানৰ কাৰণে নিন্দা কৰা, সুত খোৱা, হত্যা কৰা হাৰাম।" (নিষিদ্ধ)

উপৰোক্ত হাদীছবোৰ বিশ্লেষণ কৰিলে দেখা যায় হজৰত মহম্মদে কোৱা নাই যে কেবল মুছলমান ভোকাতুৰক খাদ্য দান কৰিবা, কেবল মুছলমান ৰোগীকহে সেৱা কৰিবা। তেওঁ যিকোনো জাতি, ধৰ্মৰ মানুহকে সহায়ৰ হাত আগবঢ়াবলৈ কৈছে। ইয়াৰ পৰা স্পষ্ট বুজা যায় যে, হজৰত মহম্মদ (ছাঃ) আতংকবাদ তথা মানুহে মানুহক হত্যা কৰা প্ৰবৃত্তিৰ সম্পূৰ্ণ বিৰোধী। মহামানৱতাই আছিল তেওঁৰ আদৰ্শ আৰু বিশ্বভাতৃত্বই আছিল তেওঁৰ স্বপ্ন। তেওঁৰ ব্যক্তিত্বত আছিল সকলো গুণৰ সমাহাৰ। তেওঁ আছিল এজন মহান নেতা, মহান ৰাষ্ট্ৰনায়ক। বৰ্তমান বিশ্বৰ প্ৰায়বোৰ দেশেই স্বাধীনতা লাভ কৰিছে আৰু প্ৰায়বোৰ দেশতেই গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰচলিত হৈ আছে। কিন্তু এই স্বাধীনতা বা গণতন্ত্ৰ প্ৰকৃতাৰ্থত সফল বুলি ক'ব পাৰিছে? গণতান্ত্ৰিক শাসনেৰে শাসিত যি স্বাধীন দেশৰ



MOHAN LAL CHOUDHURY LIBRARY :

জনসাধাৰণৰ মনোজগতত থাকে শত প্ৰকাৰৰ বন্ধন, সৰু-ডাঙৰ, ইতৰ ভদ্ৰৰ প্ৰভেদ, জঘন্য জাতি-ভেদ আৰু অস্পৃশ্যতাৰ অভিশাপ। হজৰত মহম্মদে (ছাঃ) সঁচা স্বাধীনতা আৰু গণতন্ত্ৰৰ শিক্ষা জগতবাসীক চৈধ্যশ বছৰ আগতেই দি থৈ গৈছে। ইয়াক প্ৰখ্যাত ব্ৰাহ্মণ পণ্ডিত অধ্যাপক হৰি প্ৰসাদ শাস্ত্ৰীয়ে কৰা মন্তব্যই আৰু স্পষ্ট কৰি দিয়ে— "হজৰত মহম্মদ (ছাঃ) বিশ্বত সাম্যবাদৰ প্ৰবক্তা। তেওঁৰ পূৰ্বে কোনেও সাম্যবাদ ইমান দৃঢ়তাৰে সমাজত প্ৰবচন কৰিবলৈ সাহস গোটাব পৰা নাছিল। সকলো মানুহে সৃষ্টিকৰ্তাৰ (আল্লাহৰ) সৃষ্টি, সকলো সমান। সকলোৰে ইজনে-সিজনৰ ভাই-ককাই। ইয়াত কোনো সৰু-ডাঙৰ নাই।"

হজৰত মহম্মদ সম্পৰ্কে প্ৰফেচাৰ লেক চাহাবৰ ভাষ্যও উল্লেখ কৰিব পাৰি— "বাস্তৱিকতে সেই অসভ্য যুগত যেতিয়া বিশ্ববাসীক নৈতিক, মানসিক আৰু আধ্যাত্মিক অৱক্ষয়ে অধিকাৰ কৰি লৈছিল ঠিক সেই সময়তে নিৰক্ষৰ নবী হজৰত মহম্মদে (ছাঃ) যি ধৰণে প্ৰকৃত গণতন্ত্ৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল, বৰ্তমানৰ সভ্য বুলি দাবী কৰা যুগৰ সুদীৰ্ঘ দুশ বছৰৰ ভিতৰতো কোনেও সক্ষম হোৱা নাই। ফৰাচী বিপ্লৱ (The French Revolution)ৰ পিছত Reform Bill of England আৰু বলশ্বেভিক আন্দোলনে যি কৰিছে সেয়া হজৰত মহম্মদ (ছাঃ)ৰ গণতন্ত্ৰৰ ধাৰণাৰ সন্মুখত তেনেই নগণ্য।"

হজৰত মহম্মদে প্ৰত্যেক জন ব্যক্তিক ধৰ্ম আৰু কৰ্মত সমান অধিকাৰ প্ৰদান কৰিছিল। য'ত কেবল কৰ্ম আৰু সাধনাৰ দ্বাৰাহে মানুহ ডাঙৰ হ'ব পাৰিছিল। বংশ মৰ্য্যাদা বা জাতিভেদৰ দ্বাৰা নহয়, তেওঁ নৈতিক শৃঙ্খলাৰ মাধ্যমতহে স্বাধীনতা পৰিচালনা কৰিছিল। প্ৰমাণ হিচাবে যায়েদৰ ঘটনাই যথেষ্ট। যায়েদ আছিল ক্ৰীতদাস। হজৰত মহম্মদে তেওঁক মুক্ত কৰি দি স্বাধীন মানুহৰ মৰ্য্যাদা প্ৰদান কৰাৰ লগতে যথপোযুক্ত সন্মানীয় স্থানত অধিষ্ঠিত কৰোৱাইছিল। গতিকে আমাৰ দেশ তথা বিশ্বৰ গণতন্ত্ৰৰ ভেঁটি সুদৃঢ় তথা অৰ্থবহ কৰিবলৈ হজৰত মহম্মদ (ছাঃ)ৰ গণতান্ত্ৰিক আদৰ্শৰ প্ৰাসংগিকতাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে।

হজৰত মহম্মদ (ছাঃ)ৰ জীৱনাদৰ্শৰ আন এক গৌৰৱপূৰ্ণ দিশ হৈছে— তেওঁ নাৰী জাতিক প্ৰদান কৰিছে কল্যাণময়ী, মহিমাময়ী আৰু পুণ্যময়ীৰ ৰূপ। তেওঁৰ মতে নাৰীক বাদ দিলে সংসাৰৰ সকলো সৃষ্টিয়ে অপূৰ্ণ হৈ থাকে। স্ত্ৰী আৰু পুৰুষ সমাজৰূপী ৰথৰ দুটা চকা, ইয়াৰ এটাক বাদ দি ৰথখন চলিব নোৱাৰে। সমাজৰ সৃষ্টি, বিকাশ তথা প্ৰগতিত নাৰীৰ গুৰুত্বপূৰ্ণ ভূমিকা অনস্বীকাৰ্য্য। নাৰীৰ মৰ্য্যাদা তথা সমাজত নাৰী জাতিৰ স্থান সম্পৰ্কে আধুনিক সভ্যতাৰ যুগতো লেখকসকলে তেওঁলোকৰ লেখনি, বক্তা সকলে বিভিন্ন সভা-সমিতিয়ে গাই ফুৰিব লগীয়া হৈছে যদিও প্ৰকৃত অৰ্থত আজিও নাৰীসকলে সমাজত তেওঁলোকে পাবলগীয়া মৰ্য্যাদাৰ পৰা বঞ্চিত হৈ আছে। সামান্য সংখ্যক নাৰীৰ বাদে বাকী অংশৰ নাৰীয়ে আজিও পুৰুষসকলৰ দাসী আৰু ভোগ-বিলাসৰ সামগ্ৰী হিচাপে জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। হজৰত মহম্মদে (ছাঃ) তেওঁৰ জীৱনৰ অন্তিম হজৰ বিদায় ভাষণতো নাৰী সকলৰ প্ৰতি ভাল ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কৈ গৈছে— "মোৰ ওচৰত আটাইতকৈ প্ৰিয় আৰু কামিল মোমেন সেইজন যিজনে নিজৰ ঘৈণীয়েকৰ ওচৰত আটাইতকৈ প্ৰিয়।" তেওঁৰ সময়ছোৱাত নাৰী সকলে পুৰুষ সকলৰ সমানে কাম-কাজত ভাগ লৈছিল। এনেকি সাধ্যানুসাৰে মহিলা সকলে যুদ্ধ ক্ষেত্ৰতো অংশ লৈছিল। তেখেতেই সৰ্বপ্ৰথমে দেউতাকৰ সম্পত্তিৰ ক্ষেত্ৰত ল'ৰাৰ দৰে ছোৱালীৰো সমভাগৰ সপক্ষে মাত মাতিছিল। এইক্ষেত্ৰত নিসন্দেহে হজৰত মহম্মদ (ছাঃ)ৰ নীতি আৰু আদৰ্শৰ প্ৰাসংগিকতা আজিও অতি প্ৰয়োজনীয়।

হজৰত মহম্মদে (ছাঃ) শিক্ষাৰ প্ৰয়োজনীয়তাও মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। সভ্যতাৰ আচল অৰ্থ বুজিবলৈ শিক্ষাৰ বাহিৰে আন কোনো উপায় নাই, যাৰ বাবে মৃত্যুৰ আগমুহূৰ্তলৈকে মানুহক বিদ্যা বা জ্ঞান আহৰণ কৰিবৰ বাবে তেওঁ অনুৰোধ কৰি গৈছে। তেওঁ আৰু কৈছে—

১। "বিদ্যা বা জ্ঞান আহৰণ কৰিবৰ বাবে সুদূৰ চীন দেশলৈকে যাবা।"

২। "জ্ঞান সাধকৰ কলমৰ চিয়াহী শ্বহীদৰ তেজতকৈয়ো পবিত্ৰ।"

৩। "বিদ্যা বা জ্ঞান অৰ্জন কৰা প্ৰত্যেক নাৰী-পুৰুষৰ বাবে অপৰিহাৰ্য্য।"

৪। "শিক্ষাই মানুহক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত কৰিব পাৰে।"

৫। "জ্ঞান বা বিদ্যা হ'ল মানৱ সকলৰ প্ৰকৃত বন্ধু, বুদ্ধি লগৰীয়া আৰু কৰ্ম পথ প্ৰদৰ্শক।

মুঠৰ ওপৰত হজৰত মহম্মদ (ছাঃ)ৰ আদৰ্শ তথা নীতিৰ প্ৰভাৱ সাংস্কৃতিক, অৰ্থনৈতিক, শৈক্ষিক, সামাজিক সকলো ক্ষেত্ৰতে স্পষ্ট। এনেকুৱা বহুতো প্ৰংসঙ্গ আছে যাৰ বিষয়ে আলোচনা কৰিলে হজৰত মহম্মদ (ছাঃ) প্ৰাসংগিতাৰ প্ৰমাণ পোৱা নাযায়। প্ৰকৃত সত্য এয়ে যে তেওঁ সৰ্বকালৰে প্ৰাসংগিক হৈ ৰ'ব। হজৰত মহম্মদ (ছাঃ) মাথোঁ এজন ব্যক্তি নহয় বৰঞ্চ তেওঁ আছিল মানৱতাৰ প্ৰতীক, মানৱতাৰ জলন্ত সাক্ষী, সেৱা আৰু সহানুভূতিৰ গৌৰৱ স্তম্ভ। যাক লৈ বিশ্ব মানৱ গৌৰৱান্বিত। যাৰ ওচৰত গোটেই বিশ্ব চিৰকৃতজ্ঞ। ❑❑



MOHAN LAL CHOUDHURY LIBRARY :

# ভাৰতত উচ্চ শিক্ষাৰ সংকট

◆ শহৰ আলী
স্নাতক ২ য় বষ

শিক্ষা জাতিৰ মেৰুদণ্ড স্বৰূপ। এটা জাতিৰ প্ৰগতি আৰু উন্নতিৰ মাপকাঠি হৈছে শিক্ষা। শিক্ষাৰ উদ্দেশ্য আৰু প্ৰয়োজনীয়তা সম্পৰ্কে জগতৰ মনীষীসকলে বহু কথাই কৈ গৈছে। শিক্ষাই মানুহৰ মনৰ পৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাস দূৰ কৰাৰ উপৰিও বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এখন দেশৰ জনসাধাৰণ যিমানে শিক্ষিত হ'ব সিমানেই দেশখন জনসম্পদত চহকী হ'ব। গতিকে শিক্ষিত জনসম্পদ গঢ়াৰ ফলত আৰ্থ-সামাজিক, সাংস্কৃতিক দিশত দেশখনক আগুৱাই নিবলৈ বাস্তৱ আৰু ফলপ্ৰসূ শিক্ষা নীতিৰ প্ৰয়োজন। সেই কাৰণেই দেশৰ চৰকাৰে শিক্ষানীতি প্ৰণয়নত গুৰুত্ব দিব লাগে। কিন্তু শিক্ষাৰ গুৰুত্বৰ কথা আলোচনা কৰাৰ সময়তেই আমি দেখিবলৈ পাওঁ কেনেদৰে চৰকাৰে গ্ৰহণ কৰা শিক্ষানীতিৰ ফলতে ক্ৰমশঃ শিক্ষাৰ ক্ষেত্ৰখন সংকুচিত হৈ আহিব ধৰিছে। চৰকাৰৰ এই নীতিবোৰৰ ফলত আজিলৈকে শিক্ষা মুষ্টিমেয় মানুহৰহে আয়ত্বধীন; অধিকাংশ মানুহৰ বাবে শিক্ষা আজিও এক অলীক স্বপ্ন। উচ্চ শিক্ষাৰ গুৰুত্ব প্ৰসংগত ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল— "যদি বিশ্ববিদ্যালয়সমূহ ঠিকে চলে জাতিৰ অন্যান্য দিশবোৰো ঠিকভাৱে চলে।" আমাৰ দেশৰ স্বাধীনতাৰ ৫৯ (উনষষ্ঠি) বছৰ পিছতো আজি এই কথাৰ গুৰুত্ব সম্প্ৰতি শিক্ষা ব্যৱস্থাত বৃদ্ধি পাইছে।

আন এটা বিষয় যদি লক্ষ্য কৰা যায় দেখা যাব যে বিশ্বায়নৰ যুগত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ব্যাপক বিকাশ ঘটিছে। এই বিকাশ যিবোৰ দেশত ঘটিছে সেইবোৰ দেশত উচ্চ শিক্ষিতৰ হাৰ বহু বেছি। উচ্চ শিক্ষাৰ সুযোগ নাথাকিলে সেইবোৰ দেশত বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ বিকাশ সম্ভৱ নহয়। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিকাশ নহ'লে বিশ্বায়নৰ যুগত প্ৰতিযোগিতাত টিকি থকাও সম্ভৱ নহয়। সম্পূৰ্ণৰূপে আনৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব। এটা তথ্যত দেখা যায় যে প্ৰতি ১০০০ (এক হাজাৰ) মানুহৰ বিপৰীতে ভাৰতবৰ্ষৰত বিজ্ঞানী আৰু প্ৰযুক্তিবিদ আছে ২.৫ জন, কিন্তু ব্ৰাজিলত ২৯.৫ জন, চীনত ৮.১ জন, জাৰ্মানীত ৮৬ জন, ইজৰাইলত ৭৬ জন, জাপানত ১১০ জন, কোৰিয়াত ৪৯.৯ জন আৰু আমেৰিকাত ৫৫ জন। এই তথ্যৰ পৰা দেখা যায় যে অহা কেইবছৰমানৰ ভিতৰত ভাৰতবৰ্ষ বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত দুই এটা বিভাগ বাদে সম্পূৰ্ণৰূপে আনৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব।

১৯৮৬ চনত প্ৰবৰ্তিত ৰাজীৱ গান্ধীৰ 'নতুন শিক্ষানীতি'ৰ ফলস্বৰূপেই ভাৰতবৰ্ষৰ শৈক্ষিক ক্ষেত্ৰখনত ন ন সমস্যাৰ সৃষ্টি হৈছে। তাৰ পিছত আকৌ ১৯৯৪ চনত নৰসিংহ ৰাওৱে 'গ্যাট' (GATT - General Agreement on Trade & Tariff) চুক্তিত স্বাক্ষৰ কৰি আৰম্ভ কৰে শিক্ষাৰ ব্যক্তিগতকৰণ, বাণিজ্যিকীকৰণ প্ৰক্ৰিয়া। ইয়াৰ ফলস্বৰূপেই ভাৰতৰ শৈক্ষিক ক্ষেত্ৰখনত ন ন সমস্যাৰ সৃষ্টি হৈছে। এই গ্যাট চুক্তিত স্বাক্ষৰ কৰাৰ মাজেদিয়েই আমাৰ দেশে বিশ্বায়নৰ নীতি গ্ৰহণ কৰিছে। বিশ্বায়নৰ নীতি গ্ৰহণৰ আৱশ্যম্ভাৱী ফল হৈছে শিক্ষাৰ বাণিজ্যিকীকৰণ আৰু ব্যক্তিগতকৰণ। বিশ্বায়নক মূলতঃ অৰ্থনীতিৰ গণ্ডীত আলোচনা কৰা হয় যদিও, ই দৰাচলতে ৰাজনীতি, সমাজনীতি, সংস্কৃতি আদি বিষয়ৰ লগতো অঙ্গাঙ্গিভাৱে জড়িত হৈ থাকে। বিশ্বায়ন হৈছে বিশ্ব অৰ্থনীতি সম্বন্ধীয় এক বিশ্বসূত্ৰ। উদাৰীকৰণ আৰু ব্যক্তিগতকৰণ হৈছে বিশ্বায়নৰ মূল

বিশ্বায়নক মূলতঃ অৰ্থনীতিৰ গণ্ডীত আলোচনা কৰা হয় যদিও, ই দৰাচলতে ৰাজনীতি, সমাজনীতি, সংস্কৃতি আদি বিষয়ৰ লগতো অঙ্গাঙ্গিভাৱে জড়িত হৈ থাকে। বিশ্বায়ন হৈছে বিশ্ব অৰ্থনীতি সম্বন্ধীয় এক বিশ্বসূত্ৰ।





MOHAN LAL CHOUDHURY LIBRARY :

শ্লোগান। বিশ্ব বাণিজ্য সংস্থাৰ অন্তৰ্গত গ্যাট চুক্তিৰ মাধ্যমত বিশ্বৰ পুঁজিপতি দেশসমূহে শিক্ষাক এক উদ্যোগক্ষেত্ৰ হিচাপে চিহ্নিত কৰিছে। এই বহুজাতিক কোম্পানীবোৰৰ দৃষ্টিত শিক্ষা হৈছে এনে এটা উদ্যোগ যাৰ এক বিশ্বযোৰা বজাৰ আছে, য'ত ছাত্ৰ-ছাত্ৰী সকল হ'ল মুনাফা অৰ্জনৰ উৎস। উদ্যোগজাতৰ পণ্যবিধৰ নাম হ'ল শিক্ষা। ইয়াত ছাত্ৰ-ছাত্ৰীসকল হ'ল— ক্ৰেতা, শিক্ষক-কৰ্মচাৰীসকল হ'ল— সেৱা যোগান ধৰোতা আৰু আয়োজক হ'ল উদ্যোগৰ মালিক সকল। বিশ্ব সংস্থাৰ ১৪৩ খন সদস্য ৰাষ্ট্ৰৰ বৰ্তমানলৈ ৪০ খন সদস্য ৰাষ্ট্ৰই শিক্ষাৰ বাণিজ্যিকীকৰণৰ নীতি গ্ৰহণ কৰিছে। ইয়াৰ বেছি সংখ্যক হ'ল ধনতান্ত্ৰিক দেশ।

উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণ আৰু ব্যক্তিগতকৰণৰ নীতি গ্ৰহণ কৰাৰ ফলত শিক্ষাৰ শিতানত চৰকাৰী ব্যয় সংকোচন কৰা হৈছে। ইয়াৰ ফলত ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান কাঠফুলাৰ দৰে গজি উঠিছে। আনহাতে, উচ্চ শিক্ষাৰ সংকোচন নীতিৰ ফলস্বৰূপে নিমজ্জিত হৈছে। আৰ্থিক সংকটৰ পৰা ৰক্ষা পাবলৈ মঞ্জুৰি প্ৰাপ্ত মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন মাচুল অভাৱনীয়ভাবে কেবাগুণো বঢ়োৱা হৈছে, শিক্ষক-কৰ্মচাৰীৰ বেতনৰ অংশ কৰ্তন কৰা হৈছে, আসনৰ সংখ্যা হ্ৰাস কৰা হৈছে। বাণিজ্যিকীকৰণৰ অৱধাৰিত ফলস্বৰূপে অসমৰ মহাবিদ্যালয়বোৰতো মাচুল বৃদ্ধি হোৱাৰ বাবে বহুতো ল'ৰা-ছোৱালী উচ্চ শিক্ষা লোৱাৰ পৰা বঞ্চিত হৈছে। এই বঞ্চিত ল'ৰা-ছোৱালীবোৰৰ বেছি ভাগেই হৈছে দুখীয়া। এওঁলোকৰ মেধা আৰু ইচ্ছা থাকিলেও অৰ্থৰ অভাৱত শিক্ষা লাভৰ আশা মনতে মাৰ যায়। এটা পৰিয়ালৰ দুজন ল'ৰা-ছোৱালী থাকিলে তেওঁলোকৰ মাজত ল'ৰাজনেহে পঢ়িবলৈ বেছি সুযোগ পাব। এই ক্ষেত্ৰত ছোৱালীজনী ল'ৰাজনতকৈ বেছি পৰিমাণে শোষিত আৰু বঞ্চিত হয়। এইবোৰ কাৰণতেই বিভিন্ন মহাবিদ্যালয়ত নামভৰ্ত্তিৰ পৰিমাণ হ্ৰাস পাইছে।

যিবোৰ সাম্ৰাজ্যবাদী সংস্থা তথা দেশৰ শ্ৰুতলিপি অনুসৰি ভাৰত চৰকাৰে উচ্চ শিক্ষাৰ ক্ষেত্ৰত ব্যয় সংকোচন কৰি আনি উচ্চ শিক্ষাক পণ্য হিচাপেলৈ এমুঠিমান বিত্তবান মানুহৰ হাতত গতাই দিব বিচাৰিছে। সেইবোৰ দেশত কিন্তু উচ্চ শিক্ষাৰ সুযোগ বহুত মানুহে ভোগ কৰি আছে। এটা তথ্যত দেখা যায়— ভাৰতবৰ্ষত উচ্চ শিক্ষাত ৬.১৩%, আনহাতে ইণ্ডোনেচিয়াত ১১.৬৭%, পেৰুত ৩৪.৫৫%, ফ্ৰান্সত ৩৬.০০%, ইংলেণ্ডত ৩০.৩৫% আৰু আমেৰিকাত ৫৩.৫০% ছাত্ৰ-ছাত্ৰী দাখিল হয়। দেখা যায় যে শাসক গোষ্ঠীয়ে ভাৰতক এখন বৰ্বৰ মানুহৰ দেশত পৰিণত কৰিব বিচাৰিছে। কিন্তু উদ্বেগৰ বিষয় হ'ল অসম তথা সমগ্ৰ দেশতে শিক্ষাৰ প্ৰতি থকা নৈতিক তথা সাংবিধানিক দায়িত্বক অস্বীকাৰ কৰাৰ এক পৰিকল্পিত প্ৰচেষ্টা আৰম্ভ কৰিছে চৰকাৰে। ফলত আমাৰ দেশখনে প্ৰতি মুহূৰ্ত্ততে এক ভয়ংকৰ ভৱিষ্যতলৈ গতি কৰিছে।

স্বাধীন ভাৰতৰ সংবিধান প্ৰণেতা সকলে সংবিধান ৰচনা কৰা সময়তেই শিক্ষাক অগ্ৰাধিকাৰৰ ভিত্তিত সংবিধান গ্ৰহণৰ সময়ৰ (১৯৫০ চন) পৰা ১০ বছৰৰ ভিতৰত ১৪ বছৰৰ তলৰ প্ৰতিজন শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি সংবিধানত লিপিবদ্ধ কৰিছিল। কিন্তু আজি স্বাধীনতাৰ ৫৯ বছৰ পাৰ হোৱাৰ পিছতো আমাৰ দেশত ৪৮% মানুহ নিৰক্ষৰ হৈ আছে।

স্বাধীনতাৰ পিছত জাতীয় শিক্ষা নীতি নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যে তিনিটাকৈ শিক্ষা আয়োগ গঠন কৰিছিল। ৰাধাকৃষ্ণণ, মুদালিয়াৰ আৰু কোঠাৰী আয়োগৰ উপৰিও উচ্চ শিক্ষাৰ ক্ষেত্ৰত গজেন্দ্ৰ গড়কাৰ কমিটি গঠন কৰা হৈছিল।

অন্যান্য পৰামৰ্শৰ লগতে কোঠাৰী আয়োগে শিক্ষাৰ শিতানত বাজেটৰ ১০% ব্যয় নিৰ্দ্ধাৰণ কৰাৰ পৰামৰ্শ দিছিল। কিন্তু ভাৰত চৰকাৰে এই পৰামৰ্শলৈ কৰ্ণপাত নকৰিলে। প্ৰথম পৰিকল্পনাত মুঠ জাতীয় ব্যয়ৰ ৭.২%, ষষ্ঠ পৰিকল্পনাত ২.৬%, অষ্টম পৰিকল্পনাত ১% তকৈ অলপ বেছি শিক্ষা শিতানত খৰচ কৰিছিল। দেৱগৌড়া চৰকাৰে বাজেটত শিক্ষা শিতানত (১৯৯৬-৯৭) ব্যয় ২% তকৈ কিছু বেছি ধাৰ্য্য কৰিছিল। যি সময়ত নাইজেৰিয়া, ঘানা, চিলি, মৰক্কো, কলম্বিয়া, ফিনল্যাণ্ড, মালয়েছিয়া, মেক্সিকো, থাইলেণ্ড, উগাণ্ডা প্ৰভৃতি তৃতীয় বিশ্বৰ দেশে জাতীয় ব্যয়ৰ ১৭-২০ শতাংশ শিক্ষা শিতানত ব্যয় কৰে। সেই সময়ত ভাৰত চৰকাৰে বাজেটৰ ১ - ২ শতাংশৰ ওচৰা-ওচৰি ব্যয় কৰে। (UNESCO Report)

গতিকে চৰকাৰৰ এনে শিক্ষা নীতি আৰু জনবিৰোধী নীতি প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰাব লাগিব। সেয়েহে এতিয়া প্ৰয়োজন হৈছে ভাৰতবৰ্ষৰ গণতান্ত্ৰিক, প্ৰগতিশীল আৰু সমূহ দেশ প্ৰেমীক আৰু ছাত্ৰ-শিক্ষক ঐক্যবদ্ধ হৈ তীব্ৰতৰ প্ৰতিবাদ কৰাৰ। সেয়েহে, আহক, আমি সকলোৱে চৰকাৰৰ এনে হঠকাৰী অৱস্থান আৰু সিদ্ধান্তৰ বিৰুদ্ধে শিক্ষা সংকোচন নীতি আৰু ব্যক্তিগতকৰণ কৰাৰ ষড়যন্ত্ৰ প্ৰতিহত কৰিবলৈ ঐক্যবদ্ধ তীব্ৰতৰ আন্দোলন গঢ়ি তোলো। ❑❑

**সহায়ক গ্ৰন্থ ঃ**

১। স্মৰণিকা (ভাৰতৰ ছাত্ৰ ফেডাৰেছনৰ জিলা দ্বাদশ সন্মিলন)।
২। শিক্ষা সমাজ সংগ্ৰাম— ড° আব্দুল মান্নান।
৩। ছাত্ৰশক্তি (ভাৰতৰ ছাত্ৰ ফেডাৰেছনৰ ৰাজ্যিক মুখপত্ৰ)।



MOHAN LAL CHOUDHURY LIBRARY :

# সন্ত্ৰাসবাদ ঃ বৰ্তমান ৰাষ্ট্ৰৰ প্ৰতি ভাবুকি

◆ টুটু চৌধুৰী
স্নাতক ২ য় বৰ্ষ

সন্ত্ৰাসবাদী বুলিলে সাধাৰণতে দেশৰ প্ৰচলিত আইনৰ বিৰুদ্ধে কিছুমান যুৱক-যুৱতীয়ে হাতত অস্ত্ৰ লৈ সমাজৰ মূল সুঁতিৰ পৰা আঁতৰি থাকি অজ্ঞাত অৱস্থাত চৰকাৰৰ বিৰুদ্ধে নাইবা জনসাধাৰণৰ বিৰুদ্ধে কিছুমান কূটাঘাটমূলক কাম কৰি জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰাকে বুজায়।



বৰ্তমান পৃথিৱীত যিমানবোৰ সমস্যা আছে তাৰ ভিতৰত আটাইতকৈ ডাঙৰ সমস্যা হ'ল সন্ত্ৰাসবাদৰ সমস্যা। এই সন্ত্ৰাসবাদৰ সমস্যা অকল ভাৰতবৰ্ষ বা অসমতে নহয়, আন্তৰ্জাতিক পৰ্য্যায়তো এই সমস্যাই দেখা দিছে আৰু সেই হেতুকে এই সন্ত্ৰাসবাদী সমস্যাই ৰাষ্ট্ৰৰ প্ৰতি এক প্ৰধান ভাবুকিৰ সৃষ্টি কৰিছে। সন্ত্ৰাসবাদী বুলিলে সাধাৰণতে দেশৰ প্ৰচলিত আইনৰ বিৰুদ্ধে কিছুমান যুৱক-যুৱতীয়ে হাতত অস্ত্ৰ লৈ সমাজৰ মূল সুঁতিৰ পৰা আঁতৰি থাকি অজ্ঞাত অৱস্থাত চৰকাৰৰ বিৰুদ্ধে নাইবা জনসাধাৰণৰ বিৰুদ্ধে কিছুমান কূটাঘাটমূলক কাম কৰি জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰাকে বুজায়। এইখিনিতে প্ৰশ্ন হয় যে সন্ত্ৰাসবাদৰ সৃষ্টি কিয় হয়? আৰু এই সন্ত্ৰাসবাদী সকল কোন? তেওঁলোকে হাতত কিয় অস্ত্ৰ তুলি ল'লে? এই কথাযাৰ যদি বিশ্লেষণ কৰা হয় তেতিয়াহ'লে দেখা যায় যে এইটো এটা পোৱা-নোপোৱাৰ কাজিয়া। সাধাৰণতে দেখা যায় বৰ্তমান যুগত কিছুমান উচ্চ শিক্ষিত যুৱক-যুৱতীয়ে নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ নিজৰ প্ৰাপ্য অধিকাৰ আদায় কৰাৰ কাৰণে গণতান্ত্ৰিক আন্দোলনত ব্যৰ্থ হৈ সশস্ত্ৰ পন্থাৰে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ চৰকাৰৰ বিৰুদ্ধে কূটাঘাতমূলক কামত লিপ্ত হয়। তদুপৰি চৰকাৰৰ দ্বাৰা লাঞ্চিত, বঞ্চিত আৰু অপমানিত হৈ প্ৰতিশোধ লোৱাৰ উদ্দেশ্যে সন্ত্ৰাসৰ ৰাস্তা গ্ৰহণ কৰে। উদাহৰণ স্বৰূপে অল-কায়দা সন্ত্ৰাসবাদী সংগঠন আৰু কিছুমান সন্ত্ৰাসবাদীয়ে চৰকাৰৰ পৰা লাঞ্চিত আৰু বঞ্চিত হৈ সেই চৰকাৰৰ পৰা নিজৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব কাঢ়ি অনাৰ কাৰণে সন্ত্ৰাসবাদৰ আশ্ৰয় লয়। উদাহৰণ স্বৰূপে— পেলেষ্টাইনৰ সন্ত্ৰাসবাদী সংগঠন বা অসমৰ আলফা সংগঠন আদিৰ কথাও এইক্ষেত্ৰত উনুকিয়াব পাৰি। এতিয়া যিয়েই নহওঁক কিয় মুঠতে বৰ্তমান যুগত দেখা যায় যে পৃথিৱীৰ প্ৰায় প্ৰত্যেক দেশতে সন্ত্ৰাসবাদী সংগঠন আছে আৰু ইয়াৰ মূল কাৰণ হ'ল ৰাজনৈতিক। কিন্তু সন্ত্ৰাসবাদী সংগঠন বিলাকে যি কাম কৰে, সেয়া প্ৰায় ধ্বংসমূলক হোৱা দেখা যায়। উদাহৰণ স্বৰূপে আমেৰিকাৰ বিশ্ব বাণিজ্য কেন্দ্ৰ ধ্বংস। ঠিক সেইটোৱেই নহয় সন্ত্ৰাসবাদী সংগঠন বিলাকে চৰকাৰৰ বিৰুদ্ধে বা দেশৰ বিৰুদ্ধে যিবিলাক কাৰ্য্য সংগঠিত কৰে সেইবোৰ প্ৰায়ে ধ্বংসমূলক কাৰ্য্য কৰে। চৰকাৰে উন্নয়নমূলক কাম-কাজ বাদ দি কেৱল সন্ত্ৰাসবাদ দমনৰ নামত কোটি কোটি টকা খৰচ কৰিবলগীয়া হয়, যাৰ ফলত দেশৰ আৰ্থিক অৱস্থা তেনেই দুৰ্ব্বল হৈ পৰে। ইয়াৰ পৰা দেখা যায় যে, বৰ্তমান সন্ত্ৰাসবাদ ৰাষ্ট্ৰ গঠন বা ৰাষ্ট্ৰৰ উন্নয়নৰ প্ৰতি এক প্ৰধান ভাবুকি। ❑❑



MOHAN LAL CHOUDHURY LIBRARY :

# হস্ত শিল্প

MOHAN LAL CHOUDHURY LIBRARY :

# বিষণ্ণতাৰ স্তবক

◆ দীপামণি মেধি
প্ৰবক্তা, অসমীয়া বিভাগ

(১)
ঋতু আহে, ঋতু যায়
মাথোঁ বৈ যায় স্মৃতি,
হৃদয়ৰ মণিকোঠাত
পাহৰিব খুজিও
পাহৰিব পৰা যায় জানো?

(২)
ওখোৰা-মোখোৰা পদুলি
বাস্তৱৰ স'তে মুখা-মুখি।
কৰি যাওঁ কৰণীয়,
সময়ৰ বোকোচাত উঠি।

(৩)
নীৰৱ উচুপনিত থকা-সৰকা
হিয়াৰ ফুলনি,
লুণীয়া নৈৰ ঢলে বোৱাব নোৱাৰে
বিষণ্ণতাৰ বুৰ-বুৰণি।

(৪)
উভতি আহিব নোৱাৰো মই
তুমি যে আবৰি আছা মোৰ সমগ্ৰ সত্ত্বা
নীৰৱতাত, শূণ্যতাত, উশাহ-নিশাহত
এক অমল জলপ্ৰপাত হৈ ..........

(৫)
ক'ব নোৱাৰো ডেউকা ভঙা-চৰায়ে
আকাশলৈ কিয় চাই থাকে?
বাৰে বাৰে অনুৰাগে
কিয় পোখা মেলে?
কিয় দু-চকুৰ কেনভাচত প্ৰাণোচ্ছল হৈ উঠে ছবি?
জীৱন ছাগে এনেকুৱাই
যি এক প্ৰহেলিকাময় ........... ❑❑



# কিদৰে এৰি যাওঁ তোমাক

◆ মুন মুন বণিক
উঃ মাঃ ১ ম বৰ্ষ

কিদৰে এৰি যাওঁ তোমাক
এই বিশাল অৰণ্যত
য'ত তোমাৰ চকুৰ পানীত জী উঠিছিল
এজোপা সেউজীয়া গছ

আজি কিদৰে এৰি যাওঁ তোমাক
এই সৰাপাতৰ সাগৰত
হালধীয়া বৰষুণত

কিদৰে এৰি যাওঁ
মকৰাজালৰ সদৃশ সাঁথৰ এটাৰ দৰে
আঁত হেৰুওৱা জীৱনৰ
এই ধূসৰ কেঁকুৰিত

তোমাৰ বুকুৰ ফুলনিৰ ফুল চিঙি
কিদৰে পূজা কৰো কোনো পাষাণ প্ৰতিমাক
কিদৰে এৰি যাওঁ
তোমাৰ চকুৰ চাকি
ওঁঠৰ বাঁহী
মৃণ্ময় দুহাতৰ মমতাময়ী পৰশ,
কিদৰে এৰি যাওঁ
মোৰ চকুৰ পানী তোমাৰ দুহাতত
বিষাদৰ এজনী নীলা চৰাই
শুভ্ৰ পাহাৰৰ নামনিত
ফুলি উঠিছে যিপাহ ফুল
ইমান দূৰলৈ আহিলো
এতিয়া উভতো কেনেকৈ....... ❑❑



MOHAN LAL CHOUDHURY LIBRARY :



## তোমাক বিচাৰি

◆ ইন্তেকাব আলম আহমেদ
স্নাতক ১ ম বৰ্ষ

বাক্‌হীন মুহূৰ্তৰ স্বৰ্ণময় স্মৃতি গাথাঁবোৰ
কিদৰে পাহৰো বন্ধু ;
কেঁচা শোণিতেৰে কলিজাৰ কেনভাছত আঁকা আছে
এৰি অহা অতীত মাধুৰীবোৰ
স্তুপীকৃত মৰমৰ মিঠা বেদনাবোৰ,

নিঃসঙ্গতাৰ নিবিড় ক্ষণত
টোপা টোপে সৰি পৰে
দুচকুৰ ৰূপালী লহৰবোৰ,
নীড়হাৰা বিহঙ্গজনীয়ে
ধৰফৰাই উঠে .......
হেৰোৱা নীড় বিচাৰি ...... !!

মনৰ দাপোনত ধীৰে ধীৰে ভাঁহি উঠে
শান্ত-শুভ্ৰ এখনি চিনাকী মুখ.... !!!
মোৰ দুহাত প্ৰসাৰিত হয়
শূণ্যৰ মাজত
তোমাক বিচাৰি। ❑❑

## হৃদয়ত প্ৰেমৰ ফুল

◆ মিৰ্জা মাহি উদ্দীন
স্নাতক ৩ য় বৰ্ষ

বুকুৰ নিজানত এখন মৌচাক সাজিছোঁ
তোমাৰ প্ৰেম-প্ৰত্যয়ৰ ৰূপ-ৰঙেৰে

যদিও তুমি মোৰ বৃত্তৰ বাহিৰত
তথাপিও আনন্দিত বুকুৰ নিজানত
জকমকীয়া সজীৱ সপোনৰ
চিৰ জাগ্ৰত সহচৰ প্ৰহৰী মোৰ

পাহৰিম বুলিওতো পাহৰিব নোৱাৰি
সোণোৱালী অতীত স্মৃতি আৰু ভৱিষ্যতৰ সপোন

যেতিয়া মোৰ স্মৃতিৰ পৰা লাহে লাহে হেৰাই যাবা
তুমি হেৰাই যাবা মোৰ জীৱন একুৰিয়ামৰ পৰা
তথাপিও ফুলিব হৃদয়ত প্ৰেমৰ ফুল.....

সুখে-দুখে
হাঁহি কান্দোনৰ প্ৰতিটো পল অনুপলতে
তুমি মোৰ বুকুৰ নিজানত
আস্থাৰ প্ৰতীক ৰূপে
প্ৰেমৰ চিৰ ৰঙীন ফুল হৈ ফুলিবা
হৃদয়ত মোৰ জনমে জনমে...... ❑❑



MOHAN LAL CHOUDHURY LIBRARY :

# ভালপাও

◆ ৰুবী কৰ্মকাৰ
উঃ মাঃ ১ ম বৰ্ষ

ভালপাও ৰাতিপুৱাৰ সবিতা
এইবোৰ কথায়ে মোৰ কবিতা

ভালপাও সেউজীয়া গছৰ পাত
কুলিৰ গীত মাত
মৌ-মাখিৰ কথা
শীতল বতাহ
পৃথিৱীৰ মানুহ

ভালপাও কাননৰ ফুল
সমুদ্ৰৰ হিল্লোল
সিন্ধুৰ নীলা জলৰাশি
শূণ্যত উৰা পখী

ভালপাও পূৰ্ণিমাৰ ৰাতি
পৃথিৱীৰ গতি
মেঘৰ গজৰণি
তৰাৰ জিলিকণি

ভালপাও এই ধৰা
ভালপাও আকাশৰ চন্দ্ৰমা।

❑❑



# নৈ পৰীয়া দুখ

◆ ভাস্বতী পাঠক
উঃ মাঃ ১ ম বৰ্ষ

এদিনাখন সেই সুন্দৰ নৈৰ পাৰত বহি
আমি দুয়ো দুয়োকো
বহু সময় ধৰি চাই আছিলো।
সেই সুন্দৰ নৈত,
তুমি মোক চাইছিলা আৰু
মই তোমাক.........।
কিন্তু,
কিন্তু তেওঁলোকক কোনে চাব;
যি সকলৰ ৰঙীন সপোনবোৰ
এই সুন্দৰ নৈয়ে উটুৱাই লৈ গৈছে,
তেওঁলোকক কোনে চাব
যি সকলৰ পিন্ধিবলৈ কাপোৰ
খাবলৈ এমুঠি ভাত নোহোৱা হৈছে।
তেওঁলোকক কোনে চাব!
আহাচোন,
তুমি আৰু মই মিলি
সিহঁতক এবাৰ চাওঁ
হাত বুলাই দিওঁ
সিহঁতৰ সেউজীয়া হৃদয়ত.....❑❑



MOHAN LAL CHOUDHURY LIBRARY :



# প্ৰিয়তম

◆ স্বপ্নালী দাস
স্নাতক ১ ম বৰ্ষ

প্ৰিয়তম,
তুমি মোৰ জীৱনৰ
ধ্ৰুৱতৰা এটি
মোৰ এই ক্ষুদ্ৰতম
মন আকাশত।

তোমাৰ হিৰণ্ময়ী পোহৰেৰে মোক
দিবানে পোহৰাই
মোৰ জীৱনৰ
দুৰ্গম পথ ?

গুঠিছোঁ তোমাক লৈ
অলেখ কবিতাৰ মালা
ৰামধেনুৰ ৰঙেৰে আঁকিছোঁ
বৰ্ণনাতীত সপোনৰ আল্‌পনা......

নিষ্ঠুৰ ধুমুহাই যদি ভাঙে
সপোন মৰমৰ
সাজিম পুনৰ
তুমিযে মোৰ বুকুৰ আপোন

□□

# পান্থশাল

◆ আব্দুল হালিম
স্নাতক ২ য় বৰ্ষ

তোমাৰ পৰশ পোৱাৰ আগতে
ক'লি আছিলো
তোমাৰ পৰশ পাই
ফুলি উঠিলো
জীৱনৰ এই কেইটা বছৰ
তোমাৰ আশ্ৰয়ত কটালো
এই সময়তেই তোমাৰ পৰা বহুতো
অমূল্য উপহাৰ পালো
মোৰ দুখত দুখী হোৱা
মোৰ সুখত সুখ পোৱা
প্ৰকৃত বান্ধৱী মোৰ
যাৰ অবিহনে মই আধৰুৱা
কিন্তু, আজি সমাগত
আমাৰ আনন্দৰ বেলা
জীৱনৰ এই মেলা
তোমাৰ চৰণত মূৰ দোৱাইছো
মূৰ দাঙি চোৱা আদৰেৰে।
কোনেও কেতিয়াও হ'ব নোৱাৰে
তোমাৰ সমতুল্য
জীৱনে মৰণে সদায়ে কম
জয়তু জি. এল. চি. কলেজ।

□□



MOHAN LAL CHOUDHURY LIBRARY :

## শান্তিৰ প্ৰাৰ্থনা

◆ মণিশ্ৰী সাহা
উচ্চতৰ মাধ্যমিক ১ ম বৰ্ষ

ও মোৰ অসমী আই
তোমাৰ কোলাত আছো
আমি নানা ৰঙৰ ফুলৰ দৰে ফুলি
সকলোৱে থাকো সদায় মিলি জুলি।

এনেহেন আই আমাৰ
সুন্দৰৰ এক প্ৰতীক
আছে কত নদ-নদী আৰু বন-হাবি
তোমাৰ হিয়াৰ মৰম পাবলৈ কৰো যে দাবী

আই মোৰ শান্তিৰ দেবী—
জীৱন কৰিম' পাত তোমাক পূজি
তোমাৰ সু-সন্তান হয় যে বিষ্ণু-জ্যোতি
গালে যে কিমান গান শান্তিৰ শ্ৰুতি।

কিছু কিছু স্বাৰ্থপৰ ৰাজনৈতিক চতুৰ মানুহে
আনিলে তোমাৰ হৃদয়ত অশান্তি
ভাতৃঘাটি সংঘৰ্ষ আৰু ধৰ্মা-ধৰ্মৰ বিষ
ছটিয়াই দিলে ইমুৰৰ পৰা সিমূৰলৈ

হে মোৰ আইজনী কৰো আৰাধনা
কলিজাৰ তেজেৰে পূজি কৰিম চৰণ বন্দনা
ওভতাই আনা আই শান্তিৰ বতৰা
সংঘৰ্ষ আৰু সাম্প্ৰদায়িকতা তুমি আঁতৰোৱা

দুষ্ট, স্বাৰ্থপৰ, চতুৰ, ৰাজনৈতিক মানুহক
শান্তি দিয়া, শান্তি দিয়া, নকৰিবা ক্ষমা—
আমি তোমাৰ শান্তিকামী শান্ত-সন্তান
কৰো যে তোমাৰ প্ৰাৰ্থনা।

❑❑



## অব্যক্ত প্ৰেমৰ সপোন

◆ শান্তা সাহা
স্নাতক ২ য় বৰ্ষ

তোমাৰ ধ্বনি শুনিয়েই বুজিছিলো
তোমাৰ হৃদয়খন বৰ নিষ্ঠুৰ
হৃদয়ত সাঁচি থোৱা আছে এক .......
অতি ৰহস্যময় কথা।
এটুকুৰা বৰফৰ মাজত
পানী ঢালি দিলে
পানীবোৰ বৰফত পৰিণত হ'বনে?

নহয়, কেতিয়াও নহয়।
সেয়েহে বুজিছিলো তোমাৰ অভিমানৰ স্ফুটনাংক
তথাপিও অবুজ মনক বুজাইছোঁ
ৰসায়নৰ সকলো সূত্ৰ
হঠাৎ কেতিয়াবা মিছা বুলি প্ৰতিপন্ন হ'লেও
এই সূত্ৰটো কেতিয়াও মিছা নহয় যে—
'মই তোমাক ভালপাও'।

❑❑



MOHAN LAL CHOUDHURY LIBRARY :



## হেৰোৱা বাটৰ মাত

◆ অজিত শৰ্মা
উচ্চতৰ মাধ্যমিক ২ য় বৰ্ষ

মই ৰিং পঠাইছো দূৰলৈ
কেনেকৈ পাৰ হৈ আহিলো
এইখন ভৰা বাৰিষাৰ নৈ,
কাষে চাপি নাহিবি অ' নাৱৰীয়া
তোৰ দেহতো লাগি আছে
ইপাৰৰ দেওলগা ঘাটৰ মাত।

দুচকুত মাৰ গ'ল ঢৌৰ ধুমুহা
সন্মুখত বিস্তীৰ্ণ আলি চাপৰি
এতিয়াও চকুৰ পতাত ওলমি আছে
এখিলা ধুলিয়ৰি সেউজীয়া পাত
দুখোজ আগুৱাই এখোজ পিছুৱাই
মই কেনেকৈ গুচি যাওঁ
দূৰৰ পৰা ৰিণিকি ৰিণিকি ভাহি আহিছে
উৰি যোৱা এজাক কণিকাৰ মাত

ৰিং মাৰি নামাতিবি অ' মোক
মই পিছলৈয়ো যাব নোৱাৰো
আগলৈয়ো যাব নোৱাৰো
কাৰ হাত ধৰি আজুৰি আনো
মোৰ হেৰোৱা বাটৰ মাত।

□□



## বেদনা

◆ গুণজিৎ বৰ্মন
স্নাতক ২ য় বৰ্ষ

নীলা নীলা বেদনাই
উচুপে কিয় সঘনাই
মোৰ দুচকুৰ আঁৰত।

বিচাৰিলেই যে নহয়
আশাবোৰ পূৰণ
বিচাৰিলেই যে নাপায়
আকাশৰ জোন
সেয়াও জানো।

নাজানো মিছাতে কিয়
হাত মেলিছিলো
দূৰ আকাশলৈ
মৰমবোৰ গৰল হয় কেতিয়াবা,
আপোনেই ভাঙে সপোন মৰমৰ

নাজানো মিছাতে কিয়
সপোন দেখিছিলোঁ
স্বপ্ন ৰচিছিলোঁ
মন বননিত।

□□



MOHAN LAL CHOUDHURY LIBRARY :



## গণেশ লাল চৌধুৰী মহাবিদ্যালয়

◆ **ৰকিবুল ইছলাম**
স্নাতক ২ য় বৰ্ষ

হে গণেশ লাল চৌধুৰী মহাবিদ্যালয়
তোমাক শত নমস্কাৰ
যুগে যুগে তুমি আমাৰ
জ্ঞানৰ আলয়।
ইয়াতেই লভিম বহু অভিজ্ঞতা
খুলিম দুৱাৰ মানৱতাৰ।
তোমাৰ কোলাত আমি ভেদাভেদ পাহৰি
হিন্দু, মুছলমান, জৈন, খ্ৰীষ্টান
সকলোৱে নতুন জ্ঞানৰ সন্ধানী।
তোমাৰ পোহৰৰ উলাহতে আমি
গীত গাওঁ মহামিলনৰ।
পিন্ধাইছা তুমিয়ে আমাক
জ্ঞান মুকুতাৰ মালা
হে গণেশ লাল চৌধুৰী মহাবিদ্যালয়
তোমাক হাজাৰ হাজাৰ প্ৰণাম।

❑❑

## বৰষুণ

◆ **জগন্নাথ পাল**
স্নাতক ২ য় বৰ্ষ

নীল আকাশত থাকা তুমি
ডাৱৰ ৰূপেৰে বৈ,
পৃথিৱীৰ বুকুলৈ আহা তুমি
বৰষুণ হৈ।

সেউজীয়া বনত লাগি থাকা তুমি
চিক্‌মিক্ মণি হৈ,
তুমি আহি উপচাই পেলোৱা
শুকাই যোৱা নৈ।

তুমি আহি শুকাই যোৱা গছ-লতালৈ
আনা নতুন প্ৰাণ,
তাত পৰি চৰাই-চিৰিকটিয়ে
গায় মধুৰ গান।



❑❑

## গণেশ লাল চৌধুৰী

◆ **প্ৰীতি ৰেখা দাস**
স্নাতক ২ য় বৰ্ষ

অসীম আশাৰ পাহি মেলি
আহিছো মই তোমাৰ কোলালৈ
তুমি হয়তো ৰত্নগৰ্ভা
প্ৰতিবছৰে জন্ম দিয়া,
বহু ৰত্ন, বহু সম্পদ
জ্ঞানৰ বন্তি জ্বলাই
পোহৰৰ শিখা হৈ
আছা তুমি
বৰপেটাৰোডৰ মাজ মজিয়াত চিৰযুগমীয়া হৈ
আহিছো তোমাৰ কোলালৈ
জীৱনৰ বাট পোহৰাবলৈ।

❑❑



MOHAN LAL CHOUDHURY LIBRARY :




MOHAN LAL CHOUDHURY LIBRARY :

# দ্ৰোণ পৰ্ব

◆ হেমন্ত কুমাৰ দাস
প্ৰবক্তা, অসমীয়া বিভাগ

অনুৰাগ অৰ্জুন কেইটামান দিন ধৰি ভীষণ ব্যস্ত হৈ আছে। বাতৰি কাকতৰ মানুহ এনেয়ে ব্যস্ত, তাতে আৰু দেশৰ প্ৰশাসন সোপাচিলা হ'লে সাংবাদিক গোষ্ঠী হ'ব লাগে দেশৰ অতন্ত্ৰ প্ৰহৰী। বাৰিষা অহাৰ আগতে কৃষকৰ খেতি চপোৱাৰ যি ব্যস্ততা সেই একে ব্যস্ততা অনুৰাগ অৰ্জুনৰ। নহ'লে যে কালৰ সংহাৰী বানে এফালৰ পৰা মহতীয়াই লৈ যাব দেশৰ মানুহৰ সপোনৰ শইচ।

বাতৰিটো পোৱাৰ লগে লগে অনুৰাগ অৰ্জুনৰ কপালত সৰস্বতীদেৱীৰ বীণাৰ তাঁৰ কেইডালে যেন থুপ খালে। ক্ৰমশ সি জড় পদাৰ্থৰ দৰে ভাৱলেশহীন মানুহলৈ ৰূপান্তৰিত হ'ল। সহকৰ্মী আক্ৰাম আলী হাজৰিকাই নতুন বাতৰিটো আনি দিয়াৰ সময়ত সি ৰাজধানীৰ বোমা বিস্ফোৰণক কেন্দ্ৰ কৰি ব্যস্ত আছিল। হঠাতে নিজৰ জন্মস্থানৰ হজম কৰিব নোৱাৰা বাতৰি পাই অনুৰাগ অৰ্জুন খুব বিচলিত হ'ল। আৰ-ডি-এক্স বিহীন বাকবোমায়ো যে এখন বিলাসী ঘৰ নিমিষৰ ভিতৰতে ধ্বংসস্তুপত পৰিণত কৰিব পাৰে অনুৰাগৰ সেয়া চিন্তাৰ বাহিৰত। বিশ্বত ঘটি থকা ট্ৰেজেদি সমূহৰ ভিতৰত ইও এক অন্য ট্ৰেজেদি।



অনুৰাগ অৰ্জুন— সংবাদ জগতৰ এক চিনাকি নাম। বৰ্তমান তেওঁ এজন দেশৰ ভিতৰতে প্ৰতিষ্ঠিত সাংবাদিক যিয়ে সৰ্বাধিক প্ৰচলিত দৈনিক কাকতখনৰ কাৰ্য্যবাহী সম্পাদকৰ দায়িত্ব পালন কৰি আছে। সত্যনিষ্ঠ আৰু প্ৰমাণ সাপেক্ষে বাতৰি পৰিৱেশনত তেওঁৰ নাম আছে। বিচক্ষণ, বুদ্ধিমত্তা আৰু গাম্ভীৰ সদৃশ কলমটোৰ বাবে তেওঁ মূৰ দাঙি জীয়াই আছে সম্ৰাটৰ দৰে। চৰকাৰ যন্ত্ৰৰ হাজাৰ প্ৰলোভন আৰু কৰ্ণ-দুৰ্যোধন-অশ্বত্থামাৰ আগ্নেয় অস্ত্ৰয়ো তেওঁক ভূলুণ্ঠিত কৰিব পৰা নাই।

মানুহে সঁচাকৈয়ে পৰিস্থিতিৰ দাস। মানুহৰ জীৱন সাগৰত থকা এখন টুলুঙা নাও মাথোন। নদীত সোঁতৰ বিপৰীতে বিচৰণ কৰিব পাৰি, কিন্তু সাগৰত তেনে কৰাটো মুৰ্খৰ বিলাস মাত্ৰ। সেয়ে অনুৰাগ সোঁতৰ বিপৰীতে যাব বিচৰা নাই। পৰিস্থিতিৰ দাসত্ব মানি লৈ তেওঁ এজন সাংবাদিক হ'ল। অথচ তেওঁৰ লক্ষ্য আছিল অধ্যাপক তথা পদাৰ্থ বিজ্ঞানী হোৱা। ৰজা হওঁ বুলিয়েতো ৰজা হ'ব নোৱাৰি। বিজ্ঞানৰ ছাত্ৰ হ'লেও সি সাহিত্য সৃষ্টিত হাত দিছিল। সেই সূত্ৰে সাহিত্যিকৰ ৰম্যভূমিত উপস্থিত হ'ল।

অনুৰাগ পলায়নবাদী অথবা নিৰাশাবাদী কেতিয়াও নাছিল। কিন্তু তাৰ জীৱনৰ প্ৰতিকূল সময়খিনিত সি নিজকে পলুৱাই ৰাখিব বিচাৰিছিল। দিল্লী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত সুখ্যাতিৰে এম, এছ, চি, পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতো সি কৰ্মসংস্থান বিচাৰি দিশ শূণ্য হৈ পৰিছিল, তেতিয়া তাৰ বাবে প্ৰিয় হৈ উঠিছিল স্বনিৰ্বাসন। সেই সময়ত তাৰ মগজু খুলি খুলি খাই পেলাইছিল বিভিন্ন চিন্তাই। কৰ্মহীন মানুহক চিন্তাই সহজতে আক্ৰমণ কৰাৰ সুবিধা পায়। পৰিচ্ছন্ন আৰু শৃংখলিত ভাবে চিন্তা কৰিব নাজানিলেই জীৱন হৈ পৰে দুৰ্বিষহ। ইচ্ছা কৰা হ'লে কোনো উগ্ৰ জাতীয়তাবাদী শিবিৰত যোগ দি সমাজলৈ ধ্বংস মাতি অনা পাশুপাত অস্ত্ৰ হ'ব পাৰিলেহেঁতেন। দেশৰ চিষ্টেমৰ বিৰুদ্ধাচৰণ কৰাৰ ই এক সহজলভ্য পথ আছিল। কিন্তু অনুৰাগে



MOHAN LAL CHOUDHURY LIBRARY :

জানে বিপ্লৱৰ পৰিসৰ কিমান ব্যাপক! বিপ্লৱৰ পৰিসৰৰ বিশালতা সি অনুমান কৰিব পাৰে বাবেই সি বিপ্লৱ কৰিব নোৱাৰে। আকৌ মাটি, মানুহ, ফল আৰু ফুলৰ প্ৰেমিক হৈ মৰণাস্ত্ৰ হাতত লোৱা কথাটো অনুৰাগৰ চিন্তাৰ বাহিৰত।

উচ্চ শিক্ষিত অনুৰাগ কৰ্মহীন, কৰ্মৰ সন্ধান কৰাটোৱে তাৰ একমাত্ৰ কাম হৈ পৰিছে। অথচ অল্প শিক্ষাৰে শিক্ষিত তাৰ বাল্য বন্ধুবোৰে ব্যৱসায়, ঠিকা-ঠুকলি কৰি স্বচ্ছলভাৱে জীৱন-যাপন কৰি আছে। ইফালে অৱসৰপ্ৰাপ্ত শিক্ষক পিতৃৰ জোৰা-টাপলি মৰা সংসাৰখনলৈ চাব নোৱাৰা হৈ আহিছে। টাপলি মাৰোতে মাৰোতে ঘৰখনৰ প্ৰকৃত ৰূপ নোহোৱা হ'ল। প্ৰকৃত ৰূপ কেনে আছিল, সি মনত পেলাবলৈ চেষ্টা কৰিলে। এদিন হঠাতে পদাৰ্থ বিজ্ঞানৰ কিতাপবোৰ বুকষ্টল এখনত বিক্ৰী কৰি দিলে। বৃদ্ধ পিতৃৰ বোজা হ'ব নিবিচাৰি সি এদিন উপস্থিত হ'ল সখিয়েক পৰাগ কৃষ্ণ দেৱশৰ্মাৰ চেম্বাৰত—

ঃ সখি তই? হঠাৎ? ফোন এটা কৰি জনাব নোৱাৰিলি?

— উকীলৰ দৰে একেলেথাৰিতে বহুকেইটা প্ৰশ্ন কৰি কৰি পৰাগে অনুৰাগক ব্যতিব্যস্ত কৰি তুলিলে। সখিয়েকৰ প্ৰশ্নৰ কোনো উত্তৰ নিদিয়াকৈ অনুৰাগে চেম্বাৰৰ চাৰিওপিনে চকু ফুৰাই ল'লে। তাৰ পিছত দেৱালত আঁৰি থোৱা অয়ল পেইণ্টিংখনত চকু থৈ ক'লে—

ঃ হঠাৎ তোৰ ওচৰলৈ আহিব লগা হ'ল সখি। দেউতাৰ কৰুণ মুখখন চাই থাকিব নোৱাৰি ইয়ালৈ গুচি আহিলোঁ। ডিগ্ৰী আৰু চাৰ্টিফিকেটবোৰ অচল মুদ্ৰাত পৰিণত হোৱাত সাহিত্য আৰু কলমটোৰ কান্ধত উঠি জীৱন-নিৰ্বাহৰ সংস্থাপন বিচাৰিব লাগিব।

ঃ ভালেই হ'ল দে। হস্পিতালত ঔষধৰ গোন্ধৰ মাজত থাকি আমনি লাগিছে। এতিয়া ইচ্ছা গ'লেই কংক্ৰিট অৰণ্যৰ পৰা আঁতৰি গৈ তোৰ বুকুৰ মাজত থকা সেউজীয়া উপত্যকাৰ সুবাস ল'ব পাৰিম।

— দ্বাপৰৰ কৃষ্ণ আৰু অৰ্জুন কলিত যেন পৰাগ-অনুৰাগ। বাল্য জীৱনৰ একান্ত বন্ধুত্বৰ বাবে দুয়োকে সখি পাতি দিয়া হৈছিল। সখিত্বৰ বান্ধোন সুদৃঢ় কৰিবলৈ সিঁহতে নিজৰ নামত লগাই লৈছিল কৃষ্ণ আৰু অৰ্জুন, মহাভাৰতৰ বিশেষ্য পদ দুটি। তেতিয়াৰে পৰা পৰাগ কৃষ্ণ দেৱ শৰ্মা আৰু অনুৰাগ অৰ্জুন মহন্ত— দুয়ো দুয়োৰে হৈছিল বিশ্বাসী সাৰথি। কিন্তু পৰাগে ডাক্তৰী পঢ়িবলৈ ডিব্ৰুগড়লৈ যোৱাৰ পিছত অনুৰাগে সাংঘাতিক ধৰণে আকোঁৱালি ল'ব লগা হৈছিল একাকীত্বক। একাকীত্বে সৃষ্টি হোৱা শূণ্যতা অনুৰাধায়ো পূৰণ কৰিব পৰা নাছিল। কৃষ্ণই মথুৰালৈ যোৱাৰ পিছত বৃন্দাবনবাসীৰ যি অৱস্থা হৈছিল, সেই একেই অৱস্থা হৈছিল অনুৰাগৰ। পৰাগ বিহীনতাই সৃষ্টি কৰা বিৰাট শূণ্যতা দূৰ কৰিবলৈ অনুৰাগৰ দুহাত প্ৰসাৰী গৈছিল সাহিত্যৰ বুকুলৈ। এবাৰ সামান্য শূণ্য এটা এটা সৃষ্টি হ'লে সেই শূণ্যই প্ৰসাৰতা লাভ কৰি বিশাল শূণ্যতাৰ সৃষ্টি কৰে। এই গভীৰ শূণ্যতা হৃদয়ত আঁকি অনুৰাগ গুচি গৈছিল দিল্লী বিশ্ববিদ্যালয়লৈ— এক উজ্জ্বল ভৱিষ্যতৰ সপোন সাৰটি। অনুৰাগৰ সেই স্বপ্ন পূৰণ হোৱাৰ বাবে অনুৰাধাই যাচিছিল নিঃস্বাৰ্থ শুভেচ্ছা। এই শুভেচ্ছা আৰু তাৰ অধ্যাৱসায়ে তাক আনি দিছিল স্নাতকোত্তৰ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানৰ স্বৰ্ণ পদক— জীৱন উজ্জলময় হোৱাৰ প্ৰথম খোজ। তাৰ পি, এইচ, ডি, কৰাৰ আকাংক্ষা আছিল যদিও পিতৃ গৌৰীকান্ত মহন্ত চাকৰিৰ পৰা অৱসৰ লোৱাত ঘৰৰ ল'ৰা ঘৰলৈ উভতি আহিল। শিক্ষক পিতৃৰ পেঞ্চনৰ ন্যূনতম টকাৰে ঘৰ নচলা হ'ল। লাহে লাহে ঘৰখন ঋণত পোত যোৱাৰ উপক্ৰম হ'ল। সেই সময়তে সি পঢ়া মহাবিদ্যালয়খনত পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তা বিচাৰি বিজ্ঞাপন ওলাল। অনুৰাগে যেন হাততে স্বৰ্গ ঢুকি পালে। অধ্যক্ষ ড° ৰবেন চক্ৰৱৰ্ত্তীয়ে তাক আশ্বাস এটি দিছিল। অনুৰাগে যি স্বৰ্গৰ কল্পনা কৰিছিল, দৰাচলতে সি আছিল মৰুভূমিৰ চিক্‌মিক মৰিচিকাহে।

অনুৰাগ হতাশ হ'ল। মানুহে হতাশ হ'লে চিন্তা শক্তি হ্ৰাস পায়, বুদ্ধি বিলোপ হয়। হতাশাগ্ৰস্ত মানুহৰ কথা আৰু কামৰ বিৰোধ ঘটে। প্ৰায়ভাগ ক্ষেত্ৰতে কথা আৰু কাম পৰস্পৰৰ পৰিপন্থী হয়। হতাশাৰ প্ৰকোপ বৃদ্ধি হ'লে মানুহ উন্মাদ হৈ পৰে। অনুৰাগৰ জীৱনও এনে এক স্তৰলৈ গতি কৰিছিল। উন্মাদ প্ৰবণ হৈ সি আত্মহত্যা কৰাৰ কথাও চিন্তা কৰিছিল। জীয়াই থাকিয়েইবা সি কৰিব কি— অনুৰাগে ভাবি পোৱা নাছিল। ঘৰখনেই নচলা হৈ আহিছে, তেনেস্থলত চাকৰি কিনি জীৱন-নিৰ্বাহ কৰাৰ বিলাস অনুৰাগে কৰিব নোৱাৰে। একমাত্ৰ পিতৃ-মাতৃ আৰু ভনীয়েক দুজনীৰ কথা চিন্তা কৰি সি আত্মহত্যা নামৰ ষ্টেচনৰ পৰা উভতি আহিল।

অনুৰাগ অস্বাভাৱিক ধৰণে সলনি হ'ল। থিক যেন অনুৰাগ-অৰ্জুনে ইচ্ছাকৃতভাৱে বনবাস ল'লে। আজি অনুৰাগ অৰ্জুনে যিমান সলনি হ'ল মহাকাব্যৰ বনবাসী অৰ্জুনো কিজানি সিমান সলনি হোৱা নাছিল। সমুখ সমৰত হেলাৰঙে ৰণজয় কৰিব পৰা অনুৰাগে নিৰ্বাক, নিস্তব্ধ হ'ল। মহাভাৰতৰ অৰ্জুনেতো মহাবীৰৰ দৰে সুভদ্ৰাক হৰণ কৰি বিয়া কৰাব পাৰিছিল! কিন্তু আজি সি ভয়াতুৰ। এক অবুজ ভয়ে তাক যেন দংশন কৰিছে প্ৰতি নিয়ত। জীৱনলৈ নামি অহা প্ৰচ্ছন্ন ভয়টোৱে তাক অস্থিৰ কৰি তুলিছে, প্ৰতি পদক্ষেপ ভীতি-বিহ্বলতাৰে অতিক্ৰম কৰিব লগা হৈছে। সি যেন অৰ্জুন নামৰ কলংক। সেয়ে প্ৰচণ্ড আৰ্থিক নিৰাপত্তাহীনতাত ভুগি সি তাৰ একমাত্ৰ অনুপ্ৰেৰণাৰ থলী প্ৰেয়সী অনুৰাধাক জীৱন সহচৰী কৰাৰ অপৰগতা প্ৰকাশ কৰি কৈছে— 'বিদায় অনুৰাধা! বিদায়!'

ঃ ক্ৰিং ক্ৰিং ক্ৰিং .......

— হঠাতে টেলিফোনটো বাজি উঠাত অনুৰাগ অৰ্জুনৰ ইমান সময়ে দেখি থকা দিব্যস্বপ্ন চূৰ্ণীকৃত হ'ল। এটা দীঘল হুমুনিয়াহ কাঢ়ি সি



MOHAN LAL CHOUDHURY LIBRARY :

অতীত সপোনবোৰ সযতনে তাৰ সপোনৰ তাজমহলত থৈ দিলে। এই সপোনবোৰেই তাৰ এতিয়া চালিকা শক্তি। তাৰ ঘৰৰ ভোগ-বিলাসৰ সামগ্ৰীৰ মাজত যাতে অতীত সপোনবোৰ এবচাৰ্ড পেইণ্টিং হৈ নাযায় তাৰ বাবে সি সক্ষম হৈ থাকে। কিয়নো অনুৰাগ অৰ্জুনৰ বৰ্তমান একোৰে অভাব নাই। ভনীয়েক দুজনীকো সু-পাত্ৰত গোটাব পাৰিছে, পিতৃ-মাতৃয়েও তাৰ সাংবাদিক জীৱনৰ বদান্যতাত জীৱন নিৰ্বাহ কৰিব পাৰিছে।

ক্ৰিং ক্ৰিংকৈ তেতিয়াৰে ফোনটো বাজিয়েই আছে। ক্ৰেদেলডাল দাঙি ল'বলৈ অনুৰাগৰ অকণমান ভয় লাগিছে। কিজানি ফোনটোৱে আকৌ কিবা দুঃসংবাদ কঢ়িয়াই আনিছেই। ধৰো-নধৰো কৰি উদে মাছ ধৰাৰ লেখিয়াকৈ সি থাপ মাৰি ক্ৰেদেলডাল ধৰি ক'লে—

ঃ হেল্লো। অনুৰাগ অৰ্জুন ইজ স্পিকিং হীয়েৰ .......

ঃ সখি, মই পৰাগ কৃষ্ণ।

ঃ উহ্ ৰক্ষা। মই আকৌ কোনোবা সাংবাদিকে বোমা বিস্ফোৰণ, হত্যা-লীলা, পুৰুষৰ দ্বাৰা নাৰী উৎপীড়ন আদি খবৰ দিব বুলিহে ভয় খাইছিলোঁ।

অনুৰাগে স্বস্তিৰে নিশ্বাস এটি কাঢ়ি লৈ ক'লে— এমাহমান ধৰি সমগ্ৰ অসমৰ আকাশ-বতাহ বোমা-বাৰুদৰ ধোঁৱাত ধূসৰিত হৈ আছে। আনকি ৰাজ্যৰ ৰাজধানীও সেই বাৰুদৰ গোন্ধৰ পৰা পৰিত্ৰাণ পোৱা নাই। তেতিয়া ফোনৰ সিটো মূৰৰ পৰা পৰাগে ক'লে—

ঃ সখি তই আধাঘণ্টাৰ ভিতৰত আমাৰ নাৰ্ছিংহোমলৈ আহিব লাগে। জৰুৰী কথা........

ঃ কি জৰুৰী কথা নোকোৱা কিয়?

— অনুৰাগৰ প্ৰশ্নত পৰাগে মাথোঁ ক'লে—

ঃ পুৰুষৰ দ্বাৰা পুৰুষ নিৰ্যাতন। ইয়ালৈ আহিলে সকলো গম পাবি।

— খৰধৰকৈ কথাখিনি কৈ পৰাগে ফোনৰ সংযোগ বিচ্ছিন্ন কৰি দিলে।

সখিয়েক পৰাগকৃষ্ণৰ কথাই অনুৰাগক আকৌ চিন্তাৰ সাগৰত পেলালে। পৰাগে তাৰ সাংবাদিকতাত মাজে সময়ে ইন্ধন যোগাই আহিছে। এক কথাত ক'বলৈ হ'লে ডাঃ পৰাগ কৃষ্ণ, অনুৰাগ অৰ্জুনৰ ভাল ইন্‌ফৰমাৰ। ইতিমধ্যে বহু বাতৰিৰ অনুসন্ধানত সি তাক নাৰ্ছিংহোমৰ পৰাই সহায় কৰিছে। সি কলমটো কামিজৰ জেপত ভৰাই যাবলৈ ওলাল। তেনেতে টেলিফোনটো আকৌ বাজি উঠিল। বিলম্ব নকৰি ফোনটো দাঙি লোৱাৰ লগে লগে সিমূৰৰ পৰা আক্ৰামে ক'লে—

ঃ দাদা, ৰাজধানীৰ বোমা বিস্ফোৰণ সম্পৰ্কত কিছু তথ্য গোটাইছোঁ। আপুনি কৰা অনুমানটো অমূলক নহয় যেন লাগে। বৰ্তমান মই মেডিকেল কলেজত আছো। আপুনি এবাৰ বোমা বিস্ফোৰিত হোৱা ঠাইখন অধ্যয়ন কৰিব।

— অনুৰাগ অৰ্জুনে ফোনৰ সংযোগ কাটি দি নাৰ্ছিংহোম 'লাইভ'লৈ অগ্ৰসৰ হ'ল।

অনুৰাগৰ 'প্ৰেছ' বুলি লিখা থকা জীপ্‌চি গাড়ীখন ড্ৰাইভাৰে ষ্টাৰ্ট দিলে। তাৰ মনলৈ বিভিন্ন ছবি অহা-যোৱা কৰিব ধৰিছে। এই মুহূৰ্তত কোনো এখন ছবিকে অধ্যয়ন কৰিব পৰা নাই। আচলতে এখন ছবিক কেন্দ্ৰ কৰিয়েই আন ছবি সমূহে অগা-ডেৱা কৰিছে। তাৰ মানস পটত অংকিত ছবিখন অনুৰাগে পাহৰিব বিচাৰিও পাহৰিব পৰা নাই। এক অনামী অঘৈয়া হ'লে যেন ছবিখন তাৰ মন গহণত বিন্ধাই থৈছে।

অনুৰাগৰ জীপ্‌চিখন কেতিয়া নাৰ্ছিংহোমৰ কেম্পাছত সোমাল সি গমেই নাপালে। সি গাড়ীৰ পৰা নামি পোনে পোনে ডাঃ পৰাগ কৃষ্ণৰ চেম্বাৰত সোমাল। নাৰ্ছ এগৰাকীয়ে তাক বহিবলৈ দি জনালে যে ডাঃ শৰ্মা আই, চি, ইউ,ত আছে। তেতিয়া অনুৰাগে হাত ঘড়ীলৈ দৃষ্টি দিলে। সখিয়েকে দিয়া সময় আধাঘণ্টা হ'বলৈ আৰু পাঁচ মিনিট বাকী। অনুৰাগে অলসভাৱে গাটো চকীখনত এৰি দিলে। সখিয়েকৰ জৰুৰী কথাটো শুনিবলৈ সি নিজকে সক্ষম কৰি ল'লে যাতে কোনো কথাই তাক দুৰ্বল কৰিব নোৱাৰে।

অনুৰাগে টেবুলৰ ওপৰত থকা মেডিকোজ ৰিভিউ নামৰ আলোচনীখনৰ পাত লুটিয়াবলৈ ধৰিলে। আলোচনীখনৰ এটা পৃষ্ঠাত তাৰ দৃষ্টি স্থিৰ হ'ল। লগে লগে 'চেনাইল ডিমেনচিয়া' ৰোগ সম্পৰ্কে থকা নিবন্ধটো পঢ়িবলৈ ধৰিলে। খুব মনোযোগেৰে সি লেখনিটো পঢ়ি এটি দীঘল হুমুনিয়াহ এৰিলে। তাৰ হৃদয়ৰ মনিটৰৰ পৰা ওলাই আহিল বৃদ্ধ পিতৃৰ ছবিখন যিখন ছবিক পিষ্ট কৰিছে এই ৰোগটোৱে। 'অন্তৰাগ' উপন্যাসৰ দিলীপৰ দেউতাকে অনুৰাগৰ অন্তৰত যিমান বেথা দিছিল তাতকৈ আজি সি বেছি ব্যথিত হৈ পৰিছে দেউতাকৰ বাবে। দুকুৰি দুটা বসন্তৰ দেওনা গৰকা অবিবাহিত একমাত্ৰ পুত্ৰৰ বাবেই যে গৌৰীকান্ত মহন্ত চেনাইল ডিমেনচিয়াত আক্ৰান্ত, সি সেই কথা বুজে। দিলীপৰ দেউতাকৰ দৰে যেন তাৰ দেউতাকৰ অৱস্থা নহয় তাৰ বাবে সি যত্ন ল'ব, সি দেউতাকৰ মনৰ আনন্দ ঘূৰাই আনিবলৈ দেউতাকৰ কথামতে সকলো কৰিব বুলি বদ্ধপৰিকৰ হ'ল। অনুৰাগে চকুৰ চচ্‌মাযোৰ টেবুলত খুলি থৈ দুহাতৰ তলুৱাৰে চকু দুটা পিহি আকৌ চচ্‌মাযোৰ পিন্ধি ল'লে।

আবেলি তিনি বাজি পঞ্চাশ মিনিট গৈছে। তাৰমানে নিৰ্দ্ধাৰিত সময়তকৈ বিশ মিনিট বেছি পাৰ হ'ল। অনুৰাগ চকীৰ পৰা উঠি ইণ্টেনচিভ কেয়াৰ ইউনিটৰ ফালে অগ্ৰসৰ হ'ল। আইনাৰ কোঠাটোৰ বাহিৰত সি ৰৈ দিলে। স্বচ্ছ আইনাৰে সি দৃষ্টি দি দেখিলে ডাঃ পৰাগ কৃষ্ণ এজন ৰোগীৰ ওচৰত উৎকণ্ঠিত হৈ ৰৈ আছে। মাজে মাজে



MOHAN LAL CHOUDHURY LIBRARY :

তাৰ লগত থকা ডাক্তৰ দুজনক আঙুলিৰে কিবা নিৰ্দ্দেশ দিলে। এজনী সৰগৰ অপ্সৰা সদৃশ নাৰ্ছ সেই সময়ত কোঠাটোৰ দুৱাৰ ঠেলি ভিতৰলৈ যাব ওলাইছে। দুৱাৰখনলৈ পৰাগে মূৰ দাঙি চোৱাত বাহিৰত ৰৈ থকা অনুৰাগক দেখিলে। সি তাক হাতৰ ইগিংতেৰে ভিতৰলৈ মতাত অনুৰাগে জোটাযোৰ খুলি সন্তৰ্পণে প্ৰবেশ কৰিলে।

অনুৰাগৰ বুকুৰ কোনোবাখিনিত এটা যেন তীক্ষ্ণ বুলেট সোমাই গ'ল। সি মৃতপ্ৰায় অৱস্থাত পৰি থকা ৰোগীজনক দেখাৰ লগে লগে বিস্ময়ত হতবাক হ'ল। তাৰ কান্দি দিবৰ মন গ'ল। স্মৃতিৰ এলবামৰ ছবিৰ মানুহ এজন যেন তাৰ সন্মুখত সো-শৰীৰে ঠিয় দিছে। পৰাগে সখিয়েকৰ মানসিক অৱস্থা বুজি কান্ধত হাত এখন দিলে। অনুৰাগে সখিয়েকৰ মুখলৈ চালে। দুয়ো নিৰ্বাক হৈ কোঠাটোৰ পৰা ওলাই আহিল। শুই থকা ৰোগীজনে গমেই নাপালে যে তেওঁৰ কাষলৈ অনুৰাগ অৰ্জুন আহিছিল। অনুৰাগে দীঘলকৈ হুমুনিয়াহ এৰি পৰাগক ক'লে—

ঃ সখি, মহাভাৰতৰ অৱতাৰী পুৰুষ, দৈৱকীৰ অষ্টম সন্তানে জীৱন দান দিব পাৰিছিল, মুক্তি দিব পাৰিছিল। আজিৰ দিনত কৃষ্ণ নামৰ সাৰ্থকতা ৰক্ষা কৰি তই এই ৰোগীজনক যিকোনো উপায়েৰে জীৱন দান দিব লাগিব।

— বাষ্পাকুল নেত্ৰেৰে অনুৰাগে ডাক্তৰক কোৱাত সি গভীৰ আত্মবিশ্বাসেৰে ক'লে—

ঃ প্ৰথম ষ্ট্ৰোক কাৰণে বিশেষ চিন্তা কৰিবলগীয়া একো নাই। অস্ত্ৰোপ্ৰচাৰ মই নিজে কৰিছোঁ। কৃতকাৰ্য্যতা নিশ্চয় লাভ কৰিম। জ্ঞান ঘূৰি অহাৰ সময় হৈছে। জ্ঞান ঘূৰি আহিলেই জীৱন পাব। বাকীখিনি মহাভাগৰতৰ 'তেৰাৰ' ওপৰতে এৰিছোঁ।

— ডাঃ পৰাগ কৃষ্ণৰ কথাই অনুৰাগৰ হৃদয়ত বিশ্বাসবোধ ৰোপন কৰিলে। স্বস্তিৰে এটি নিশ্বাস এৰি সি নাৰ্চিংহোমৰ পৰা ওলাই আহিল। তাৰ মনটো কিছু ফৰকাল হ'ল, দুখৰ প্ৰচ্ছদ এখন হৃদয়ৰ পৰা খহি পৰিল নেজাল তৰাৰ দৰে। অনুৰাগে মানুহ চিনাত ভুল নকৰে। কোন ভাল, কোন বেয়া তাৰ বিশ্লেষণ সি আবেগত নকৰে, বিবেকৰ দ্বাৰা পৰিচালিত হৈ সূক্ষ্ম বুদ্ধি নিষ্ঠাৰে কৰে। আনৰ বাবে বেয়া মানুজনো তাৰ বাবে হৈ পৰে পৰম সুহৃদ।

অনুৰাগ অৰ্জুন ৰাজধানীৰ পৰিসীমাত প্ৰবেশ কৰিলে। বোমা বিস্ফোৰিত হোৱা ঠাইখন আৰক্ষী বাহিনীয়ে নিশ্চিদ্ৰ পহৰাৰ মাজত ৰাখিছে। গাড়ীৰ পৰা নামি সি চাৰিওফালৰ পৰিবেশ ক্ষন্তেক মুহূৰ্তৰ ভিতৰতে পঢ়ি ল'লে। অনুৰাগ অৰ্জুন নিজে অনুসন্ধানত নমা বাবে চিটি এছ, পি, জনে খুব এটা ভাল নাপালে। তথাপি ভদ্ৰতাৰ খাতিৰত তেওঁ অনুৰাগক মাত লগালে। সিও ভদ্ৰতাসূচক হাঁহিৰে সম্ভাষণ জনালে।

অনুৰাগ অৰ্জুনে আন সাংবাদিকৰ দৰে পুলিচ প্ৰশাসনক সুধি বাতৰি পৰিবেশন নকৰে। সম্পূৰ্ণ নিজস্ব কায়দাত সি বাতৰি যুগুত কৰে। তাৰ লগত থকা মিনি টেপৰেকৰ্ডাৰটো অন কৰি এপাক চাৰিওফালে ঘূৰিলে। ডিঙিত ওলোমাই ৰখা কেমেৰাটোৰে ক্লোজআপত চাৰি-পাঁচটামান স্নেপ ল'লে। বোমা বহন কৰা নম্বৰ-প্লেট বিহীন পুৰণি স্কুটাৰখনৰ সন্মুখৰ দিশটো লক্ষ্য কৰি শেষ স্নেপটো ল'লে। তাৰ পিছত বোমাই সৃষ্টি কৰা গাঁতটোৰ কাঠৰ বেপাৰীৰ দৰে জোখ-মাখলৈ অনুৰাগ গাড়ীৰ ওচৰলৈ উভতি আহিল। তাৰ প্ৰাইভেট ওৱেৰলেচ যন্ত্ৰ উলিয়াই কাৰোবাৰ লগত কিবা আলাপ পাতি সি বিষন্ন মনে উৰি থকা চৰাই জাকলৈ চাই পঠিয়ালে।

ৰাতিপুৱা সময় দহ বাজিছে। তেনেতে অনুৰাগে প্ৰেছৰ পৰা টেলিফোন কল পালে। ৰাজধানীত বোমা ফুটাৰ পৰা প্ৰায় এপষেক কাল অনুৰাগ সাংঘাতিক ধৰণে ব্যস্ত হৈ আছে। খোৱা-শোৱাৰ নিয়ম নোহোৱা হৈছে। সি খৰধৰকৈ প্ৰেছলৈ যাবলৈ ওলাল। তেনে সময়তে ডাঃ পৰাগৰ গাড়ীখন তাৰ ভাড়াঘৰৰ সন্মুখত ৰৈ গ'ল। সি ওলাই আহি দেখিলে গাড়ীৰ পৰা পৰাগৰ সহধৰ্মিনী অনুৰূপা আৰু একমাত্ৰ ছোৱালী জুৰনয়না নামি আহিল। অনুৰাগ ভীষণ ব্যস্ত বাবে ওচৰতে থকা সখিয়েকৰ ঘৰলৈও যাব পৰা নাই। অৱশ্যে ফোনৰ জৰিয়তে পৰাগৰ লগত যোগাযোগ হৈ আছে। সিহঁতৰ ঘৰলৈ নোযোৱা বাবে অনুৰূপাই আপত্তি জনালে। সেইদিনা জুৰনয়নাৰ জন্ম দিন বাবে অনুৰাগক নিমন্ত্ৰণ দিবলৈ আহিছিল। সি ৰাতি যাব বুলি নিশ্চয়তা প্ৰদান কৰাত সিহঁত বিদায় ল'লে। মলয়া বতাহ এজাকে তেতিয়া অনুৰাগৰ হৃদয়ত আলফুলে খুন্দা মাৰিলে।

অনুৰাগ অৰ্জুন প্ৰেছ চৌহদত সোমাল। সি পোনে পোনে মুখ্য সম্পাদক ড° নায়াৰৰ ওচৰলৈ গ'ল। নায়াৰে অনুৰাগক দেখাৰ লগে লগে চকীৰ পৰা উঠি আহি তাক সাবটি ধৰিলে। নায়াৰৰ আচৰণত সি আচৰিত হোৱা নাই। এনে অভিজ্ঞতা সি আগতেও লাভ কৰিছে।

নায়াৰৰ এনে আচৰণৰ পৰা সি বুজি পায় যে সি কিবা কৰ্মত সফল হৈছে। হাজাৰ বন্দুকৰ বেৰেলৰ সন্মুখত থিয় দিও, বহু মৃত্যুভয়ৰ ভাবুকি পোৱাৰ পিছতো সি সংবাদ ক্ষেত্ৰৰ পৰা আঁতৰি নোযোৱাৰ একমাত্ৰ কাৰণ হ'ল ড° হৰিকিষন নায়াৰ নামৰ সত্তৰ বছৰীয়া তৰুণজন। নায়াৰৰ সত্যনিষ্ঠা, আপোচহীন মনোভাব, সাহসী সিদ্ধান্ত আৰু অভিভাবকত্বৰ বাবে অনুৰাগ অৰ্জুন ৰণাঙ্গণ এৰি গুচি যোৱা নাই। নায়াৰৰ অলিঙ্গনৰ পৰা মুক্ত হৈ অনুৰাগে ক'লে—

ঃ চাৰ, কি হ'ল?

ঃ যি হ'ব লগা আছিল সেয়া হ'ল। তোমাৰ ইনভেষ্টিগেটিভ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি বোমা বিস্ফোৰণকাৰী উগ্ৰপন্থী কাৰায়ত্ব কৰিছে আৰু তেওঁক সহযোগ কৰা বুলি স্বীকাৰোক্তি দিছে পুলিচ বিষয়া



MOHAN LAL CHOUDHURY LIBRARY :

এজনে। সেয়ে আজি আবেলি মুখ্যমন্ত্ৰীয়ে তোমাক লগ কৰিব বিচাৰিছে।

ঃ তাৰ মানে পুলিচ প্ৰশাসনৰ ফোপোলা অনুসন্ধানৰ বিষয়ে বাইজৰ আগত নাঙঠ কৰি নেদেখুৱাবলৈ, চৰকাৰৰ দুৰ্বলতাৰ বিষয়ে ৰিপোৰ্টিং নকৰিবলৈ উপঢৌকন দিব বিচাৰিছে। সব্যসাচীৰ গাণ্ডীৱ বন্ধকত ল'ব বিচাৰিছে। এয়াই আমাৰ মহান দেশৰ মহান প্ৰশাসক।

— এনেতে কাষৰ কেবিনত অনুৰাগৰ টেলিফোনটো বাজি উঠাত সি লৰালৰিকৈ গুচি গ'ল। ৰিচিভাৰ দাঙি লোৱাৰ লগে লগে সিটো মূৰৰ পৰা চিনাকি কণ্ঠস্বৰ ভাহি আহিল—

ঃ সখি, তই এতিয়াই নাৰ্ছিংহোমলৈ আহিব লাগে। ৰোগীজনে আজি ৰিলিজ ল'ব। মই তেওঁৰ আগত তোৰ কথা কোৱাত ৰোগীজনে তোক লগ পাব বিচাৰিছে। সোনকালে আহিবি।

মহানগৰীৰ বতৰ মেঘাচ্ছন্ন হৈ পৰিল। এজাক যেন ধাৰাসাৰ বৃষ্টিয়ে সকলো মলিনতা, আবৰ্জনাৰ পাহাৰ ধুই নিকা কৰি দিব। কিন্তু মানুহৰ মনৰ মলিনতা দূৰ হ'ব জানো— এনে এক চিন্তা কৰিয়াই অনুৰাগ নাৰ্ছিংহোমত প্ৰবেশ কৰিলে। ৰোগীজনৰ অশ্বত্থামা সদৃশ বৰপুত্ৰই বয় বস্তুৰ টালি-টোপোলা বান্ধিছে। ৰোগীজন সুস্থ যদিও হুইলচেয়াৰত শান্ত শিশুৰ দৰে নিশ্চুপে বহি আছে। ডাক্তৰ পৰাগে তেওঁৰ পত্নীক ঔষধৰ তালিকাখন বুজাই আছে। এনেতে অনুৰাগে কেবিনৰ ভিতৰত সোমাই হাতযোৰ কৰি বিনম্ৰতাৰে ক'লে—



ঃ ভাল নে আপোনাৰ? আপুনি জ্ঞান ওভোতাই পোৱাৰ পিছত দেখা কৰিবলৈ আহিব নোৱাৰা বাবে মই দুঃখিত।

ঃ হয় অনুৰাগ, মই পয়ষষ্ঠি বছৰীয়া বৃদ্ধজনে এতিয়া নতুন জীৱন লাভ কৰিলোঁ। ভালদৰে জ্ঞান ওভোতাই পালো। সেয়ে আজি মই মোৰ কৃতকৰ্মৰ বাবে অৰ্জুনৰ ওচৰত দ্ৰোণাচাৰ্য্যই ক্ষমা বিচাৰিবলৈ ভাষা বিচাৰি পোৱা নাই।

—কুৰুক্ষেত্ৰৰ মহাসমৰত থিয় দি দ্ৰোণাচাৰ্য্য যেন অনুশোচনাত দগ্ধ হৈছে। আজি অনুৰাগৰ আদালতত যেন গীতাৰ শপত খাই স্বীকাৰোক্তি দিব বিচাৰিছে। যি কোনো ঘটনাৰ ওৰ বিচৰা সাংবাদিকৰ ধৰ্ম যদিও অনুৰাগ অৰ্জুনে তেনে সত্য বিচৰা নাই। কেতিয়াবা কোনো ঘটনাৰ সত্য নজনাকৈ থকাও ভাল বুলি সি ভাবে। কিন্তু অনুতপ্ত হৃদয়ত সোমাই থকা গোপন কথাই ভৰ বঢ়ালে, সেই ভৰ পাতলাবলৈ তেনে গোপন কথা মুক্তমনেৰে প্ৰকাশ কৰিব লাগে, ই হাৰ্ট পেচেণ্টৰ বাবে প্ৰধান ঔষধ। সেয়ে অনুৰাগক একো মাত নামাতিবলৈ ডাঃ পৰাগকৃষ্ণই ইঙ্গিত দিলে। সেই সময়ত ৰোগীজনৰ দুচকুৰে যেন অগ্নিস্ফুলিংগহে বৰষি আছে। কথা বিলাক কেনেদৰে সজাই ক'ব— সেয়া যেন ঠিক কৰিব পৰা নাই। কুলাঙ্গাৰ বৰপুত্ৰ আৰু ৰোগীৰ আধুনিকা স্ত্ৰীৰ ফালে কটাক্ষ দৃষ্টি দি স্থিতপ্ৰজ্ঞ ব্যক্তিৰ দৰে তেওঁ ক'ব ধৰিলে—

ঃ ইহঁতৰ কাৰণে কলেজত তোমাৰ চাকৰি নহ'ল। তাক বাঙ্গালোৰত ইঞ্জিনিয়াৰিঙৰ আসন কিনি দিবলৈ আৰু ঘৰখনৰ ভোগবিলাসৰ উৰ্দ্ধগামী খৰচৰ জোৰা মাৰিবলৈ মই উৎকোচ লৈ তোমাক চাকৰিৰ পৰা বঞ্চিত কৰিছিলো। তোমাৰ যোগ্যতা থকা সত্বেও........

— ড° চক্ৰৱৰ্ত্তীৰ কান্দোনে তেওঁৰ বাকযন্ত্ৰ স্তব্ধ কৰিলে। অনুৰাগে জানে যে তেওঁ এজন সৎ মানুহ। সৎ মানুহ বাবেই নিঃসংকোচে স্বীকাৰোক্তি দিবলৈ কুণ্ঠাবোধ কৰা নাই। কলেজৰ চাকৰি নোপোৱা বাবে সি কাহানিও তেওঁৰ দ্ৰোণাচৰ্যক দোষ দিনা নাই। অনুৰাগে তেওঁক সান্ত্বনা দিবলৈ ভাষা বিচাৰি ফুৰোঁতে পুনৰ দুচকুৰ পানী মচি ক'ব ধৰিলে—

ঃ জানা অনুৰাগ! বহুতো মন্ত্ৰী বিধায়ক, চৰকাৰী আমোলা আদিৰ লগত মোৰ বৰ ভাল সম্পৰ্ক আছিল। কিন্তু কাৰো ওচৰলৈ গৈ মোৰ ল'ৰাটোৰ চাকৰিৰ বাবে ওঁঠ যাচি একো ক'ব নোৱাৰিলো। তাৰ চাকৰিৰ ব্যৱস্থা কৰি দিব নোৱাৰিলো বাবেই নিজপুত্ৰ হৈ সি মোক বেয়া ব্যৱহাৰ কৰে। তাৰ অকথ্য মানসিক নিৰ্য্যাতনৰ বলি হৈ আজি মই হাৰ্ট ষ্ট্ৰোক.........

— ড° চক্ৰৱৰ্ত্তীয়ে আৰু একো ক'ব নোৱৰিলে। তেওঁ শিশুৰ দৰে হুক্ হুককৈ কান্দিব ধৰিলে। হৃদয়ৰ পৰা ওলাই অহা চকুপানীৰ বন্যাই তেওঁৰ মলিনতা ধুই নিকা কৰিলে। সদ্যজাত শিশুৰ দৰে চক্ৰৱৰ্ত্তী পবিত্ৰ হৈ উঠিল। তেওঁ অকণমান শান্ত হোৱাত ডাঃ পৰাগকৃষ্ণই পুতেকক হুইলচেয়াৰখন ঠেলিবলৈ ইংগিত দিলে। অবোধ শিশুৰ দৰে হুইলচেয়াৰখনত বহি থকা চক্ৰৱৰ্ত্তীৰ চকুলৈ চাই অনুৰাগ অৰ্জুনৰ দুচকুৰে ক'ব নোৱাৰাকৈয়ে দুধাৰি চকুলো ওলাই আহিল। কুৰুক্ষেত্ৰত কৌৰৱৰ হৈ যুদ্ধ কৰা মহাবীৰ দ্ৰোণাচাৰ্য্য আজি কৌৰৱৰে শত্ৰু হৈ পৰিছে, অনুৰাগ অৰ্জুনৰ চকুপানীয়ে যেন তাকেই ক'ব বিচাৰিছে।❑❑



MOHAN LAL CHOUDHURY LIBRARY :

# হজৰত এতিয়াও কলেজলৈ আহে....

◆ মুনীন্দ্ৰ কুমাৰ দাস
মুখ্য কাৰ্যালয় সহায়ক

কিনকিনিয়া বৰষুণ এজাক দুপৰীয়াৰ পৰা অবিৰতভাবে চলিয়ে আছে। পোহৰে পোহৰে ঘৰত যি সোমাইছো ওলাই যাবলৈ মন যোৱা নাই। এনেয়ে মাঘ মহীয়া ঠাণ্ডা, তাতে বৰষুণ। আনফালে চাৰিওফালৰ পৰা আগুৰি ধৰা গধূলিৰ এন্ধাৰ। এক জয়াল পৰিবেশ। মই মাত্ৰ ভাবি আছিলো কাৰেণ্ট কেতিয়া যায়। হঠাৎ দুৱাৰত কাৰোবাৰ টোকৰ পৰিল।

ঃ চাৰ! চাৰ!! চাৰ!!!

কিছু সময় নিস্তব্ধতা। ঠিক সেই সময়তে কাৰেণ্ট গ'ল। হাত লেম্পটো জ্বলোৱা আছিল বাবেই কোনোমতে ৰক্ষা। পুনৰ আগন্তুকৰ কণ্ঠ ভাহি আহিল।

ঃ চাৰ! চাৰ!!

কোনোবা পুৰুষ মানুহৰ কণ্ঠস্বৰ। মনতে ভাবি ল'লো কলেজৰ কোনোবা হ'ব নিশ্চয়। মই তৎক্ষণাত দুৱাৰৰ খিলিটো খুলি সুধিলো— কোন? লেম্পৰ ক্ষীণ পোহৰত দেখিলো এজন ওখ-পাখ ডেকা ল'ৰা। হাতত ছাটি। বৰষুণৰ পানীৰে লংপেণ্টৰ আধা তিতি গৈছে। মই ঠিক ধৰিব পৰা নাই ল'ৰাজন কোন? ল'ৰাজনে মোক দেখিয়েই নাদৰ পৰা পানী তোলাৰ নিচিনাকৈ মনৰ বহু গভীৰতাৰ পৰা উলিয়াই অনা এটা বিষাদৰ হাঁহি মাৰিলে।

ঃ কোন তুমি? মই ঠিক ধৰিব পৰা নাই— ল'ৰাজনৰ মুখৰ ফালে চাই সুধিলো।

ঃ চাৰ, মই হজৰত। আপোনাৰ কলেজৰ ছাত্ৰ। কথাখিনি কৈ মোৰ মুখৰ ফালে আকুল আগ্ৰহেৰে চালে।



ল'ৰাজনৰ চাৱনি আৰু বাহিৰৰ পৰা আহি থকা হিমশীতল বতাহ গাত লাগি মোৰ গোটেই গাতে শিঁয়ৰি উঠিল। ঠাণ্ডাত কপি থকা ল'ৰাজনৰ অৱস্থাটো দেখি মই কি কৰো কি নকৰো ভাবি থাকোতে ল'ৰাজনে মোৰ ফালে পোনে পোনে চাই ক'লে—

ঃ চাৰ, মই মহা বিপদত পৰিছো।

আৰু কিবা ক'ব বিচাৰিছিল যদিও মই ল'ৰাজনক একো ক'বলৈ সুযোগ নিদি ক'লো—

ঃ ৰবাচোন। তুমি চেণ্ডেলযোৰ খুলি এই বস্তাখনতে ভৰিখন মচি লৈ ভিতৰলৈ আহা। —লেম্পৰ পোহৰত অস্পষ্ট হৈ থকা ল'ৰাজনৰ মুখখন চাই মনত পেলাবলৈ আপ্ৰাণ চেষ্টা কৰিলো। ভাবিছো বয়স হিচাপে বৰ্তমান পঢ়ি থকা ছাত্ৰ হ'বই নোৱাৰে।



MOHAN LAL CHOUDHURY LIBRARY :

তেতিয়া হ'লে নিশ্চয় পুৰণি ছাত্ৰ। মুহূৰ্তৰ ভিতৰতে আকৌ চিনাকি যেনও ভাব হয়।

ইতিমধ্যে ল'ৰাজনে ছাতিটো বাহিৰত থৈ চুলিত বিন্দু বিন্দু হৈ লাগি থকা পানীখিনি জোকাৰি ভিতৰলৈ সোমাই আহিল। বাহিৰৰ ঠাণ্ডা বতাহক প্ৰতিহত কৰিবলৈ মই দুৱাৰখন বন্ধ কৰি দিলো।

ঃ কোৱাচোন কি কথা? — ল'ৰাজন বহাৰ পিছত সুধিলো। কিন্তু ল'ৰাজন কি কথাতনো এই ৰাতিখন মোৰ ওচৰলৈ আহিব লগা হ'ল। অথচ ল'ৰাজন বৰ্তমান আমাৰ কলেজত পঢ়ি থকা যেনো নালাগে। গতিকে কথা কিবা গুৰুতৰেই হ'ব নিশ্চয়। কাৰণ এজন পঢ়ি থকা ছাত্ৰৰ অসুবিধা আৰু পুৰণি ছাত্ৰৰ অসুবিধাৰ মাজত বহুতো পাৰ্থক্য আছে। পঢ়িথকা ছাত্ৰজনৰ সমস্যা বহুলাংশে সমাধানযোগ্য। কিন্তু পঢ়ি নথকা ছাত্ৰৰ অসুবিধা কেনেকুৱা হ'ব পাৰে সেয়া অনুমানো কৰিব নোৱাৰি। সমাধাৰ কথা পিছত।

ঃ আচলতে মই তোমাক চিনিব পৰা নাই। —হাতলেম্পটো ওচৰলৈ আনি মেজখনৰ ওপৰত থৈ মইও ল'ৰাজনৰ ওচৰতে বহি পৰিলো। এইবাৰ যেন ল'ৰাজন কিছু চিনাকি চিনাকি লাগিল।

ঃ চাৰ মই ১৯৯৩ চনত আপোনালোকৰ কলেজৰ ছাত্ৰ আছিলো। —ল'ৰাজনে কথাখিনি কোৱাৰ পিছত মোৰ মনটো যেন সেই সময়লৈকে উভতি গ'ল। ল'ৰাজনৰ মুখনখন মনত পেলাবলৈ চেষ্টা কৰিলো। মনত পেলাবলৈ চেষ্টা কৰিলো সেই সময়ত কলেজৰ অধ্যক্ষ কোন আছিল। যিহেতু মই কলেজত কাম কৰো। গতিকে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে স'তে কেবাবাৰো মুখামুখি হোৱাটো মোৰ বাবে বাধ্যতামূলক। লাহে লাহে সকলো কথাই মোৰ মনত জুমুৰি দি ধৰিলে। মোৰ ঠিক মনত পৰিল হজৰত নামৰ এজন ছাত্ৰৰ কথা। যি আছিল সকলো কামতে আগৰণুৱা, অমায়িক, সকলো সময়তে সকলোকে সহায়ৰ হাত আগবঢ়াবলৈ সাজু। মই ল'ৰাজনৰ পৰিচয়ৰ আঁত ধৰিয়ে ক'লো—

ঃ হয়, হজৰত। তোমাৰ কথা মোৰ মনত পৰিছে। পিছে এই বতৰত! এই ৰাতি!! ক'ৰ পৰা আহিলা?

ঃ চাৰ মই খুউব বিপদত পৰি আপোনাৰ ওচৰলৈ আহিছো। মোৰ ঘৰ মাজগাঁওত। এখন ভেঞ্চাৰ স্কুলত মই কাম কৰি আছো। এইবাৰ আমাৰ স্কুলৰ কেবাজনো ছাত্ৰ-ছাত্ৰী আপোনালোকৰ কলেজত ভৰ্তি হৈছে। এই কথা নিশ্চয় অবগত।

ল'ৰাজনৰ কথাৰ পাতনিৰ পৰা মই অনুভৱ কৰিলো যে, ঘটনা নিশ্চয় বিশেষ গুৰুতৰ নহয়। ল'গে লগে মইও কিছু সহজ হৈ ল'লো। আৰু ল'ৰাজনৰ কথাত কোনো ব্যাঘাত নজন্মোৱাকৈ তাৰ কথাখিনি শুনি গ'লো।

......চাৰ, মই এটা ব্যক্তিগত কামত যোৱা দহদিনমান ধৰি গুৱাহাটীত আছিলো। আজি দুপৰীয়া যেতিয়া ঘৰ আহি পালো মোৰ ঘৈণীয়ে ক'লে যে, মোক বিচাৰি হোনো দুদিনমান পুলিচ আহিছিল। অৱশ্যে মোৰ ভাগ্য ভাল যে মই ঘৰত নাছিলো।

ঃ কিয়? —হজৰতৰ কথাত মই প্ৰশ্ন কৰিলো। মোৰ অনুভৱ হ'ল কথা নিশ্চয় গুৰুতৰেই হ'ব। নহ'লে এই বৰষুণত, ইমান হাড়কপোৱা ঠাণ্ডাত মাজগাঁওৰ পৰা বৰপেটাৰোড আহি নোপালাহেঁতেন। হজৰতে পুনৰ ক'লে—

ঃ মই ঘৈণীৰ পৰা গম পালো পুলিচে মোক কিবা কলেজৰ মাটি সম্পৰ্কীয় কেচত বিচাৰি ফুৰিছে। মই অলপো পলম নকৰি আমাৰ ওচৰৰ গাঁওবুঢ়াৰ ঘৰলৈ গ'লো। কিন্তু গাঁওবুঢ়াৰ ঘৰ পোৱাৰ আগতে মোৰ বন্ধু ইমানুলে মোক সকলো কথা বিৱৰি ক'লে। —কথাখিনি কৈ যেন হজৰত কিছু চিন্তাত বুৰ গ'ল।

মই কলেজৰ কেচ বুলি শুনাৰ লগে লগে সকলো কথা মনাকাশত ফৰকাল হৈ পৰিল। হজৰতে যেতিয়া আমাৰ কলেজত পঢ়ি আছিল, তেতিয়া আমাৰ কলেজত এটা অঘটন ঘটিছিল। কলেজৰ বিত্তীয় অৱস্থা সবল কৰাৰ হেতু মাছপোনা বেপাৰীক কিছু মাটি ভাড়াত দিয়া হৈছিল। এই মাছৰ পোনাৰ বেপাৰীক মাটি ভাড়া দিয়া সম্পৰ্কত কোনোবা তথাকথিত মহান ব্যক্তিয়ে জিলাৰ উপায়ুক্তৰ ওচৰত আপত্তি জনাইছিল। উপায়ুক্তইও আপত্তি উপযুক্ত বুলি বিবেচনা কৰি তৎমুহূৰ্ততে কলেজলৈ আবণ্টিত মাটিৰ আধা অংশ নাকচ কৰি নটিচ জাৰি কৰিলে। লগে লগে কলেজ কৰ্তৃপক্ষৰ মাজত হাহাকাৰ লাগিল। লগে লগে শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদী আন্দোলনৰ পথ গ্ৰহণ কৰিবলৈ বাধ্য হয়। আৰু সেই সূত্ৰে পিচ দিনাখনেই চহৰখন বন্ধৰ আহ্বান জনায়। বন্ধৰ দিনাখন এক প্ৰতিবাদী মিচিল উলিয়ায় আৰু এই প্ৰতিবাদী মিচিলত অংশগ্ৰহণ কৰা কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীক পুলিচে গ্ৰেপ্তাৰ কৰিছিল যদিও সন্ধিয়ালৈ তেওঁলোকক মুকলি কৰি দিয়ে।

এটা সময়ত সকলো ঠিক হৈ গ'ল। কিন্তু পুলিচ প্ৰশাসনৰ কেচ ডায়েৰীৰ পৰা সেই স্মৃতি যেন মচ নাখালে। যিসকল ছাত্ৰ-ছাত্ৰী প্ৰতিবাদী কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি গ্ৰেপ্তাৰ বৰণ কৰিছিল তাৰ দুবছৰমানৰ পিছতো সেই ছাত্ৰ-ছাত্ৰীসকলক বিচাৰি পুলিচৰ অপাৰেচন চলিয়ে থাকিল। প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলে ভয় খাই কলেজলৈ আহে। কলেজত অধ্যক্ষই বিষয়টোত হস্তক্ষেপ কৰিলে সেয়া পুনৰ তল পৰে। আকৌ পিছত ছাত্ৰ-ছাত্ৰীক বিচাৰি অভিযান আৰম্ভ হয়। অধ্যক্ষৰ হস্তক্ষেপত আকৌ সকলো তল পৰে।



MOHAN LAL CHOUDHURY LIBRARY :

ঃ চাৰ! চাৰ!! —হজৰতৰ মাতত মই যেন পুনৰ বাস্তৱলৈ ঘূৰি আহিলোঁ।

ঃ কোৱা হজৰত। — হজৰতে ঘটি যোৱা ঘটনাবোৰৰ কথা মোক ক'বলৈ ধৰিলে।

ঃ হজৰত, মোৰ সকলো মনত আছে। কিন্তু এতিয়া তোমাৰ কি অসুবিধা হৈছে কোৱা। — হজৰতক আশ্বাসৰ সুৰত সুধিলোঁ।

ঃ চাৰ, মই এতিয়া কি কৰা উচিত। তাকেই সুধিবলৈ আপোনাৰ ওচৰলৈ আহিলোঁ।

— হজৰতৰ কথা শুনি মই এক দোধোৰমোধোৰ অৱস্থাত পৰিলোঁ। কি উপদেশ দিওঁ হজৰতক। কোনো ধৰণৰ পথেই মই দেখা পোৱা নাই এই মুহূৰ্তত। শেষত বহু চিন্তা কৰি ক'লোঁ—

ঃ এই ক্ষেত্ৰত মইও তোমাক একো সহায় কৰিব নোৱাৰোঁ হজৰত। এই বিপদৰ পৰা তোমাক উদ্ধাৰ কৰিব পাৰিব একমাত্ৰ অধ্যক্ষইহে। অহাকালি তুমি দিনত কলেজলৈ আহিবা। অধ্যক্ষ সকলোখিনি বুজাই ক'বা। তেওঁ নিশ্চয় তোমাক সহায় কৰিব। —মই হজৰত বুজোৱাৰ সুৰেৰে ক'লোঁ। কাৰণ কথাৰে হজৰতক আশ্বস্ত কৰাৰ বাহিৰে মোৰ ওচৰত কোনো পথ নাই।

হজৰতৰ কথাৰ পৰা গ'ম পালোঁ, সি অতি দুখীয়া ঘৰৰ ল'ৰা। কলেজৰ শিক্ষা সাং কৰাৰ পিছত স্থানীয় এখন ভেঞ্চাৰ স্কুলত সোমাই কোনোমতে পেটে ভাতে খাই আছে। তাৰ এটা কেচুৱাও আছে। গতিকে পুলিচে ধৰি লৈ গ'লে তাক উলিয়াবলৈ কোনো নাই আৰু তাৰ অবিহনে পৰিয়ালটোও নিগমে মৰিব। আকৌ ঘৈণীয়েক আৰু গাঁওৰ মানুহে তাক লৈ কি ভাবিছে সেই চিন্তাইও তাক খুলি খুলি খাইছে। কাৰণ এজন সাধাৰণ দোষী মানুহক পুলিচে বিচাৰি নাহে।

অতি দুখ মনেৰে কথাবিলাক কৈ হজৰতে মোৰ ওচৰৰ পৰা বিদায় ল'বলৈ উঠিল। মই যদিও তাক একাপ চাহ খাই যাবলৈ অনুৰোধ জনালোঁ সি নাকচ কৰি ক'লে—

ঃ চাহ নাখাওঁ চাৰ। কোনমতে ঘৰ পাবগৈ লাগে। ৰাতিও হৈ আহিছে। বৰষুণো বৰকৈ পৰিছে। পিছত কেতিয়াবা আহিলে খাম। — কথাখিনি কৈ হজৰত দুৱাৰ মুখ পালে।

ঃ এই ৰাতি তুমি ক'লৈ, কেনেকৈ যাবা। —মই শুধিলোঁ। ঠিক সেই সময়তে কাৰেণ্ট আহিল। লাইটৰ উজ্বল পোহৰত মই লক্ষ্য কৰিলোঁ যে হজৰতৰ মুখখন শুকান হৈ পৰিছে। চকু চলচলীয়া হৈছে। কিবা এক অজান চিন্তাই যেন তাক খুলি খুলি খাইছে।

ঃ চাৰ মই ঘৰলৈয়ে যাম। কিন্তু ৰাতি ঘৰত নাথাকোঁ। যদি পুলিচে বিচাৰি আহে। —কথাখিনি কৈ লাহে লাহে হজৰত মোৰ ঘৰৰ পৰা ওলাল। মই বাৰান্দাত থিয় হৈ তালৈ চাই থাকিলোঁ। বৰষুণো ক্ৰমশঃ বেছি হৈ আহিছে। বাঢ়ি আহিছে অসহ্যকৰ হিমশীতল বতাহৰ কোব।

হজৰতৰ কথা ভাবি কিমান সময় মই বাৰান্দাত থিয় হৈ থাকিলোঁ ক'ব নোৱাৰিলোঁ। ল'ৰাটোৱে পিছফালৰ পৰা দেউতা বুলি মতাতহে মোৰ তন্ময়তা ভাগিল।

হজৰতহ'তে কাৰ বাবে আন্দোলন কৰিছিল। কলেজৰ শিক্ষা সাং কৰি সিহঁততো কলেজৰ পৰা আঁতৰি গৈছে। কিন্তু আমিবোৰেতো এতিয়াও কলেজৰ এজন হৈ ৰৈ আছো আৰু ভৱিষ্যতলৈও থাকিব লাগিব। তেনেহ'লে সিহঁতে কি আমাৰ বাবেই আন্দোলন কৰিছিল নেকি......? কিন্তু সিহঁতৰ বাবে আমি আজি কি কৰিব পাৰিলোঁ! কৰ্তৃপক্ষৰ তৰফৰ এজন হৈও সেই কেচটোৰ এটা সু-মীমাংসা অথবা সমাধান কৰি হজৰতহঁতৰ দৰে মানুহবোৰক এধানিও সহায় কৰিব নোৱাৰিলোঁ। এইদৰেই আৰু হয়তো কোনোবাদিনা আন এজন হজৰত আহি ওলাবহি সহায় বিচাৰি। আৰু প্ৰথম দৰ্শনতে অচিনাকী যেন লগা তেওঁলোককো আমি অসহায় হৈ বিদায় দিব লাগিব হজৰতৰ দৰে। তেতিয়া??❑❑

---

*যি জাতিয়ে নিজৰ অতীত ইতিহাস আৰু সাহিত্যত গৌৰব অনুভৱ নকৰে,*
*সি তাৰ জাতীয় চৰিত্ৰৰ আধাৰশিলাকে হেৰুৱাই পেলায়।*

— মেক্সমুলাৰ

*কেনেকৈ জীয়াই থাকিব লাগে তাক শিকাব পৰা খনেই মহৎগ্ৰন্থ।*

— ছেমুৱেল জনছন



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# ছন্দ পতন

◆ জাহিদুল ইছলাম
উচ্চতৰ মাধ্যমিক ২ য় বৰ্ষ



"মা, তুমিনো এইবোৰ কিয় কৰা। অলপ বুজিব লাগে। মিষ্টাৰ বৰুৱাই কি ভাবিব? মান-সন্মান শেষ কৰি পেলাইছা।" এইদৰে ষাঠি বছৰীয়া মাক 'ৰেৱতী বুঢ়ীক' ধমকিৰ সুৰতে কথা কেইটা ক'লে পুত্ৰ গোপালে।

গোপালৰ দেউতাক স্থানীয় কাঠমিল এটাৰ চকীয়াল আছিল। মাক ৰেৱতীয়ে ঘৰৰ কাম-কাজৰ লগতে আজৰি সময়ত বাঁহ-বেতৰ বস্তু বনাই বিক্ৰী কৰি আৰ্থিক ক্ষেত্ৰত গিৰিয়েকক সকাহ দিছিল। কোনোমতে চলিছিল তেওঁলোকৰ সংসাৰখন। দুজনী ছোৱালীৰ বিয়া দি উলিয়াই দিয়াৰ পৰা গোপালৰ পঢ়া খৰচৰ যোগান ধৰাৰ চিন্তাই তেওঁলোকক জুমুৰি ধৰি থাকে। বিভিন্ন দুখ-কষ্টৰ মাজেৰে ডাঙৰ-দীঘল কৰি সামৰ্থ অনুসাৰে ছোৱালী দুজনীক বিয়া দিয়ে। গোপালক বি. এ. লৈকে পঢ়ালে। গিৰিয়েক লাহে লাহে বুঢ়াহৈ আহিল। অন্তিম সময়ত বুঢ়াই ঘৰৰ ভেটিটো বাদ দি মাটি বুলি যিকণ সম্বল আছিল গোপালৰ চাকৰিৰ নামত বিক্ৰী কৰিলে। গোপালে চাৰ্কোল অফিচৰ কেৰাণী চাকৰি এটাত যোগদান কৰিলে।

গোপাল চাকৰিত সোমোৱাৰ পিছত ৰেৱতীহঁতৰ দুখৰ কিছু সাম কাটিল। গোপালেও লক্ষ্য কৰিলে মাকৰো বয়স হৈছে। মাক-বাপেকেও নিজৰ দায়িত্ব বুজি উপযুক্ত সময়তে গোপালৰ বিয়া পাতিব খুজিছে। সকলোৰে সন্মতিত চহৰৰ জনাজাত ঠিকাদাৰ ফুকন বাবুৰ ছোৱালী অনুপমাৰ লগত গোপালৰ বিয়াৰ ঠিক হ'ল। দিনবাৰ চাই বহুতো আশা-ভৰষা বুকুতলৈ অনুপমাক বিয়া কৰাই আনিলে। ৰেৱতী বুঢ়ীয়ে মনৰ আনন্দতে দিন কটাব ধৰিলে।

বুঢ়া মৰাৰ আজি ছয় মাহ অতিক্ৰম কৰিলে। ঘৰৰ সকলো কাম-কাজ গোপালৰ মাক ৰেৱতীয়েই কৰে। আলপৈচান ধৰিবলৈ গোপালে ছোৱালী এজনী ৰাখিছে। ছোৱালীজনীয়ে নাতি কেঁচুৱাটোৰ যতন লওঁতেই সময় যায়। ঘৰৰ আন কামত সহায় কৰিবলৈ সময় নাপায়। বোৱাৰীয়েকে ঘৰুৱা কাম-কাজ আকৌ কেনেকৈ কৰিব, ঠিকাদাৰৰ ছোৱালী, মান-সন্মানৰ কথা ভাবি গঙাটোপ হৈ থাকে। গোপালৰ অফিচ আৰু অনুপমাৰ বাহিৰে আন কথা ভাবিবলৈ সময় নাই। অফিচৰ কামতকৈয়ো অনুপমাৰ ফৰমাইচ পূৰণ কৰাতহে বেছি ব্যস্ত গোপাল। পুত্ৰ গোপালৰ মাকৰ বিষয়ে ভাবিবলৈ আজৰিয়ে নাই।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

আজি পুৱাৰ পৰাই ঘৰখন সজোৱা, পৰিপাটী কৰা আদি সকলো দিশত বৰ ব্যস্ততা। বোৱাৰীয়েকৰ আদেশ অনুসৰি ৰেৱতী বুঢ়ীয়ে সকলো কাম কৰি গ'ল। দুপৰীয়া বোৱাৰীয়েকৰ বান্ধৱী মিছেছ বৰুৱাক নিমন্ত্ৰণ কৰিছে। গোপালে সকলো বয়-বস্তুৰ যোগান ধৰি আফিচলৈ গ'ল। ৰেৱতীয়ে গা-অসুস্থ অনুভৱ কৰিছে, তথাপিও অবিৰতভাৱে কাম কৰি গৈছে। মিছেছ বৰুৱা সম্ভ্ৰান্ত পৰিয়ালৰ লোক। মিষ্টাৰ বৰুৱাৰ আমেৰিকাত ব্যৱসায় আছে। এনেকুৱা মানুহৰ লগত উঠা-বহা কৰিব পৰাটোও ডাঙৰ কথা। মিছেছ বৰুৱাৰ আগমন গোপালহঁতৰ বাবে সৌভাগ্যৰ কথা, তাতে আকৌ অনুপমাৰ বাবেহে। সেয়ে মিছেছ বৰুৱাৰ আতিথ্যত যাতে কোনো ত্ৰুটি নহয় তাৰ বাবে কামৰ মাজে মাজে ৰেৱতী বুঢ়ীক অনুপমাই সকীয়াই দিছে।

দুপৰীয়া ৰঙা ৰঙৰ মাৰুতী জেন' এখন গোপালহঁতৰ ঘৰৰ সন্মুখত ৰ'ল। অনুপমাই স্বাগতম জনাই মিছেছ বৰুৱাক ড্ৰয়িংৰুমত বহুৱালে। বহুদিনৰ বিৰতিত দুয়ো বান্ধৱী একলগ হোৱাত আনন্দত আত্মহাৰা হৈ পৰিল। দুয়ো হাঁহি-স্ফুৰ্তিৰ মাজেৰে বিভিন্ন ধৰণৰ কথা-বতৰা পাতিব ধৰিলে। বোৱাৰীয়েকৰ নিৰ্দেশ মতেই ৰেৱতী বুঢ়ীয়ে তাৰ মাজত চাহ-জলপানৰ যোগান ধৰিলে । চাহৰ পিছত নানা ধৰণৰ ব্যঞ্জনেৰে জুতি লগাকৈ ৰান্ধি খোৱা টেবুলত দুপৰীয়াৰ আহাৰ সজাই দিলে। দুয়ো বান্ধৱীয়ে কথাৰ মহলা মাৰি মাৰি দুপৰীয়াৰ ভাত সাজ খালে। অৱশ্যে মিছেছ বৰুৱাই অনুপমাৰ ৰান্ধনীৰ প্ৰশংসা কৰিব নাপাহৰিলে।

বান্ধৱী দুগৰাকীৰ গোটেই সময়খিনি সুন্দৰভাৱেই পাৰ হ'ল। আবেলি যাবৰ সময়ত ৰেৱতীয়ে দুকাপ চাহ দিলে। আধা খোৱাকৈ চাহৰ কাপ দুটি তেওঁলোকে টি টেবুলতে থলে। ৰেৱতীয়ে ট্ৰেখনত কাপ দুটি উঠাবলৈ যাওঁতে হঠাৎ মূৰটো আচন্দ্ৰাই কৰা যেন পালে। ৰেৱতী বুঢ়ীয়ে নিজকে চম্ভালিব নোৱাৰাত চাহৰ কাপ দুটি ছিটিকি মিছেছ বৰুৱাই পিন্ধি থকা দামী শাৰীখনত পৰিল। মিছেছ বৰুৱাই শাৰীখনৰ পিনে হালি চাই দাঁতমুখ কৰচি ক'লে— "ঐ বুঢ়ী, ইডিয়ট-ননছেঞ্চ, মোৰ শাৰীখন বৰবাদ কৰিলি।" এইদৰে অশোভনীয় গালি-গালাজেৰে অপমান কৰিলে ৰেৱতী বুঢ়ীক। শাৰীখনৰ পৰা চাহখিনি জোকাৰি দিলে ৰেৱতী বুঢ়ীয়ে তথাপি শাৰীখনত এটা মস্ত দাগ ৰৈ গ'ল। মিছেছ বৰুৱাই অনুপমালৈ চাই ক'লে— "তুমি কাম কৰা মানুহ আৰু বিচাৰি নাপালা? এই আধামৰা অপদাৰ্থ এটাক ৰাখিছা।"

খঙে অপমানে অনুপমাই ৰেৱতীৰ পিনে চোঁচালৈ ৰুদ্ৰ মূৰ্ত্তি ধৰিলে। কি কৰিব, কি নকৰিব একো নাইহে মিছেছ বৰুৱাৰ লগতে সুৰ মিলাই অনুপমাই ৰেৱতীক ক'লে— "অসভ্য কৰবাৰ, সোনকালে চাফা কৰ। তহঁত মানুহৰ শাৰীত নপৰ। কি চাই আছ?" এই বুলি কৈ ৰেৱতীৰ গালত এটা চৰ সোধালে। বোৱাৰীয়েকৰ আচৰণত এনে ভাব প্ৰকাশ হ'ল যেন সঁচাকৈয়ে ৰেৱতী বুঢ়ী এইখন ঘৰৰ চাকৰণী। ৰেৱতী অতিকে মৰ্মাহত হ'ল। অসন্তোষ মনেৰে মিছেছ বৰুৱা গ'ললৈ।

আবেলি অফিচৰ পৰা আহি পোৱা মাত্ৰকে অনুপমাই গোপালক ঘটনাটো খঙেৰে একে উশাহতে বৰ্ণনা কৰিলে। গোপালেও আতিগুৰি নাভবি মাকক টানকৈ ক'লে। লাজ-অপমানত ৰেৱতী বুঢ়ীৰ মুখেৰে মাতবোল নোহোৱা হ'ল। অপ্ৰকাশিত বেদনাত অন্তৰখন পুৰি ছাই হৈ গ'ল। অতীতৰ স্মৃতিয়ে ৰেৱতীক বেছিকৈ আমনি কৰিব ধৰিলে।

কিমান যে সুখৰ আছিল সিহঁতৰ সংসাৰখন। ছোৱালী দুজনী আৰু গোপাল সৰু। ছোৱালী দুজনীয়ে মাকক ইটো-সিটো কামত সহায় কৰিছিল। গোপালৰ বাবেই ৰেৱতীয়ে বহুতো দুখ কষ্ট কৰিবলগীয়া হৈছিল। নিজে নাখাই গোপালক পঢ়াৰ খৰচ যোগাৰ কৰিছিল। একমাত্ৰ ল'ৰা বুলিয়ে কেঁচুৱা অৱস্থাৰ পৰাই জাৰ-জহত কোনো দুখ পাব নিদিয়াকৈ তুলি তালি ডাঙৰ-দীঘল কৰিলে। প্ৰতিটো কথাই এটা এটাকৈ মনলৈ আহিল ৰেৱতীৰ।

গোপালৰ পঢ়াৰ খৰচ দিবৰ কাৰণে বুঢ়াই কাঠৰ মিলত অভাৰ ডিউটি কৰিছিল। মাত্ৰ এটাই আশা গোপাল ডাঙৰ হ'ব। ডাঙৰ চাকৰি পাব। বংশৰ গৌৰৱ উজ্জ্বল কৰিব। কিন্তু আজি সকলো আশা চূৰমাৰ হৈ গ'ল। সেই সুখৰ সংসাৰখনতে আজি ৰেৱতী চাকৰণী হ'ল। ভাবি ভাবি বিষণ্ণতাৰে হিয়াখন ভৰি পৰিল। উদাস দৃষ্টিৰে শূণ্যলৈ জঠৰহৈ চাই থাকিল। গোপালৰ মাক অৰ্থাৎ ৰেৱতী বুঢ়ীৰ দুগালেদি বৈ আহিল নিৰলসভাৱে দুধাৰী চকুলো। ❑❑

---

*আজিলৈকে যিসকল মানুহে তেওঁলোকৰ নাম এই বিশ্বত ৰাখি গৈছে, সেইসকলৰ জীৱনৰ আগভাগ মুঠেই লেখত লবলগীয়া বিধৰ নহয়।*

— ডঃ বাণীকান্ত কাকতি

*বিজ্ঞানক বাদ দি ব্যক্তিগত বা জাতীয় কোনো ধৰণৰ উৎকৰ্ষ সাধন সম্ভৱপৰ নহয়।*

— লুথাৰ বাৰবেঙ্ক



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# অমানিশা

◆ মোঃ আব্দুৰ ৰসিদ
স্নাতক ৩ য় বৰ্ষ

ঘটংকৈ হোৱা শব্দটো শুনি পৰীয়ে ধৰিব পাৰিলে যে, সদায় অহাৰ দৰেই আজিও আহিছে গেলা এসোপা গিলি গিৰিয়েক বিৰাজ শৰ্মা।

কামৰ পৰা ঘূৰি অহাৰ পিছত গিৰিয়েকক আদৰেৰে মাত এষাৰ দি সযতনে সোধ-পোচ কৰিবলৈ কোন গৰাকী ঘৈণীয়েকৰ ইচ্ছা নহয়। এনে কোনোবা স্ত্ৰী থাকিব পাৰে নে যিয়ে গিৰিয়েকক মৰমৰ দোলেৰে বান্ধি ৰাখিব নোখোজে।

কিন্তু শব্দটো শুনি পৰীৰ মুখত টিঙিচকৈ খঙহে উঠিল। এই মানুহজনে ঘৰ সংসাৰৰ দায়িত্ব বুজিব কেতিয়া। বিয়া কৰোৱাৰ পাঁচটা বছৰৰ ভিতৰতে দুটাকৈ ল'ৰা-ছোৱালীৰ পিতৃ হৈ তৃতীয়টো সন্তানৰ পিতৃ হ'বলৈ ওলাইছে। তাতেই যেন সাংসাৰিক দায়িত্ব শেষ। বিৰজ শৰ্মাই যিদৰে স্বামীৰ দায়িত্ব পালন কৰিছে তেনে ক্ষেত্ৰত গধূলি অফিচৰ পৰা ঘৰলৈ ওভতোতে পৰীৰ মন প্ৰফুল্ল হোৱাতকৈ খঙে, দুখে ম্ৰিয়মান হৈ থাকে।

অভাৱ অভাৱ অনাটনে জুৰুলা কৰিলেও দুসাজ লঘোণে পাৰ কৰিব পাৰি। মদ-ভাং খাই অকথ্য গালি-গালাজ কৰিলেও সময়ত হজম কৰিব পাৰি। যিহেতু নাৰী জাতি সহিষ্ণুতা গুণৰ অধিকাৰী নাৰীৰ সঙ্গ সুখ বিচাৰে, তেতিয়া কোন গৰাকী পত্নীয়ে সহ্যৰ সীমাৰেখা ধৰি ৰাখিব পাৰে।



খিলি নলগোৱাকৈ জপাই থোৱা দুৱাৰখন খোলা শব্দ শুনিও পাৰীয়ে ঘূৰি নাচালে। তিনি আৰু ডেৰ বছৰীয়া মিতু-ৰীতুক লঘু আহাৰ খুওৱাত পৰী ব্যস্ত হৈ থাকিল।

বিৰাজ শৰ্মাই হাতৰ টোপোলাটো আগবঢ়াই দি দোৰোল নোখোৱাই ক'লে— "এই মাংসখিনি ভালদৰে ভাজ গৈ যা।"

"কিয় ? আজি হবলা ৰচকীয়ে মদৰ লগত জুতি লগাই মাংস ভাজি নুখুৱালে।" মনৰ ভিতৰত পাগুলি থকা কথাখিনিকে পৰীয়ে কৈ পেলালে। মদাহী বিৰাজ শৰ্মাই লগে লগে পৰীৰ চুলি কোচাত খামুচি ধৰি গতিয়াই দিলে। ৰীতুৰে সৈতে পৰী পকী মজিয়াত বাগৰি পৰিল। কেইটামান মুহূৰ্তৰ আগলৈকে তৃপ্তিৰে জলপান খাই থকা ৰীতু মুখ থেকেচা খাই পৰাত কপাল ফাটি তেজ ওলাইছে। তেজ ওলোৱা ঠাইদোখৰত বাওঁ হাতেৰে হেঁচামাৰি ধৰি কান্দি ঠেৰেঙা লগা ৰীতুক পৰীয়ে সোঁহাতেৰে বুকুত সাৱটি ধৰিলে। পাঁচ মহীয়া



MOHAN LAL CHOUDHURY LIBRARY :
Library :

অন্তঃসত্বা অৱস্থাত থকা পৰীয়ে ৰীতুৰ সৈতে উঠিবলৈ অসমৰ্থ। কণমানি মিতুৱে লোদোৰ পোদোৰ হাত দুখন খেলি দি উচুপি উচুপি ক'লে— "মা উঠা, মা উঠা।" নিজৰ আঘাততকৈ পৰী ব্যস্তহে পৰিল ল'ৰা ছোৱালী দুটিক লৈ।

পৰীৰ বাবে স্বামীৰ পৰা পোৱা চৰ, ভুকুটো নিত্য-নৈমিত্তিক ঘটনা হৈ পৰিল। এইদৰে দিন বাগৰিল। লাহে লাহে শাৰীৰিক, মানসিক কোনো ধৰণৰ আঘাতেই তাইক স্পৰ্শ কৰিব নোৱাৰা হ'ল। শৰীৰ-মন দুয়োটাই গড়ৰ ছাল সদৃশ হ'ল। দেৱশিশু দুটিৰনো দোষ কি? সিহঁতৰ কথা ভাবি পৰীয়ে সকলো দুখ পাহৰি থাকে।

বিৰাজ শৰ্মাৰ এই স্খলনৰ কথা ওচৰ চুবুৰীয়াৰ পৰাও শুনিবলগীয়া হোৱাত পৰী মৰ্মাহত হ'ল। তেওঁ তাইৰ পৰা কি পোৱা নাই। কি নাই পৰীৰ। পাঁচটা বছৰত দুটা সন্তানৰ মাতৃ হৈ শাৰীৰিক ভাৱে অত্যন্ত দুৰ্বল হৈয়ো তাই চেষ্টা কৰিছিল, বিৰাজক সকলো ধৰণৰ সুখ দিবলৈ, আনন্দ দিবলৈ। নিজৰ ভাল লগা, বেয়া লগাবোৰ ক্ৰমান্বয়ে পাহৰি যাবলৈ ধৰিলে। বিৰাজক সৎপথত আনিবলৈ সাধ্যানুসৰি চেষ্টা কৰিলে তথাপি তাই মানি ল'ব লগা হ'ল নাৰীত্বৰ চৰম অপমান, যাতনা।

সমাজ আকাৰে হোমৰ জুইক সাক্ষী কৰি পৰীৰ সুখ-দুখৰ লগৰী হোৱাৰ প্ৰতিজ্ঞা কৰিছিল বিৰাজে। কেইটামান বছৰ পাৰ হওঁতেই সেই প্ৰতিজ্ঞা, আত্মবিশ্বাস ধূলিসাৎ হৈ গ'ল। পৰীৰ প্ৰতি কোনো আকৰ্ষণেই নোহোৱা হ'ল। নিজৰ ঘৰ সংসাৰ বুলি কোনো ভাৱনাই নোহোৱা হ'ল।

জীৱনৰ সকলো আকৰ্ষণ, মোহ, প্ৰয়োজন বিচাৰি পাইছে মদ ব্যৱসায়ী চুন্নীলালৰ পত্নী জুহিৰ মাজত। কামুক দৃষ্টিৰে জুহিয়ে চুন্নীলালৰ ব্যৱসায়ত প্ৰসাৰতা আনিছে বুলি মানুহৰ মুখত পৰীয়ে শুনিছে। কিন্তু এজন মদ ব্যৱসায়ীৰ পত্নীৰ আকৰ্ষণীয় শৰীৰটোৱেও যে শিক্ষিত ব্যক্তিক ইমান তললৈ নিব পাৰে সেইটো এটা পৰিয়ালৰেই নহয়; এখন সমাজৰ বাবেও ক্ষতিকাৰক।

হঠাৎ ফোনটো বাজি উঠাত এটি ক্ষীণ আশাৰে বিৰাজৰ ফোন বুলি হাতত ৰিচিভাৰটো তুলি ল'লে পৰীয়ে। ফোনত মাকৰ মাতটো শুনিয়েই পৰীৰ দুখটো উথলি উঠিল। অন্তৰৰ পৰা ওলাই অহা কান্দোনটো চেপি ৰাখি কোনোমতে ক'লে— 'ভালে আছো মা, তহঁতৰ কেনে?" মাকে বিহুৰ সময়ত আহিম বুলি কৈ জোঁৱায়েকক কথাটো জনাবলৈ ক'লে।

মাকৰ মাতটো শুনি পৰী কিছুসময় থৰহৈ থাকিল। ৰীতুৰ জন্মৰ সময়তে মাক আহিছিল। তেতিয়া হয়তো মাকে বিৰাজ শৰ্মাৰ পৰিৱৰ্তনবোৰ লক্ষ্য কৰিছিল। এমাহ পিছত মাকে যাবলৈ ওলাই পৰীক কাষলৈ মাতি কৈছিল— 'পুৰুষ মানুহৰ এৰাল অতি সহজেই এৰি যায়। তহঁত পঢ়া-শুনা কৰা ল'ৰা-ছোৱালী। কথাবোৰ সহজতে বুজি পাইছ নিশ্চয়।'

মাকৰ বুজনি শুনি প্ৰথম অৱস্থাত পৰীয়ে ইমান গভীৰ ভাৱে লোৱা নাছিল। পৰীয়ে নিজেও গিৰিয়েকৰ পৰিৱৰ্তন লক্ষ্য কৰিছিল আৰু আলোচনাৰ মাজেৰে চলি গৈছিল। কিন্তু প্ৰথম অৱস্থাত সাধাৰণভাৱে লোৱা কথাবোৰেই বাস্তৱত বিপজ্জনক হৈ পৰিল।

পিছদিনা মিছেছ কাকতি আৰু ৰমলা পেহীয়েকে জুহিৰ লগত অসংলগ্ন অৱস্থাত দেখাৰ কথা কৈ যোৱাৰ পিছত পৰীৰ ধৈৰ্য্যৰ বান্ধোন চিঙি গ'ল। অফিচৰ পৰা আহি পোৱা বিৰাজক সহ্য নকৰি চাৰ্টত ধৰি আঁজুৰি চিঙি পেলাইছিল কেইটামান বুটাম। আৰু প্ৰশ্ন কৰিছিল, জুহিৰ লগত তেওঁৰ সম্পৰ্ক কি? অত্যন্ত খঙাল হৈ বিৰাজ শৰ্মাই কৈছিল— "তই এডাল মৰা কাঠ আৰু এজনী তেজাল ঘোঁৰাৰ মাজত পাৰ্থক্য কি বুজিবি?" এই বুলি কৈ পৰীৰ ওপৰত জপিয়াই পৰি শাৰীৰিকভাৱে প্ৰহাৰ কৰিছিল। পৰীয়ে কেবা ঠাইতো বেয়াকৈ আঘাত পাইছিল। সেই আঘাতৰ বাবেই কেইদিনমান কষ্ট ভোগ কৰি ল'ৰা-ছোৱালী দুটিক চানেকি হিচাপে এৰি মৃত্যুৰ শীতল কোলাত চিৰনিদ্ৰাত শুই পৰিল।❑❑

## বিখ্যাত লোকৰ অখ্যাত কাহিনী

*সংগ্ৰাহক*— **দীপ্তি ক্ষত্ৰিয়**
উঃ মাঃ প্ৰথম বৰ্ষ

আমেৰিকাৰ মহান ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনক লগ ধৰিবলৈ এবাৰ বিদেশৰ পৰা এজন মানুহ গৈছিল। লিংকনে নিজৰ জোতা নিজে পালিছ কৰি থকা দেখি সেই বিদেশীজনে সুধিলে, "আমাৰ দেশততো আমি কেতিয়াও নিজৰ জোতা নিজে পালিচ নকৰোঁ।" লিংকনে ওলোটাই মানুহজনক সুধিলে, "তেনেহলে কাৰ জোতানো পালিচ কৰা।"



MOHAN LAL CHOUDHURY LIBRARY :

# নিবদ্ধ নিয়তি

• অমৃতা বৰ্মন
স্নাতক ১ ম বৰ্ষ

ৰুণুৰ পৰিচয়ে নীলিমাৰ মনটোক খেলি মেলি লগাই দিলে। ৰুণুৰে কৈছিল— "মোৰ দৰে অকলশৰীয়া বোধহয় কোনো নহয়। মোৰ মা-দেউতা নাই। মই সৰু থাকোতেই ৰেল দুৰ্ঘটনাত ঢুকাল বুলি মোৰ আশ্ৰয় দাতা খুড়াজনে কয়। মা-দেউতাৰ মৃত্যুৰ পিচত মোৰ খবৰ হোনো কোনোৰে লোৱা নাই। কোনোবা আছে যদিও নাজানো। খুড়াই ঠেলা চলায়। আজি কিছুদিনৰ পৰা খুড়া বৰ দুৰ্বল হৈ পৰিছে।

প্ৰাণৰ উমেৰে জীয়াই ৰাখিব খোজাজন যদি হেৰাই যায়। সেই বেদনা কিমান দুঃসহ হ'ব পাৰে। ভুক্তভোগীজনেহে তাৰ সমভাগী হ'ব পাৰে।

এনেকুৱা এটা সময় আছিল যেতিয়া ৰুণু আৰু নীলিমাৰ মাজত এটা ৰাতি একোটা দীঘলীয়া যুগৰ সমান হয়। পুনৰ দুয়ো দুয়োৰে সান্নিধ্যত আপোন-পাহৰা হয়। ৰুণুৰ মাতষাৰে, চাৱনিয়ে মুখখনে নীলিমাক যেন প্ৰতি পলে পলে তাইৰ কাষলৈ টানি থাকে।

ৰুণুক নীলিমাই লগ পাইছিল নগাওঁ কলেজৰ পৰা গুৱাহাটীলৈ ঘূৰি আহোঁতে পল্টন বজাৰ বাছ আস্থানত। হাতত কেইখনমান আলোচনী আৰু বাতৰি কাকত লৈ যাত্ৰীসকলক এখনকৈ লোৱাৰ বাবে অনুৰোধ কৰিছে। নীলিমাৰ ওচৰলৈ অহাত আলোচনী এখন হাতত লৈ দামটো দিবলৈ ৰুণুৰ মুখলৈ চাই থমকি ৰ'ল। কি সাদৃশ্য! সেই চাৱনি, লাহী ওঁঠজুৰি, মৰমসনা মাত। সাইলাখ অনুপমৰ দৰে।

নামটো কি? ক'ত থাকা? ঘৰত কোন আছে ইত্যাদি প্ৰশ্নৰে তাইৰ বিষয়ে জানিবলৈ ব্যগ্ৰ হৈ পৰিল। ভাৱ সাগৰত কিমান যে জোৱাৰ উঠিছে তাক জানো আনে অনুমান কৰিব পাৰিব?

ঘৰলৈ আহি গা-পা ধুই চাহকাপ হাতত লৈ চোফা এখনত বহি পৰিল নীলিমাই। ৰুণুৰ মুখখনি বাৰে বাৰে অন্তৰত খুন্দিয়াই আছে। মনৰ দাপোণত প্ৰতিবিম্বিত হৈ থকা অতীত স্মৃতি পুনৰ ৰোমন্থন হ'ল। নীলিমাই কলেজত পঢ়ি থাকোতে মাক-দেউতাক ঢুকাল। মাক-দেউতাক ঢুকুৱাৰ পিছত খুৰাকৰ সৈতে থাকি স্কুলৰ সৰু সৰু ল'ৰ-ছোৱালী কেইজনমানক টিউচন কৰি পঢ়া খৰচ উলিয়াই কলেজৰ দেওনা পাৰ হয়। বিশ্ববিদ্যালয়তো তেনেদৰে নিজৰ খৰচ উলিয়াই শিক্ষা বিষয়ত প্ৰথম শ্ৰেণীৰ মাষ্টাৰ ডিগ্ৰী লয়।

গুৱাহাটী মহাবিদ্যালয়ত সুবিধা পাই শিক্ষা বিভাগত যোগদান কৰে। তাতেই অনুপমৰ লগত চিনাকী হয়। অনুপমৰ ঘৰখনেও নীলিমাক বোৱাৰী হিচাপে আদৰি অনাত আপত্তি নকৰিলে। দুবছৰ পাছত সিহঁতৰ মাজলৈ আহিল কণমানি পুচু।

পুচুকলৈ তেওঁলোকৰ আনন্দৰ সীমা নাই। কিমান যে কল্পনা-জল্পনা। পুচুৰ দুবছৰ বয়সত তেওঁলোকে এবাৰ কলিকতাৰ পৰা ফুৰি আহিবলৈ প্লেন কৰিলে। ভ্ৰমণটোত পুচুৰ যাতে কোনো অসুবিধা নহয় তাৰ বাবে সকলো ঠিক-ঠাক কৰি ৰেলেৰে যাত্ৰা কৰিলে। দুৰ্ভাগ্যই পিচে নীলিমাক এৰা নাছিল। সেই যাত্ৰাত তেওঁলোকে গৈ কলিকতা নাপালে। দুখন ৰেলৰ সংঘৰ্ষত বহুতো মানুহ মৃত্যু মুখত পৰে। অনুপমেও মৃত্যুৰ হাত সৰিব নোৱাৰিলে। পুচুৰ কোনো খবৰ নোলাল। নীলিমাই নিজকে হস্পিটালৰ বিচনাত আৱিষ্কাৰ কৰিলে। সেয়া আজি আঠ বছৰ আগৰ কথা। মানি ল'ব নোৱাৰিলেও পুচুৰ মৃত্যু হোৱা বুলি মানিবলৈ বাধ্য হৈ পৰিল। আনে নেদেখাকৈ নীলিমাই উচুপি উচুপি



MOHAN LAL CHOUDHURY LIBRARY :
Library :

পাৰ কৰিছে দিনবোৰ।

ৰুণুৰ পৰিচয়ে নীলিমাৰ মনটোক খেলি মেলি লগাই দিলে। ৰুণুৱে কৈছিল— "মোৰ দৰে অকলশৰীয়া বোধহয় কোনো নহয়। মোৰ মা-দেউতা নাই। মই সৰু থাকোতেই ৰেল দুৰ্ঘটনাত ঢুকাল বুলি মোৰ আশ্ৰয় দাতা খুড়াজনে কয়। মা-দেউতাৰ মৃত্যুৰ পিচত মোৰ খবৰ হোনো কোনোৱে লোৱা নাই। কোনোবা আছে যদিও নাজানো। খুড়াই ঠেলা চলায়। আজি কিছুদিনৰ পৰা খুড়া বৰ দুৰ্বল হৈ পৰিছে।

এক আকৰ্ষণে নীলিমাক বাছ আস্থানলৈ লৈ যায়। ৰুণুৰ সৈতে কথা পাতে, সুখ-দুখৰ অনুভূতিৰে ঘৰলৈ উভতি আহে। ৰুণুৰ মুখখন নীলিমাই হিয়াত আঁকি লৈছে। দিনযোৱাৰ লগে লগে দুয়ো-দুয়োৰে আপোন হৈ পৰিল। এদিনৰ বিৰতিত দুয়োৰে মন হাহাকাৰ কৰি উঠে। নীলিমাই নিজৰ দুৰ্ভগীয়া অতীতৰ কথাবোৰ ৰুণুৰ আগত ব্যক্ত কৰিলে। ৰুণু হৈ পৰিল বেছি আপোন।

এটা দিন আহিছিল যিদিনা ৰুণুৱে, নীলিমাক খুড়াকৰ লগত চিনাকী কৰি দিছিল আৰু খুড়াকে চকুলোৰে সিক্ত কঁপা কঁপা হাতখনেৰে ৰুণুৰ হাতত ধৰি সেহাই সেহাই কৈছিল— "ৰুণুৰ দায়িত্ব তুমি ল'বা মা। মই মুক্তি পালোহেতেন।" কথাষাৰ শুনি নীলিমাই উগুল-থুগুল ভাৱেৰে একো প্ৰকাশ কৰিব পৰা নাছিল কিন্তু হৃদয়খন শাত পৰিছিল। ভাবিছিল দুয়োজনীয়ে ইমান দিনে চকুলোৰ টোপালহে গোটালো, এতিয়া গোলাপৰ সুৰভিৰে জীৱন সৌৰভিত কৰিম জীৱনৰ বাকী কেইটা দিন।

খুড়াকৰ অসুস্থতাৰ বাবে যদিও বিচলিত হৈ আছিল তথাপি ৰুণুৰ মুখত হাঁহি বিৰিঙিছিল। হাহোঁ হাহোঁ কৰি থকা কিন্তু সুদীৰ্ঘ দিন ক্ৰন্দনসিক্ত ৰুণুৰ চকুজুৰি পুনৰ উজলি উঠিছিল।

ৰুণু আৰু নীলিমাৰ মন আকাশত সাতোৰঙে লুকাভাকু খেলিছিল। তাৰ মাজতে ৰুণু উচুপি উঠিছিল খুড়াকৰ কথা ভাবি। মানুহে অকল দুখতে আঘাত নাপায়, দুখৰ পিছত অহা অভাৱনীয় সুখতো আঘাত পায়।

খুড়াকৰ শুশ্ৰূষাৰ বাবে ৰুণুৱে কেইদিনমান যথেষ্ট কষ্ট কৰিছে। তাৰ ফাকে ফাকে নীলিমাক লগ পালে মনটো উলাহত নাচি উঠে।

আনদিনাৰ দৰেই নীলিমা সেইদিনাও বাছ আস্থানলৈ গ'ল। কিন্তু মানুহবোৰে কিয় এইদৰে জুম বান্ধি আছে? পৰিবেশটো গোমা। নীলিমাৰ চকুজুৰিয়ে বাতৰি কাকতেৰে সৈতে ৰুণুক বিচাৰি ফুৰিছে। নীলিমাৰ বুকুখন বিদ্যুৎবেগে জোকাৰণি খাই-গ'ল। উৎকণ্ঠিত ভাৱে আস্থানৰ কাষতে তামোল-পাণ বিক্ৰী কৰি থকা মহিলা গৰাকীৰ ওচৰলৈ গ'ল।

মহিলা গৰাকীৰ মুখত ৰুণুৰ খুড়াকৰ মুমূৰ্ষ অৱস্থাৰ কথা শুনিলে। মহিলা গৰাকীয়ে খুড়াক সাধাৰণ মানুহ হ'লেও কিমান উদাৰ, সদগুণী আছিল দুখমনে বিৱৰি ক'লে। লগতে মানুহজনে যে কৰোবাক বিচাৰি আছে সেই কথাও ক'লে।

নীলিমাই ধৈৰ্য্য ধৰি থাকিব নোৱাৰি কোন সময়ত গৈ ৰুণুৰ খুড়াকৰ ওচৰ পালে গমকে নাপালে। অন্তিম সময়ত খুড়াকেও যেন নীলিমালৈ বাট চাই আছিল।

বিচনাখনৰ কাষত বৈ থকা নীলিমাৰ পিনে কোনো ৰকমে চকুমেলি চালে। "ৰেল দুৰ্ঘটনাৰ স্থলীৰ পৰা বুটলি অনা ৰুণুজনী তোমাৰেই পুচু"— এইবুলি গোটাই দি মানুহজন মৃত্যুৰ শীতল কোলাত চিৰদিনলৈ শুই পৰিল।

নিথৰ হৈ থকা দেহটোৰ ওপৰত পৰি ৰুণুৱে হুকহুকাই কান্দিছে। ৰুণুক সাৱটিলে মৌন ভাষাৰে যেন নীলিমাই প্ৰকাশ কৰিছে— "তুমি অকলশৰীয়া নহয় মাজনী। আজিৰ পৰা মাৰ আচলেৰে মই তোমাক আৱৰি ৰাখিম।" ❑❑

## শ্বায়েৰী

সংগ্ৰহ ঃ মিজানুৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ

"হম ৰো ৰাহী হ্যায়
জো মঞ্জিল কী খবৰ ৰখতে হ্যায়,
পাৰ কাঁটে মে
ফুলকো নজৰ ৰখতে হ্যায়।"
— "আমি এনে পথিক
যি লক্ষ্যস্থানৰ প্ৰতি সচেতন,
ভৰিখন যদিও কাইটত
লক্ষ্য ফুলৰ প্ৰতিহে।"

"জব তুম মেৰি জিন্দেগী মে আয়ী
মেৰিতো তকদিৰ খুল গয়ী,
জব তুম মেৰি জিন্দেগী চে চলি গয়ী
মেৰিতো জিন্দেগী বৰবাদ হো গয়ী।"
— "যিদিনা তুমি মোৰ জীৱনলৈ আহিছিলা
মোৰ কপাল ফুলিছিল,
যিদিনা তুমি মোৰ জীৱনৰ পৰা গুচি গ'লা
মোৰতো জীৱন ধ্বংস হৈ গ'ল।"



MOHAN LAL CHOUDHURY LIBRARY :

# আশাভঙ্গ

◆ মফিদুল ইছলাম খান
স্নাতক ২ য় বৰ্ষ

লাজুকী কইনাৰ দৰে পৃথিৱীলৈ এন্ধাৰ নামিছে। আকাশত এটি দুটি তৰাই লুকা-ভাকু খেলিছে। গোসাঁই ঘৰত বাজিছে শঙ্খ-ঘণ্টা। কোনোটোৱে মোৰ মন চুব পৰা নাই। মনটো মাথোঁ উৰি যায় জুলিৰ ওচলৈ।

জুলিৰ সৈতে একেখন স্কুলত সৰুৰ পৰাই পঢ়ি আহিছো। তাইৰ কথাবোৰ, কামবোৰ মোৰ ভাল লাগে। সময় পাৰহৈ গৈ আছে। আমি অষ্টম শ্ৰেণীত উঠিলো। মই লাহে লাহে অনুভৱ কৰিব পৰা হলো যে মই জুলিক ভাল পাব লৈছো। মই অনুভৱ কৰোঁ জুলিয়ে আনৰ লগত হাঁহি ধেমালি কৰিলে মই সহ্য কৰিব নোৱাৰো। কিন্তু কোনো দিনে তাইৰ আগত প্ৰকাশ কৰিব নোৱাৰিলোঁ। দেউতাকৰ প্ৰমোচন হোৱাত



ইয়াৰ পৰা বদলি হৈ সিহঁত অইন ঠাইলৈ গ'ল। মনটোৱে যেন হাহাকাৰ কৰি উঠিল, তাইৰ ওচৰত মনৰ ভাব প্ৰকাশ কৰিব নাপাওঁতেই তাই আতৰি গ'ল।

তিনি বছৰ পিছত হাইস্কুলৰ দেওনা পাৰ হৈ কলেজত নাম ভৰ্ত্তি কৰিছোঁ। প্ৰথম দিনা কলেজলৈ গৈ গেটৰ সন্মুখতে স্মাৰ্ট, দেখনিয়াৰ ছোৱালী এজনী দেখি ক্ষন্তেক নচোৱাকৈ থাকিব নোৱাৰিলো। ছোৱালীজনীৰ চকুৰ চাৱনিয়ে, হাঁহো হাঁহোকৈ থকা ওঁঠ জুৰিয়ে মোৰ মন দাপোনত ঢৌ তুলি গ'ল। সুগঢ়ি মুখনিয়ে মোক জুলিৰ কথা মনত পেলাই দিলে। ক্লাচত সোমালো যদিও জুলিৰ কথাকে ভাবি ভাবি আপোন-পাহৰা হৈ থাকিলো।

ক্লাচৰ পৰা ওলাই দেখিলো ছোৱালীজনীয়ে হাতত কাগজ পাতি লৈ অফিচ ৰুমৰ পৰা ওলাই আহিছে। চিনাকী হোৱাৰ ইচ্ছাৰে ছোৱালীজনীৰ ওচৰলৈ গলো। ইয়ালৈ কি কাৰণে আহিছে? নাম কি? ইত্যাদি প্ৰশ্নৰ মাজেদি গম পালো স্কুলত মোৰ লগতে পঢ়া জুলি। কোনো দিন মোৰ মনৰ ভাৱ প্ৰকাশ কৰিব নোৱাৰা জুলিক পুনৰ এইদৰে একেখন কলেজত লগ পাম বুলি ভাবিব পৰা নাছিলো। জুলিৰ তিনি বছৰ আগতকৈ বহুত পৰিৱৰ্তন হ'ল।

আমাৰ ক্লাচবোৰ চলি থাকিল। ক্লাচত জুলিক দেখিলে মনটো ভাল লাগি থাকে। ঘৰলৈ আহি জুলিকলৈ নানান কল্পনা কৰোঁ। তুলিকাৰে জুলিৰ বিভিন্ন ভঙ্গীমা ধৰি ৰাখিছো। এইদৰে জুলিৰ প্ৰতি মোৰ প্ৰেম গভীৰ হৈ আহিল। মনতে ভাবো জুলিৰ আগত মোৰ মনৰ ভাব এইবাৰ প্ৰকাশ কৰিম। কিন্তু সন্মুখত পালে কোনো কথাই প্ৰকাশ কৰিব নোৱাৰোঁ।

লাহে লাহে বন্ধু মহলত মোৰ একপক্ষীয় প্ৰেমৰ কথা প্ৰচাৰিত হ'ল। এদিন বন্ধুবোৰৰ উৎসাহত মোৰ মনৰ ভাৱ জুলিৰ আগত প্ৰকাশ কৰিম বুলি



MOHAN LAL CHOUDHURY LIBRARY :
Library:

ঠিৰাং কৰিলোঁ। কিন্তু পিছ মুহূৰ্ততে ভাব হয় জানোচা জুলিয়ে অপ্ৰস্তুতহৈ মোৰ অন্তৰত আঘাত দিয়ে। এইদৰে মই জুলিৰ গোপন প্ৰেমিক হৈ থাকিলোঁ। তেওঁৰ প্ৰতি থকা প্ৰেমে মোক মোৰ প্ৰতিটো সৃষ্টিশীল কামত অনুপ্ৰেৰণা যোগায়।

কলেজীয়া জীৱনৰ শেষ বাৰ্ষিকত এদিন সন্মুখৰ বাৰান্দাত ৰৈ জুলি অহালৈ অপেক্ষাত ৰৈ আছো। এনেকৈ ৰৈ থাকোতে কেতিয়া ১২.০০ বাজিল ক'ব নোৱাৰিলোঁ। ক্লাচবোৰ চলি আছে যদিও মোৰ সেইদিনা ক্লাচ কৰা নহ'ল।

হঠাৎ দেখিলো জুলিয়ে বান্ধৱী গৰাকীৰ সৈতে আনন্দত আত্মহাৰাহৈ কলেজলৈ আহিছে। মই কল্পনা ৰাজ্যৰ পৰা বাস্তৱলৈ ঘূৰি আহিলো। জুলিৰ বান্ধৱীজনীয়ে ক্লাচলৈ আহি পিছদিনা কেণ্টিনত জুলিয়ে চাহৰ পাৰ্টি দিব বুলি আটাইবোৰকে নিমন্ত্ৰণ জনালে। মই ভাবিলো কালিয়ে মই সুযোগটো গ্ৰহণ কৰিম।

পিছদিনা আটাইবোৰ বন্ধু-বান্ধৱীয়ে অফ পিৰিয়দত কেণ্টিনলৈ গ'লো। এটি উৎসৱমুখৰ পৰিবেশে তেতিয়া বিৰাজ কৰিছে। জুলিৰ নলেগলে লগা বান্ধৱী মিলিয়ে ঠিয়হৈ পাৰ্টিৰ কাৰণটো ক'বলৈ ধৰিলে— "যোৱাকালি বিষয় শিক্ষক অঞ্জন চৌধুৰীয়ে আমাৰ আটাইৰে মৰমৰ বান্ধৱী জুলিক আঙুঠি পিন্ধাই বাক্‌দত্তা কৰি ৰাখে। অহা আঘোণতে বিয়াখন হ'ব।" সকলোবোৰ বন্ধু-বান্ধৱীয়ে আনন্দত উদ্বাউল হৈ পৰিল। কিন্তু মোৰ উৎসাহ যেন ক্ৰমশঃ জয়পৰি গ'ল। সেইদিনা জুলিক অভিনন্দন জনাবলৈ মোৰ মুখৰ মাত-নোলাল। অন্তৰেৰে অভিনন্দত জনাই, মই শিলৰ মূৰ্ত্তিৰ দৰে ৰৈ থাকিলোঁ।

মৰম যাচিবলৈ অনা ৰঙা গোলাপ ফুলপাহ লেৰেলি গ'ল। ঘৰলৈ উভতি গৈ ঘৰৰ বাৰান্দাত বহি আজি জুলিৰ কোনটো ভঙ্গীমা তুলিকাত ধৰি ৰাখিম ঠিক কৰিব পৰা নাই। ধূপ-ধূনাৰ গোন্ধ, শঙ্খ-ঘণ্টাৰ ধ্বনিয়ে আজি সকলো খেলিমেলি লগাইছে। ❑❑

## *সোঁৰৱণিৰ স্বৰ্ণৰেখা*

- তোমালোকৰ শিক্ষা যদি সততা আৰু পবিত্ৰতাৰ দৃঢ় ভেটিত গঢ়ি উঠা নাই, তেন্তে মই ভাবো তোমালোকৰ শিক্ষাৰ কোনো মূল্য নাই।"— মহাত্মা গান্ধী
- শিক্ষাই হৈছে মূল উপায় যি মানৱ জীৱনলৈ সুখ-শান্তি কঢ়িয়াই আনে। — এৰিষ্ট'টল
- আধুনিক সমাজত যিয়ে নিজক বিশ্বাস নকৰে তেওঁহে নাস্তিক। —স্বামী বিবেকানন্দ
- যদি উজ্জ্বল ভৱিষ্যত ৰচনা কৰিব খোজা তেনেহলে আগতে অতীতক ভালদৰে জানি লোৱা। — কনফুচিয়াচ
- ছাত্ৰ জীৱন বতাহৰ দৰে মুক্ত, স্ফটিকৰ দৰে উজ্জ্বল, লৱনুৰ দৰে কোমল কিন্তু দৃঢ় সংকল্পৰ বলত বজ্ৰতকৈও কঠিন। —দেশভক্ত তৰুণৰাম ফুকন

*সংগ্ৰাহক*— **বলোৰাম বৰ্মন**
স্নাতক প্ৰথম বৰ্ষ

- আমি যি জানো সি অতি সামান্য। আমি যি নাজানো , তাৰ সীমা নাই। এতেকে নিজক জ্ঞানী বুলি ভবা অনুচিত। —পাপলেচ
- লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কথা, কিন্তু নিজক পবিত্ৰ কৰাটো তাতকৈ বুদ্ধিমানৰ কাম। — মহাত্মা গান্ধী
- সৰু বৰ সকলোকে সমভাৱে আদৰিব পৰাটো প্ৰকৃত সবল, সুস্থ মন। —চেমুৱেল জনচন।
- কথা কমকৈ ক'বা, কাম বেছিকৈ কৰিবা, আনক উপদেশ কমকৈ দিবা, সজ লোকৰ উপদেশ বেছিকৈ শুনিবা। — চক্ৰেটিছ
- দীৰ্ঘকালীন কাজিয়া মানেই দুয়ো পক্ষই ক'ৰবাত ভুল কৰিছে। — ভল্টিয়াৰ

*সংগ্ৰাহক*— **মফিদুল ইছলাম খান**
স্নাতক দ্বিতীয় বৰ্ষ



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# ‘ছাত্ৰ-ছাত্ৰীৰ মনৰ কথাৰে’

MOHAN LAL CHOUDHURY LIBRARY :
Library :



'ছাত্ৰ-ছাত্ৰীৰ মনৰ কথাৰে' নাম দি খোলা এই শিতানৰ আলোচনী সম্পাদনা সমিতিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে তিনিটা প্ৰশ্ন আগবঢ়াইছিল। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ আশানুৰূপ সহযোগ পোৱা গৈছিল যদিও স্থানৰ অভাৱত সকলোবোৰ প্ৰকাশ কৰিব পৰা নহ'ল। আশা কৰোঁ এই শিতানে ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ কথা প্ৰকাশ কৰাত কিঞ্চিত হ'লেও সহায় কৰিব ভৱিষ্যতলৈ।

— সম্পাদক

প্ৰশ্নসমূহ ঃ

১। এই মহাবিদ্যালয়ৰ অনুশাসন সম্পৰ্কত তোমাৰ মতামত কি ?

২। এই মহাবিদ্যালয়ত প্ৰত্যক্ষ নিৰ্বাচনত অংশ গ্ৰহণ কৰি তোমাৰ কেনে লাগিছে ?

৩। এই মহাবিদ্যালয়ত কেণ্টিনৰ আৱশ্যকতা সম্পৰ্কত তোমাৰ মতামত কি ?



MOHAN LAL CHOUDHURY LIBRARY :

**ৰূপজ্যোতি পাটোৱাৰী**
স্নাতক তৃতীয় বৰ্ষ



১। প্ৰত্যেক মহাবিদ্যালয়তে অনুশাসন আছে আৰু থকাটো বাঞ্চনীয়। আমাৰ মহাবিদ্যালয়ৰো অনুশাসন সম্পৰ্কে এক কথাত ক'বলৈ গ'লে অধিক উন্নত মানৰ আৰু প্ৰশংসনীয়। এই মহাবিদ্যালয়ৰ ছাৰ বাইদেউ সকলৰ কটকটীয়া অনুশাসনৰ মাজেৰে ছাত্ৰ-ছাত্ৰী সকলে অগ্ৰসৰ হোৱাৰ ফলত এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল বিপথগামী হোৱাৰ পৰিৱৰ্তে ভাল পথলৈ আগুৱাই যোৱা পৰিলক্ষিত হৈছে। আৰু মই আশা কৰো যে এই মহাবিদ্যালয়খনৰ যিমানখিনি উন্নতি হৈছে, ভৱিষ্যতলৈকে তাতকৈ অধিক উন্নতি হওঁক তাৰ বাবে ভগৱানৰ ওচৰত মই প্ৰাৰ্থনা কৰিছো।

২। মই প্ৰত্যক্ষ নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ পাই অতিশয় আনন্দিত। এইবাৰ আমাৰ মহাবিদ্যালয়ত হোৱা প্ৰত্যক্ষ নিৰ্বাচনৰ ফলত শৈক্ষিক বাতাবৰণৰ ক্ষেত্ৰত কোনো ধৰণৰ বাধাৰ সৃষ্টি হোৱা নাই। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনাও ঘটা নাই।

৩। আমাৰ মহাবিদ্যালয়ত এখন স্থায়ী কেন্টিনৰ আৱশ্যকতা আছে বুলি মই ভাবো, কাৰণ বহুতো ছাত্ৰ-ছাত্ৰীয়ে কেন্টিনৰ অভাৱত ক্লাছ ক্ষতি কৰি মহাবিদ্যালয়ৰ পৰা বহু আঁতৰত থকা হোটেললৈ খাবলৈ যায়। ফলত অবাবত ছাত্ৰ-ছাত্ৰীৰ মূল্যবান সময় নষ্ট হয়। সেয়ে মহাবিদ্যালয়ৰ চৌহদত এখন কেন্টিনৰ আৱশ্যকতা অনুভৱ কৰো।

**শ্বাহ আলম আহমেদ**
স্নাতক দ্বিতীয় বৰ্ষ



১। এই মহাবিদ্যালয়খনৰ অনুশাসন খুবেই ভাল। আমাৰ মহাবিদ্যালয়খনত কঠোৰ অনুশাসন প্ৰয়োগৰ ফলতেই 'ৰেগিং'ৰ দৰে এক সামাজিক ব্যাধিৰ পৰা আমাৰ মহাবিদ্যালয় সম্পূৰ্ণ মুক্ত। লগতে আমাৰ মহাবিদ্যালয়ত বিশেষ অনুশাসন প্ৰয়োগৰ ফলত নকলৰ দৰে ভয়াবহ ব্যাধিৰ পৰাও ছাত্ৰ-ছাত্ৰীসকল আঁতৰত থাকে। সেয়েহে এই মহাবিদ্যালয়খনৰ অনুশাসনত মোৰ কোনো দ্বি-মত নাই, বৰং প্ৰশংসনীয়।

২। এই মহাবিদ্যালখনৰ প্ৰত্যক্ষ নিৰ্বাচনত অংশ গ্ৰহণ কৰি মোৰ বৰ ভাল লাগিছে। কিয়নো এই পদ্ধতি গণতন্ত্ৰৰ প্ৰকৃত নিৰ্বাচন পদ্ধতি। প্ৰত্যক্ষ নিৰ্বাচন পদ্ধতিত সকলোৱে নিজৰ নিজৰ মনোনীত প্ৰাৰ্থীক ভোট দান কৰিব পাৰে। গতিকে এই প্ৰত্যক্ষ নিৰ্বাচন পদ্ধতি গ্ৰহণযোগ্য।

৩। এই মহাবিদ্যালয় চৌহদৰ ভিতৰত কেন্টিনৰ আৱশ্যকতা আছে বুলি মই ভাবো। কাৰণ ছাত্ৰ-ছাত্ৰীসকলে দুপৰীয়া ভোক নিবাৰণৰ কাৰণে প্ৰায় ১ কিঃ মিঃ দূৰলৈ যাবলগীয়া হয়। ফলত ছাত্ৰ-ছাত্ৰীসকলে অসুবিধাৰ সন্মুখীন হয়। সেয়েহে মই ভাবো যে অতি শীঘ্ৰেই এই মহাবিদ্যালয়ত স্থায়ী কেন্টিনৰ ব্যৱস্থা কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰী সকলৰ অসুবিধা আঁতৰিব।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

**জয়া ঘোষ**
স্নাতক দ্বিতীয় বৰ্ষ



১। গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অনুশাসনৰ বিষয়ে মোৰ মতামত এই যে— মই জনাত আন কলেজৰ তুলনাত আমাৰ কলেজৰ অনুশাসন ব্যৱস্থা অধিক কট্‌কটীয়া। কলেজত কিছুমান নিয়ম আছে কিন্তু দেখা যায় যে সেই নিয়মবোৰৰ ভিতৰত কিছুমান নিয়ম ছাত্ৰ-ছাত্ৰী কিছুমানে মানি চলে আৰু কিছুমানে নামানে। ইয়াৰ ভিতৰত এটা হ'ল আমাৰ কলেজৰ অধ্যক্ষ ছাৰে সদায় সোঁৱৰাই দি থাকে যে কলেজ গেটৰ বাহিৰত ওলাই থাকিব নালাগে, কিন্তু এই নিয়মটো কিছুমান ছাত্ৰ-ছাত্ৰীয়ে উপলব্ধি নকৰে। এই ক্ষেত্ৰত মই ভাবো আৰু অধিক গুৰুত্ব দিব লাগে যাতে কলেজৰ সুনাম অক্ষুন্ন থাকে। কলেজ চৌহদৰ অনুশাসন মানি চলিবলৈ বাধ্য হোৱা বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত কোনো বিশৃঙ্খলতা দেখা নাযায়।

২। এই মহাবিদ্যালয়ত প্ৰত্যক্ষ নিৰ্বাচনত অংশগ্ৰহণ কৰি মোৰ ভালে লাগিছে। কিয়নো আগৰ নিৰ্বাচন পদ্ধতিতকৈ ২০০৬ চনৰ নিৰ্বাচন গণতান্ত্ৰিক পদ্ধতিত হৈছে। আশা কৰিছো এই পদ্ধতিটো যেন আগলৈ বৰ্তি থাকে। এই পদ্ধতিত নিৰ্বাচন হ'লে কোনো ধৰণৰ গণ্ডগোল হোৱাৰ ভয় নাথাকে।

৩। এই মহাবিদ্যালয়ৰ সমস্যাবোৰৰ ভিতৰত এটা সমস্যা হ'ল কেণ্টিনৰ অভাৱ। আমাৰ শ্ৰেণীবোৰ পুৱা ৯-১৫ বজাৰ পৰা দিনৰ ৩-১৫বজালৈ চলে। সেয়েহে মাজতে শ্ৰেণী নথকা সময়ত চাহ-পানী খাবলৈ এখন কেণ্টিনৰ প্ৰয়োজন হয়। দেখা যায় বহুতো ছাত্ৰ-ছাত্ৰী ভোক-পিয়াহত ২.৩০ বজাৰ শ্ৰেণী বাদ দি ঘৰলৈ যায়। কেণ্টিন এখনত থাকিলেও কিছুমান অসুবিধা নথকা নহয়, যেনে— কলেজ সপ্তাহ বা নৱাগত আদৰণি সভাৰ সময়ত বাহিৰৰ পৰা ল'ৰা-ছোৱালী আহি কেণ্টিনত আড্ডা দিলে নতুন সমস্যাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। তথাপি শ্ৰেণীবোৰ চলি থকা সময়ত কেণ্টিনৰ অভাৱ অনুভৱ কৰা যায়। শেষত মহাবিদ্যালয়ৰ উত্তোৰত্তৰ উন্নতি কামনা কৰিলোঁ।

**শান্তা সাহা**
স্নাতক দ্বিতীয় বৰ্ষ



১। শিক্ষা আহৰণৰ প্ৰথম স্তৰ অতিক্ৰম কৰি মই গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অনুশাসন ব্যৱস্থা সম্বন্ধে জানিব পাৰিছো। মহাবিদ্যালয়ৰ অনুশাসন খুবেই ভাল। শিক্ষক-শিক্ষয়িত্ৰী সকলে যিদৰে ছাত্ৰ-ছাত্ৰীক মৰম কৰে ঠিক সেইদৰে উচিত সময়মতে তেওঁলোকক শাসনো কৰে। অনুশাসন শিথিল হ'লে সকলো পিনে শ্ৰেণীকোঠাৰ পৰা খেল পথাৰতো বিশৃঙ্খল পৰিস্থিতিয়ে বিৰাজ কৰিলেহেতেন। প্ৰত্যেকেই এই অনুশাসন মানি চলে বাবে নিয়মিত ভাবেই শ্ৰেণীবোৰ চলি থাকে আৰু সময়মতে গোট পৰীক্ষা লগতে Academic Calendar অনুসৰি সকলো কাম সময়মতে হয়। অনুশাসন সম্পৰ্কত এইখিনিয়ে মোৰ মতামত।

২। এই মহাবিদ্যালয়ত প্ৰতিবছৰে ছাত্ৰ একতা সভাৰ প্ৰাৰ্থী নিৰ্বাচিত হয়। কিন্তু আনবাৰতকৈ ২০০৬ চনৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো পৃথক হৈছে। প্ৰত্যক্ষ নিৰ্বাচনী ব্যৱস্থাটো অতি সুস্থিৰ আৰু সুকলমে পাৰ হৈছে বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নথৈ আনন্দিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলে কোনো ভাবাবেগৰ বশৱৰ্তী নহৈ স্বাধীনভাৱে ভোটদান কৰিব পাৰিছে। প্ৰত্যক্ষ নিৰ্বাচনত অংশলৈ মোৰ ভাল লাগিছে আৰু আশা কৰিছোঁ অনাগত দিনবোৰতো এনেদৰেই প্ৰত্যক্ষ নিৰ্বাচন হ'ব আৰু ফলাফলো সঠিক হ'ব।



MOHAN LAL CHOUDHURY LIBRARY :

৩। গণেশলাল চৌধুৰী মহাবিদ্যালয় বৰপেটাৰোড় চহৰৰ মাজ মজিয়াত অৱস্থিত যদিও ইয়াত বহুতো সমস্যা আছে। তাৰ ভিতৰত কেণ্টিনৰ আৱশ্যকতাৰ কথাও আওকাণ কৰিব নোৱাৰি। এই মহাবিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে নিয়মীয়াকৈ শ্ৰেণীবোৰ চলাই নিয়ে কিন্তু ভোক, পিয়াহত কাতৰহে ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীবোৰ সম্পূৰ্ণ নকৰি গুচি যায়। সেয়েহে এজনী ছাত্ৰী হিচাপে মহাবিদ্যালয়ৰ কেণ্টিনৰ সমস্যাটোৰ ভাৰ ছাত্ৰ একতা সভাৰ সদস্যসকলে এৰি কৰ্ত্তৃপক্ষক জনাবলৈ অনুৰোধ কৰিলো।

**মতিউৰ ৰহমান**
স্নাতক দ্বিতীয় বৰ্ষ



১। গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অনুশাসন সম্পৰ্কে মোৰ কোনো ধৰণৰ আপত্তি নাই কিয়নো এই অনুশাসনে ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তি স্বাধীনতাত কোনো ধৰণৰ ব্যাঘাত নজন্মায়। এই মহাবিদ্যালয়ৰ অনুশাসন মানি চলি মই বৰ আনন্দিত হৈছো। এই ধৰণৰ অনুশাসনে ছাত্ৰজীৱন শৃঙ্খলাবদ্ধ হোৱাত সহায়ক হ'ব বুলি মই ভাবো।

২। গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ প্ৰত্যক্ষ নিৰ্বাচনত অংশ গ্ৰহণ কৰি মোৰ ভাল লাগিছে। কাৰণ যিসকলে ছাত্ৰ একতা সভাৰ সদস্য হ'ব তাত যোগ্য প্ৰাৰ্থী নিৰ্বাচনৰ সুবিধা থাকিব। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মতামত প্ৰদানেৰে প্ৰাৰ্থী নিৰ্বাচন কৰিব পাৰিব। গতিকে মই আশা কৰিছো যে প্ৰত্যক্ষ নিৰ্বাচনত অংশ গ্ৰহণ কৰি মোৰ দৰে আনৰো ভাল লাগিছে আৰু আগলৈ প্ৰত্যক্ষ নিৰ্বাচন চলি থাকিব। এই প্ৰত্যক্ষ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলে যদি জাতি, ধৰ্ম, ভাষা, বৰ্ণ আদি নিৰ্বিশেষে কোনো ধৰণৰ সাম্প্ৰদায়িক ভাবত ভোট দান নকৰি নিজৰ বিবেক বুদ্ধিৰে যোগ্য ব্যক্তিক চিনাক্ত কৰি ভোটাধিকাৰ সাব্যস্ত কৰে তেন্তে সুস্থ সবল ছাত্ৰ একতা সভা আশা কৰিব পাৰি। তেতিয়াহে সদস্যসকলৰ বুদ্ধি আৰু সহযোগত কলেজখন আৰু উন্নতিৰ পথত আগুৱাব পাৰিব।

৩। কলেজ এখনত কেণ্টিনৰ প্ৰয়োজন নিত্যান্ত। আমাৰ কলেজ কেণ্টিন এখনে ছাত্ৰসকলৰ ছাত্ৰ জিৰণিকোঠাৰ অভাৱ কিছু পৰিমাণে পূৰণ কৰিব পাৰিলেহেতেন। যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে লঘু আহাৰ লগতলৈ নাহে তেওঁলোকৰ বাবে বৰ অসুবিধা হয়। গতিকে আমি আশা কৰো কৰ্ত্তপক্ষই অচিৰে কলেজত এখন কেণ্টিনৰ ব্যৱস্থা কৰিব।

**বিপ্লৱ চন্দ্ৰ পণ্ডিত**
স্নাতক দ্বিতীয় বৰ্ষ



১। গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ অনুশাসন সম্পৰ্কে মোৰ মতামত এই যে আন কলেজৰ তুলনাত আমাৰ কলেজৰ অনুশাসন কট্‌কটীয়া। অনুশাসন কট্‌কটীয়া হোৱাৰ বাবে সকলো নিয়ম শৃঙ্খলাবদ্ধভাবে পালন কৰা হয়। এই অনুশাসনৰ বাবেই ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰ গঠনৰ যথেষ্ট সহায়ক হৈছে বুলি মই ভাবো। যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে কলেজৰ নিয়ম ভঙ্গ কৰিব খোজে তেওঁলোকৰ প্ৰতি ছাত্ৰ একতা সভাৰ সদস্য সকল সচেতন হোৱা উচিত।

২। এই কলেজত প্ৰত্যক্ষ নিৰ্বাচনত অংশ গ্ৰহণ কৰি মোৰ ভাল লাগিছে। কাৰণ ইয়াত প্ৰতিনিধিৰ কোনো অসুবিধাৰ কথা নাহে। ছাত্ৰ-ছাত্ৰীয়ে ইচ্ছানুসৰি ভোট দান কৰিব পাৰিছে। ভোটদানৰ সময় দিনৰ ৯



MOHAN LAL CHOUDHURY LIBRARY :
Library:

বজাৰ পৰা ২ বজালৈ হৈ ভোটগণনা পিছদিনা ৰাতিপুৱা ১০ বজাৰ পৰা আৰম্ভ কৰিলে ভাল হ'ব বুলি মই ভাবো।

৩। আমাৰ কলেজত কেণ্টিনৰ আৱশ্যক আছে বুলি মই ভাবো। কেণ্টিন নথকা বাবে ছাত্ৰ-ছাত্ৰী বিলাকে বাহিৰলৈ যাব লগা হয়। বহুতো ছাত্ৰ-ছাত্ৰীয়ে বাহিৰতগৈ খাবলৈ টান পাই ক্লাচ নকৰি ঘৰলৈ গুচি যায়। কলেজ কৰ্তৃপক্ষই কলেজ চলি থকা সময়ত কেণ্টিন এখনৰ ব্যৱস্থা কৰিলে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ যথেষ্ট সুবিধা হ'ব। যদিও সৰু-সুৰা অসুবিধা থাকে তথাপি কেণ্টিনৰ পৰা কৰ্তৃপক্ষও আৰ্থিকভাৱে লাভবান হ'ব বুলি মই ভাবো।

গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

**সুনীতা সাহা**

স্নাতক মহলা



১। এই মহাবিদ্যালয়ৰ অনুশাসন ব্যৱস্থা খুবেই ভাল। শিক্ষক-শিক্ষয়িত্ৰী সকলে তেখেতসকলৰ শিক্ষাদান কাৰ্য্য অতি সুচাৰুৰূপে পালন কৰে। ছাৰ-বাইদেউ সকলে আমাৰ অন্যায় কাৰ্য্যত শাসনো কৰে। ভৱিষ্যতলৈ এনে অনুশাসন প্ৰত্যেকেই মানি চলিব বুলি মই কামনা কৰো।

২। মহাবিদ্যালয়ত প্ৰত্যক্ষ নিৰ্বাচনত অংশলৈ মোৰ বৰ ভাল লাগিছে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ইচ্ছা অনুসৰি ভোটদান কৰিব পাৰিছে। আন বছৰৰ তুলনাত এই বছৰ নিৰ্বাচন পদ্ধতি গণতান্ত্ৰিক হোৱাত নথৈ আনন্দিত হৈছো। ফলাফল গণনাৰ সময়টো পৰিৱৰ্তন কৰিলে ছাত্ৰ-ছাত্ৰীৰ বাবে সুবিধা হয়। কিয়নো দূৰৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাতিলৈ থাকিব নোৱাৰে, তাৰোপৰি নিৰ্বাচনী ফলাফল নিজেই লগে লগে জনাৰ আগ্ৰহ থাকে। সেই কাৰণে মোৰ মতামত এই যে ফলাফল জনাৰ আনন্দখিনিও যাতে পাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখে যেন।

৩। ভেঙ্গাৰ মহাবিদ্যালয় হিচাপে আমাৰ মহাবিদ্যালয়ত যথেষ্ট সুবিধা থাকিলেও এখন কেণ্টিনৰ অভাৱ বাৰুকৈ অনুভৱ কৰা যায়। সেয়েহে সকলো দিশ চালিজাৰি কৰ্তৃপক্ষই যাতে এখন কেণ্টিনৰ ব্যৱস্থা কৰে তাৰ বাবে অনুৰোধ জনালোঁ।

**মণ্টু কুমাৰ তালুকদাৰ**

স্নাতক প্ৰথম বৰ্ষ



১। গণেশ লাল চৌধুৰী মহাবিদ্যালয়খনৰ অনুশাসন মই জনাত আন মহাবিদ্যালয়ৰ তুলনাত যথেষ্ট কটকটীয়া। ইয়াত সময়সূচী অনুসৰি সকলো কাম হয়।

২। এই মহাবিদ্যালয়ত প্ৰত্যক্ষ নিৰ্বাচনত অংশ গ্ৰহণ কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি নিজ ইচ্ছামতে শান্তি শৃংখলা অটুট ৰাখি ভোটদান কৰিব পাৰিছো।

৩। এই মহাবিদ্যালয়ত কেণ্টিনৰ অৱশ্যকতা আছে। কাৰণ এই মহাবিদ্যালয়ৰ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই দূৰ-দূৰণিৰ। দ্বিতীয়তে, কেণ্টিন নথকাত ছাত্ৰ-ছাত্ৰীসকলে বাহিৰৰ দোকানত বহি থাকে আৰু মাজে সময়ে কাজিয়া -পেচাল লাগি মহাবিদ্যালয়ৰ সুনাম নষ্ট কৰে। মহাবিদ্যালয়ত কেণ্টিনৰ ব্যৱস্থা থাকিলে সকলো সমস্যা চৌহদৰ ভিতৰতে সমাধান হ'ব।



MOHAN LAL CHOUDHURY LIBRARY :

Library:

**ছৈয়দা নাজমিনা আহমেদ**

স্নাতক মহলা



১। এই মহাবিদ্যালয়ৰ অনুশাসন ব্যৱস্থা ভালেই তথাপি আৰু কট্‌কটীয়া হোৱা উচিত বুলি মই ভাবো। যাতে সেই অনুশাসন ল'ৰা-ছোৱালীয়ে মানি ল'বলৈ বাধ্য হৈ পৰে। (য'ত বাধ্যবাধকতা থাকে তাত শৃংখলাও থাকে।)

২। এই মহাবিদ্যালয়ত প্ৰত্যক্ষ নিৰ্বাচনত অংশ গ্ৰহণ কৰি মোৰ খুবেই ভাল লাগিছে। আশা ৰাখিছো, যাতে ভৱিষ্যতে নিৰ্বাচন পদ্ধতি ইয়াতকৈ আৰু বেছি উন্নত মানৰ হয়।

৩। মহাবিদ্যালয়খনত কেণ্টিনৰ আৱশ্যকতা আছে। কেণ্টিনৰ ব্যৱস্থা নথকা বাবে ছাত্ৰ-ছাত্ৰীসকলে ভোক-পিয়াহ দূৰ কৰাৰ বাবে কলেজৰ বাহিৰত চাহ খাব যাব লাগে। বাহিৰলৈ যাবলগীয়া হোৱাত কেতিয়াবা অশালীন মন্তব্যও শুনিবলগীয়া হয়। সেয়েহে কলেজ কৰ্তৃপক্ষক বিনম্ৰ অনুৰোধ কৰিছো যাতে তেওঁলোকে কেণ্টিনৰ ব্যৱস্থা কৰি দিয়ে।

**মুন মুন পাঠক**

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



১। এই মহাবিদ্যালয়ৰ অনুশাসন খুবেই ভাল। অনুশাসন নাথাকিলে কোনো ক্ষেত্ৰতে শৃঙ্খলা বজাই ৰাখিব নোৱাৰি। তাৰোপৰি অনুশাসন কঠোৰ নহ'লে ছাত্ৰ অৱস্থাৰ পৰাই সুস্থ নৈতিক চৰিত্ৰ গঢ়ি উঠিব নোৱাৰে। মহাবিদ্যালয়ৰ অনুশাসন ব্যৱস্থাই আমাৰ নৈতিক চৰিত্ৰ গঠনত সহায় কৰিব।

২। প্ৰত্যক্ষ নিৰ্বাচনত অংশ গ্ৰহণ কৰি ভাল লাগিছে। আগতে পৰোক্ষ নিৰ্বাচনৰ জৰিয়তে ইচ্ছা অনুযায়ী প্ৰাৰ্থী নিৰ্বাচন কৰিব পৰা নাছিলো। প্ৰত্যক্ষ নিৰ্বাচনেই ভাল বুলি ক'ব পাৰো।

৩। এই মহাবিদ্যালয়ত কেণ্টিনৰ সুবিধা নাই। কেণ্টিন এখন থকাটো অতি আৱশ্যক। কেণ্টিন নথকা বাবে বাহিৰত খাবলৈ গৈ ছাত্ৰ-ছাত্ৰীয়ে বহুতো অসুবিধা ভোগ কৰি আছে।

## তিতা মিঠা

- কোনো কামৰে ভৱিষ্যত নাই। ভৱিষ্যত নিৰ্ভৰ কৰে কামত লাগি থকা মানুহজনৰ ওপৰতহে।
- মানুহৰ মন পেৰাছুটৰ দৰেই, খোলা গলেহে ই ক্ৰিয়াশীল হয়।
- কথা বেছি কোৱা মানুহে কাম বেছি কৰিব নোৱাৰে।
- অহংকাৰী লোক কুকুৰাৰ দৰে। কাৰণ কুকুৰাই ভাৱে সি ডাক দিয়াৰ বাবেহে ৰাতি পুৱায়।
- ধৈৰ্য্য নেহেৰুৱাবলৈ সাহস লাগে আৰু সাহসী হবলৈ ধৈৰ্য্য লাগে।
- আনক চমক লগাবলৈহে কিতাপ অধ্যয়ন কৰিব লাগে।
- পৰিস্থিতিয়ে মানুহৰ সৃষ্টি নকৰে, মানুহে পৰিস্থিতি সৃষ্টি কৰে।
- এজনী ছোৱালীৰ দোষ ধৰা পেলাবলৈ তেওঁৰ গুণ আন এজনীৰ আগত বখানক।
- পুৰুষতকৈ নাৰী বেছি জ্ঞানী কিয়নো তেওঁলোকে জানে কম, বুজে বেছি।

সংগ্ৰাহক— **বীণা দাস**

উঃ মাঃ দ্বিতীয় বৰ্ষ



MOHAN LAL CHOUDHURY LIBRARY :

Library :



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ



*বাওঁফালৰ পৰা (বহি)ঃ*

সৰ্বশ্ৰী ছেলিম উদ্দিন (প্ৰবক্তা, শিক্ষা বিভাগ); মোছলেম উদ্দিন আহমেদ (প্ৰবক্তা, শিক্ষা বিভাগ); মিৰাণ হুচেইন চৌধুৰী (প্ৰবক্তা, বুৰঞ্জী বিভাগ); মোঃ ৰমজান আলী (প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ); সঞ্জীৱ কুমাৰ দাস (প্ৰবক্তা, নৃতত্ত্ব বিভাগ); জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ); পূৰ্ণ বাহাদুৰ ছেত্ৰী (প্ৰবক্তা, হিন্দী বিভাগ); মিচেচ্ জয়া বিশ্বাস কুণ্ড (প্ৰবক্তা, অৰ্থনীতি বিভাগ); মিচেচ্ দীপিকাদেৱী চৌধুৰী (প্ৰবক্তা, দৰ্শন বিভাগ); মিচেচ্ ৰূপামণি কাকতি (প্ৰবক্তা, অসমীয়া বিভাগ); মিচেচ্ প্ৰভা দাস (প্ৰবক্তা, ইংৰাজী বিভাগ)।

*বাওঁফালৰ পৰা (থিয় হৈ)ঃ*

সৰ্বশ্ৰী গিয়াছ উদ্দিন আহমেদ (প্ৰবক্তা, বুৰঞ্জী বিভাগ); মুকুট খান (প্ৰবক্তা, ইংৰাজী বিভাগ); মিচ্ নিজৰা ঠাকুৰীয়া (প্ৰবক্তা, দৰ্শন বিভাগ); মিচেচ্ যুথিকা তালুকদাৰ (প্ৰবক্তা, অসমীয়া বিভাগ); মিচেচ্ পিয়ালী ঘোষ (প্ৰবক্তা, অৰ্থনীতি বিভাগ); মিচ্ দীপামণি মেধি (প্ৰবক্তা, অসমীয়া বিভাগ); মিচেচ্ বীণাপানি বসুমতাৰী (প্ৰবক্তা, দৰ্শন বিভাগ); মিচ্ মাইকন বসুমতাৰী (প্ৰবক্তা, বড়ো বিভাগ); বাবুল সৰকাৰ (প্ৰবক্তা, ইংৰাজী বিভাগ); খনিন্দ্ৰ কুমাৰ নাথ (প্ৰবক্তা, অৰ্থনীতি বিভাগ); হেমন্ত কুমাৰ দাস (প্ৰবক্তা, অসমীয়া বিভাগ)।

*অন্তিম শাৰী (থিয় হৈ)ঃ*

সৰ্বশ্ৰী ৰূপনজিৎ দাস (প্ৰবক্তা, বুৰঞ্জী বিভাগ); নৃপেন দাস (প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ); মদন মোহন ব্ৰহ্ম (প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ); মোঃ আবু চামা (প্ৰবক্তা, হিন্দী বিভাগ); কল্যাণ তালুকদাৰ (প্ৰবক্তা, ইংৰাজী বিভাগ)।

*অনুপস্থিত শিক্ষক-শিক্ষয়িত্ৰীঃ*

সৰ্বশ্ৰী সন্তোষ কুমাৰ সাহা (প্ৰবক্তা, বঙালী বিভাগ); আনন্দ ঘোষ (প্ৰবক্তা, বঙালী বিভাগ); সোণমণি দাস (প্ৰবক্তা, নৃতত্ত্ব বিভাগ); জুনুমণি বসুমতাৰী (প্ৰবক্তা, বড়ো বিভাগ)।

MOHAN LAL CHOUDHURY LIBRARY :

Library :

# মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতি
## ২০০৫-২০০৬ বৰ্ষ



*বাওঁফালৰ পৰা (বহি) ঃ*

সৰ্বশ্ৰী ৰূপামণি কাকতি (সদস্যা), মাইকন বসুমতাৰী (সদস্যা), পূৰ্ণ বাহাদুৰ ছেত্ৰী (উপদেষ্টা), জয়া বিশ্বাস কুণ্ডু (উপদেষ্টা); জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ / সভাপতি); সঞ্জীৱ কুমাৰ দাস (উপদেষ্টা); দীপিকা দেৱী চৌধুৰী (তত্ত্বাৱধায়িকা)।

*বাওঁফালৰ পৰা (থিয় হৈ) ঃ*

সৰ্বশ্ৰী প্ৰভা দাস (তত্ত্বাৱধায়িকা), মুছলেম উদ্দিন আহমেদ (সদস্য), হেমন্ত কুমাৰ দাস (সদস্য), মুকুট খান (সদস্য), মোঃ ৰমজান আলী (উপদেষ্টা), মিল্টন বসুমতাৰী (সম্পাদক)।

MOHAN LAL CHOUDHURY LIBRARY :

Library :

# মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ স'তে কৰ্মচাৰীবৃন্দ



*বাওঁফালৰ পৰা (বহি) ঃ*

সৰ্বশ্ৰী লৱ কুমাৰ কলিতা (গ্ৰন্থাগাৰিক), জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ), মুনীন্দ্ৰ কুমাৰ দাস (মুখ্য কাৰ্য্যালয় সহায়ক)

*বাওঁফালৰ পৰা (থিয় হৈ) ঃ*

সৰ্বশ্ৰী উদ্ধৱ চন্দ্ৰ পাঠক (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী), টিকেন নাথ (নিম্ন বৰ্গৰ সহায়ক), নৰ কুমাৰ দাস (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী), বীৰেশ্বৰ মজুমদাৰ (গ্ৰন্থাগাৰ সহায়ক)

*অনুপস্থিত কৰ্মচাৰীসকল ঃ*

সৰ্বশ্ৰী অজিত কুমাৰ ৰয় (নিম্ন বৰ্গৰ সহায়ক), মহন্ত বৰ্মন (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী), ৰপন ব্ৰহ্ম (নৈশ প্ৰহৰী), চিত্তৰঞ্জন সৰকাৰ (নৈশ প্ৰহৰী), শ্ৰী লচমন বাচ্ফৰ (চাফাই কৰ্মচাৰী)।

MOHAN LAL CHOUDHURY LIBRARY :

Library :

# মহাবিদ্যালয়ৰ অতীতৰ সোণালী ছবি





প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন আৰু প্ৰদৰ্শনীৰ একাংশ



প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ মুহূৰ্ত



সাংস্কৃতিক সন্ধিয়া উপভোগৰ মুহূৰ্তত
একাংশ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী



সাংস্কৃতিক অনুষ্ঠানত বিহু নৃত্য পৰিবেশন কৰিছে
এগৰাকী ছাত্ৰীয়ে



সাংস্কৃতিক অনুষ্ঠানৰ এটি আধুনিক নৃত্যৰ
ভংগীমাত দুজন ছাত্ৰ

MOHAN LAL CHOUDHURY LIBRARY :
Library :

# মহাবিদ্যালয়ৰ অতীতৰ সোণালী ছবি



ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ এটি মুহূৰ্ত



নিজৰ পচন্দৰ প্ৰাৰ্থী গৰাকীক ভোট দিয়াৰ বাবে শাৰী পাতি থিয় হৈ আছে একাংশ ছাত্ৰ-ছাত্ৰী



মহাবিদ্যালয় সপ্তাহৰ দৰা-কইনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা একাংশ প্ৰতিযোগী



বিদ্যাৰ অধিষ্ঠাত্ৰী সৰস্বতীক দেৱীক পূজাৰ্চনাৰ এটি মুহূৰ্ত



পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ লক্ষ্যত ব্যস্ত একাংশ ছাত্ৰ-ছাত্ৰী



শিক্ষক-শিক্ষয়িত্ৰীৰ এটি আনন্দৰ মুহূৰ্ত

MOHAN LAL CHOUDHURY LIBRARY :

# মহাবিদ্যালয়ৰ অতীতৰ সোণালী ছবি



ভাষণৰত অৱস্থাত বৰনগৰ কলেজৰ আমন্ত্ৰিত অতিথি
ড° স্বৰ্ণলতা দাস (জ্যেষ্ঠ অধ্যাপিকা, ইতিহাস বিভাগ)



ভাষণৰত অৱস্থাত আমন্ত্ৰিত অতিথি
ড° গুণীন্দ্ৰ দাস, অধ্যক্ষ, বৰপেটা ছোৱালী মহাবিদ্যালয়।





শ্বহীদ প্ৰণামো তোমাক ......
শ্বহীদ তৰ্পণ অনুষ্ঠানৰ দুটি মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহৰ নাটকৰ এটি মুহূৰ্ত



ধৰণী সেউজীয়া কৰাৰ লক্ষ্যৰে
মহাবিদ্যালয় চৌহদত বৃক্ষৰোপণ

MOHAN LAL CHOUDHURY LIBRARY :
Library:



ব্যস্ততাপূৰ্ণ মুহূৰ্তত মহাবিদ্যালয়ৰ মুখ্য কাৰ্য্যালয় সহায়ক শ্ৰী মুনীন্দ্ৰ কুমাৰ দাস।



মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক শ্ৰী লৱ কুমাৰ কলিতা আৰু গ্ৰন্থাগাৰৰ একাংশ।

MOHAN LAL CHOUDHURY LIBRARY :

Library :

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা — ২০০৫-০৬ বৰ্ষ



**প্ৰসেনজিৎ দাস**
উপ-সভাপতি



**ডেৰহাচাৎ বসুমতাৰী**
সাধাৰণ সম্পাদক



**মানিক সাহা**
সহঃ সাঃ সম্পাদক



**মিল্টন বসুমতাৰী**
আলোচনী সম্পাদক



**গোপাল সৰকাৰ**
সাংস্কৃতিক সম্পাদক



**ফাইজনুৰ আলি**
সম্পাদক, গুৰু খেল বিভাগ



**কিশোৰ বসুমতাৰী**
সম্পাদক, লঘু খেল বিভাগ



**প্ৰণয় কুমাৰ বৰ্মন**
সম্পাদক, ছাত্ৰ জিৰণী চ'ৰা



**গুণজিৎ বৰ্মন**
সম্পাদক, সমাজ সেৱা



**পলাশ চন্দ্ৰ তালুকদাৰ**
সম্পাদক, তৰ্ক, কুইজ আৰু আবৃত্তি



**চনম স্বৰ্গিয়াৰী**
সম্পাদক, ছাত্ৰী জিৰণী চ'ৰা



**দ্বিগেন দৈমাৰী**
সম্পাদক, কলা আৰু প্ৰদৰ্শনী

## শ্ৰেণী প্ৰতিনিধি — ২০০৫-০৬ বৰ্ষ



**প্ৰবীণ দেৱনাথ**
উঃ মাঃ প্ৰথম বৰ্ষ



**নয়ন কুমাৰ বৰ্মন**
উঃ মাঃ দ্বিতীয় বৰ্ষ



**বাপন নাথ**
স্নাতক দ্বিতীয় বৰ্ষ



**বিসু বসুমতাৰী**
স্নাতক ৩য় বৰ্ষ

MOHAN LAL CHOUDHURY LIBRARY :
Library :

# G.L.C. College Annual Magazine

## 2nd Issue
## 2005-06

# ENGLISH SECTION

**Incharge**
Mrs. Dipika Devi Choudhury
Mrs. Prabha Das

**Editor**
Sri Miltan Basumatary

MOHAN LAL CHOUDHURY LIBRARY :
Library:

Guest Column

# JAYANTA MAHAPATRA AND THE POETRY OF SILENCE

◆ Dr. Bishnu Charan Dash
Deptt. of English
B.H. College, Howly

Jayanta Mahapatra has reserved a secured place in Indian English poetry and his poetry has been variously viewed from the standpoints of mythic consciousness, Indian sensibility, socio-political reality, intricate human relationship, isolation and alienation culminating in the existential dilemma of the modern man and aesthetic structure firmly built upon Orissan ethos. But, an indepth analysis of and a psycho-philosophical penetration into his poetic world reveals that he is essentially a meditative poet- a poet for whom poetry is an eloquent expression of the eternal silence of the unknown. For this silent teacher of physics in Ravenshaw College, Cuttack, where the present writer had the rare opportunity of observing him from close quarters for three years, poetry is enriched by the aesthetics of silence and therefore does not necessitate any flamboyant propaganda. In Mahapatra's scheme of things, a poem is, like that of a New Critic, a well-knit structure in which the threads are knit together by an inconceivable silence which is, like Keat's 'unheard music' and Coleridge's 'airy nothing', an intangible substance that produces paradoxically a concrete creation with a 'local habitation', name and sweeter sound. A poet of originality and imagination (pratibha) as he is, his primary objective is not only to delight the reader (sahridaya), but to evoke his remarkable depth of feeling by the uncanny influence of his ironic and often suggestive symbols and haunting visual and auditory images that constitute the essence of the aesthetics of Mahapatra.

The journey of silence in Mahapatra's poetry ranges right from his very frist volume 'Close the Sky, Ten by Ten' (1971) in which he emerges as a poet with remarkable capacity to mould the language like clay finally allowing form, language, image and sound to prevail over emotion. He subscribes to the ancient Indian theory that 'Words' (sabda) are divine (Brahma) and that they at once manifest the Eternal and help build the poem from the realm of silence to which the poem must eventually return. Here, one recalls Robert Frost's 'poetry of silence' in which individual silence, silence of the inner self and environmental silence all finally merge into cosmic silence in order to lend a monistic unity to the concept of Eternity that dissolves all dualities and that dissipates all mut tiplicities for forming an 'organic whole'. The pristine glory of silence is compared by Mahapatra to the mysterious burst-out of childlike simplicity. He observes:

"May be it does, as it waits to burst out of



MOHAN LAL CHOUDHURY LIBRARY :
Library :

one with a childlike pang on its way to becoming the language of a poem. For, this silence is a sound I will remember always, as it seems to move through my days and I feel it like an armour to protect myself from the outside world."

To be precise, Mahapatra experiences the call of silence from 'within' and it opens out a thousand memories, a thousand longings in order to be vivified and given life, breath and soul within the texture and structure of a poem. In course of his quest for the unknown, the poet allows to situate himself through the dichotomy between the understandable and the mysterious, between life and death, between noise and calm, and carries the reader forward from the flow of the temporal to the abode of the Timeless. In that sense, his poetry is a veritable mystery. - lovely, dark and deep as well. And he expresses this mystery and eloquent silence with the help of a cluster of myth, allusions, symbols and metaphors.

Mahapatra has been wisely acclaimed as a 'regional poet' in much the same way Thomas Hardy and Gopinath Mohanty are called regional novelists, and Wordsworth and Forst are called regional poets of Lake District and New Hampshire respectively. His pastoral imagination hovers over the sights and sounds, temples and religious beliefs, common people and rural landscape of Orissa. But his regionalism, like Forst's, transcends the 'narrow domestic walls' and becomes an archetype of the universal human predicament. Quite a good many of his poems accommodated in his second volume under the title 'A Rain of Rites' (1974), allow silence to rule supreme, and the poem 'slience' succinctly says a lot about the unheard melody through visual imagery :

'I have read the silence
that dances across the land at dawn
I have watched it grow
From a small lonely window,
It hurts
The hundred thousand eyes
When I try to get over it
It creeps into bed like a furtive child.'

Mahaptra's aesthetic stance allows him as well as the readers to realish ('read') the beauty of silence that grows from a tiny graspable world of limitation ('a small lonely window') to the limitless periphery of 'Eternity', and an elaborate paraphernalia of aesthetic activity is hinted at here through 'reading', 'dancing', 'watching', 'growing', 'hurting' and finally 'creeping into bed like a furtive child'. Like silence the poetry of Mahapatra entails an irresistible and ever increasing (pratikshana-vardhamana) process of growth from the temporal to the Timeless. And in this respect, he comes closer to Robert Frost, whose mysterious sound of the 'long scythe' in the poem 'Mowing' creates a drama of whispering that defies any single interpretation.

"There was never a sound besides the wood but one,
And that was my long scythe whispering to the grounds"

Like Frost's description of the mysterious woods as 'lovely, dark and deep', Mahapatra's hideous mystery of silence is as mush fathomless and 'secretive as the creeping of a furtive child. Conceived in the womb of silence, Mahapatra's poetry gradually withdraws from the din and bustle of the outer world to the



MOHAN LAL CHOUDHURY LIBRARY :

inward abode of the Infinite. The palpable power of silence shapes the soul in his important poems like 'A Rain of Rites', 'Dawn at Puri', 'Dawn', 'Main Temple Street', 'Women in Love', 'The Abandoned British Cemetery at Balasore, and 'Orissa Landscape'. In 'Dawn', silence (darkness) is contrasted with sound and the poet makes use of montage technique to make a photographic arrangement of different pictures in order to form a consecutive whole. The Dawn is described through a juxtaposition of the 'acid sound' of a 'distant temple bell' with the 'wet silent of night of a crow' that 'hangs the first sun'. The protagonist of the poem 'The Ruins' is prompted to meditate on the past by the 'softly spoken sound' of a cow, whereas in "Konarka", the temple site is described as 'messenger of death', 'black in sleep' and 'cold beacon of my silent land' embodying the awe and despair of Orissa in the past.

Silence is not only contrasted with the 'noise' of the present, but also revives the grief of the past and anticipates the 'uncertainty' of 'future'. Like Keats who aesthetically envisages pleasure and pain as two sides of the same coin in "Ode to a Nightingale", the lover in the poem "Lost" experiences the paradox of passion in the lap of lulling silence :

'I've wanted to know what lulling silence
can bloom in my hands,
what pain and pleasure your mind can wear
through the intrigues at my finger tips."

Silence has lulled the protagonist here to relapse into a dreamy mood in which he recalls the rosy experiences of the past.

'Indian Summer' and 'Dawn at Puri' are two important poems in which Mahapatra progresses from 'sound' to 'silence'. Here as in the world of Frost, poetry begins with delight and ends in wisdom. In the former, the typical Indian summer begins with mournful blow of the solemn wind, which is gradually intensified by the loud chanting of hymns by the temple priests with which 'the mouth of Indian opens.' But, as the poem proceeds, crocodiles move into deeper waters, a heap of rubbish smoulder in sunlight and give out somke; a good wife lies abed and quickly spends her time in dreaming and remains unperturbed by the deep roar of 'funeral pyres' which is a significant symbol in Mahapatra's poetry indicating the fear of death, the loss of life and the unknown vista of a new life. In 'Dawn at Puri', Orissa remains the foreground of his flourishing art and the temple environment at Puri by the Bay of Bengal is presented with brevity, suggestivity and meticulous care. The poem is redolent of the Orissan scene and the age-old belief and religious conviction that constitutes the Jagannatha culture. But behind the veil of religiousity, the poem present the hollowness and the predicament of modern man in a meaningless universe. That the poem is decidedly realistic rather than romantic becomes obvious from the very beginning with 'endless crow noises' that signifies painful but unavoidable reality. Mahapatra's mythopoeic imagination is at work to present a pessimistic picture of life through a series of brilliant visual pictures– endless noise of the crows, a skull lying on the holy sands, an empty and hungry country accommodating helpless 'widowed women' and a mass of crouched nameless faces. In Indian mythology, 'crow' is an inauspicious bird signifying 'death' because it feeds on dead bodies.



MOHAN LAL CHOUDHURY LIBRARY :

Mahapatra deliberately creates an atmosphere of death consciousness. The ironic juxtaposition of 'a skull' and the 'holy sands' raises the vital question that the land of salvation (as Puri is believed to be the door of salvation- svargadvara) is a land of hunger and death, and that the Saviour or the Lord of the whole universe (Jagannatha) is callous and pitiless to human suffering. The picture of the 'skull of a half-burnt dead-body on which the crows release their reign of terror is indicative of the dance of Death. Here is a paradoxical play of cosmic silence (death) through the bitter sound of the crows.

As the poem progresses, the 'noise' is silenced. This is evident from 'empty country', mute and 'hungry countrymen', from the pale and speechless 'widowed women forced by religion to seek salvation in the Great temple of Jagannatha. Their 'austere eyes' speak volumes, in silence, about their extreme sorrow and suffering after their husbands are dead. It is doubtful whether Jagannatha- the husband (natha) of all will fulfill their desires in the middle age, as they are prevented by Hindu religion to remarry again. Their helplessness is aptly conveyed through the expression 'caught in a net hanging by the dawn's shinning strands of faith'. The irony is that there is no way out and that they will have to sustain by their religious faith- the law of the land. Silence rules supreme and the frail light of the dawn falls on the runied and wretched shells of lepers that lean agaisnt on another signifying the helplessness of the modern man. These helpless underdogs of our society has reduced them to 'a mass of crouched faces' without name. Their faces bear the stamp of timidity, helplessness and unbearable agony. Finally, the poet's eyes are caught by the visual glory of a funeral pyre so near and dear to Mahapatrian imagination. The 'burning pyre' and the 'fire' suggest the futility of worldly ambition, glory, pride and the temporal nature of human existence that becomes non-existent in silence in the lap of fire and the poem comes to a calm close with the poet's mother's last wish to be cremated here- the land of salvation- where the 'holy sands' of the beginning is ironically transformed into 'shifting sands' symbolizing uncertainty, fragile worldly existence characteristic of the nature of 'light'- a visual construct, which, like 'fire' and 'ice' indicate the mysterious world of eternal silence in Mahapatra's poetic corpus. ❑❑

References :

1. Das, Bijoy Kumar (2001) : The Poetry of Jayanta Mahapatra
2. Naik, M. K. (1997) : A History of Indian English Literature.
3. Gokak, V. K. (ed), (1970) : The Golden Treasury of Indo-Anglian Poetry.
4. Oilver, Dr. Egbert S. (ed) (1989) : American Literanture (1890-1965)



MOHAN LAL CHOUDHURY LIBRARY :

Library :

# BISHNU PRASAD RABHA : A BRIEF LIFE-SKETCH

◆ **Mukut Khan**
Lecturer, Deptt. of English



After Sri Sankardev if we search through the cultural heritage of Assam, the names of two glittering stars come to our mind ; one is Jyoti Prasad Agarwala and the other is Bishnu Prasad Rabha. In this article, a brief life-sketch of the later would be reviewed, who was born on 31st January, 1909 in the military barrack in Dhaka, Bangladesh when it was an integral part of India. His father Gopal Chandra Rabha was then in Dhaka serving as a Subedar Major under British Government. Bishnu Rabha was brought up in the city where he was admitted in a Military Primary School in Bengali Medium. He also studied Urdu for a few days. Due to his father's transfer he came to his parental place Tezpur where he took admission in Tezpur Govt. High School in fourth standard. Sudden change of medium caused failure in his first sit, but in his subsequent examinations he excelled brilliantly.

In 1926 he passed Matric and got first position in the greater Darrang District and won the 'Queen Express' gold award. Every step of his student life at Tezpur he excelled by leaps and bounds. He took admission in I. Sc. at St. Paul College, Calcutta (presently 'Kolkata'). Within this period he not only gained popularity by his good results, but he paid attention in music, arts, play and sports as well. He passed I. Sc. in first division and wanted to take admission in the same college in B. Sc. with Physics as honours. Since St. Paul College had no honours in physics, so he was admitted in Ripan College in 1928 and became the General Secretary of the college for his excellent results. At that juncture Calcutta city was engulfed with the national movement against the British. Bishnu Rabha also actively participated in the agitation



MOHAN LAL CHOUDHURY LIBRARY :
Library :

protesting the contagious atmosphere created by the Authority who suddenly raided the hostel to which he belonged. Thus the frequent raids in the hostel compelled him to leave the college.

